www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমাৰ সকলো সপোনে পূৰণ হোৱাটো সম্ভৱ যদিহে এই সপোনবোৰক অনুসৰণ কৰাৰ সাহস আমাৰ থাকে। - বাল্ট ডিজনী

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ ▫ সংখ্যা - ২৫৫ ▫ শনিবাৰ ▫ ১৩ ডিচেম্বৰ, ২০২৫ চন ▫ ২৬ আঘোণ, ১৯৪৭ শক ▫ VOL - 6 ▫ NO.- 255 ▫ Saturday ▫ 13th December, 2025 ▫ মূল্য ঃ ১০.০০ টকা ▫ মুঠ পৃষ্ঠা ঃ ৮

▪ CJM আদালতত দাখিল জুবিন গাৰ্গ হত্যাকাণ্ডৰ অভিযোগনামা ▪

# ১২ হাজাৰ পৃষ্ঠাৰ বৃহৎ চাৰ্জশ্বীট দাখিল SITৰ

সিদ্ধাৰ্থ, শ্যামকানু, অমৃতপ্ৰভা, শেখৰজ্যোতিৰ বিৰুদ্ধে BNSৰ ১০৩ ধাৰা; হত্যাৰ ধাৰা সন্দীপন গাৰ্গৰ বিৰুদ্ধে BNSৰ ১০৫ ধাৰা; হত্যাকাণ্ডত অভিযুক্ত নধৰিলেও হত্যাৰ কাৰক PSO পৰেশ বৈশ্য, নন্দেশ্বৰ বৰাৰ বিৰুদ্ধে প্ৰয়োগ বিশ্বাসভংগৰ অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই ৰাজ্যজুৰি যি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল, সেই ঘটনাৰ তদন্তত আজি এক গুৰুত্বপূৰ্ণ পৰ্যায় সম্পূৰ্ণ হ'ল। অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলৰ (এছআইটি) নেতৃত্বত চলি থকা তদন্তৰ অন্তত আজি কামৰূপ (মেট্ৰ') জিলা দণ্ডাধীশৰ বিশেষ আদালতত মুঠ ১২, ০০০ পৃষ্ঠাৰ বিশাল চাৰ্জশ্বীট দাখিল কৰা হৈছে। ইয়াৰে মূল চাৰ্জশ্বীটখন ২, ৫০০ পৃষ্ঠাৰ, য'ত ডিজিটেল ফৰেনচিক প্ৰমাণ, কল ৰেকৰ্ড, বেংক ▸▸ ৬ পৃষ্ঠাত



## কংগ্ৰেছৰ প্ৰবীণ নেতা, প্ৰাক্তন কেন্দ্ৰীয় গৃহমন্ত্ৰী শিৱৰাজ পাটিলৰ দেহাৱসান

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** কংগ্ৰেছৰ জ্যেষ্ঠতম নেতা, প্ৰাক্তন কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা লোকসভাৰ ▸▸ ৬ পৃষ্ঠাত

দোষীয়ে শাস্তি নোপোৱালৈকে কংগ্ৰেছ ৰাজপথত থাকিব

## জুবিন গাৰ্গ হত্যাকাণ্ডৰ চাৰ্জশ্বীট দাখিল! সন্দেহ প্ৰকাশ গৌৰৱ গগৈৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তত বিশেষ তদন্তকাৰী দলৰ (SIT) দাখিল কৰা ▸▸ ৬ পৃষ্ঠাত





অসম উকীল সন্থাৰ পুনৰ্বিচাৰৰ অনুৰোধ

## শ্যামকানু মহন্তৰ বাবে উকীল নাপালে পত্নীয়ে!

**ষ্টাফ ৰিপৰ্টাৰ, দিছপুৰ, ১২ ডিচেম্বৰ ঃ** জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ ১২ হাজাৰ পৃষ্ঠাৰ চাৰ্জশ্বীট আদালতত দাখিল হোৱাৰ দিনটোতেই আন ▸▸ ৬ পৃষ্ঠাত

## অন্ত পৰিল সৌমিত্ৰ শইকীয়াৰ নেতৃত্বাধীন ন্যায়িক আয়োগত শপতনামা দাখিলৰ দিন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু ঘটনাৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰি দিয়া সৌমিত্ৰ শইকীয়াৰ ▸▸ ৬ পৃষ্ঠাত

চৈয়দ মুস্তাক আলী ট্ৰফীৰ খেলুৱৈক বিপথে পৰিচালিত কৰাৰ অভিযোগ




## অসমৰ চাৰি ক্ৰিকেটাৰক তাৎক্ষণিক নিলম্বন ACAৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থা (ACA)ই শুকুৰবাৰে চাৰিগৰাকী প্ৰথম শ্ৰেণীৰ ক্ৰিকেটাৰক তাৎক্ষণিকভাৱে নিলম্বন কৰিছে। নিলম্বিত খেলুৱৈকেইগৰাকী হৈছে - অমিত সিনহা, ঈশান আহমেদ, অমন ত্ৰিপাঠী আৰু অভিষেক ঠাকুৰীয়া। এই চাৰিজনৰ বিৰুদ্ধে অভিযোগ - চলিত বৰ্ষৰ ২৬ নৱেম্বৰৰ পৰা ৮ ডিচেম্বৰলৈ লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মুস্তাক আলী ▸▸ ৬ পৃষ্ঠাত

জুবিন ক্ষেত্ৰত থকা পক্ষীক আহাৰ যোগান গৰিমা শইকীয়া গাৰ্গৰ

## চাৰ্জশ্বীট দাখিলৰ পিছতেই জুবিন ক্ষেত্ৰত গৰিমা শইকীয়া গাৰ্গ



'প্ৰতিজন দোষীয়ে কঠোৰৰ পৰা কঠোৰতম শাস্তি পাব লাগে'

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** অসমৰ প্ৰিয় সংগীতশিল্পী তথা অভিনেতা জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত আৰক্ষীয়ে চাৰ্জশ্বীট দাখিল কৰাৰ পিছতে আজি তেওঁৰ স্মৃতিস্থলী 'জুবিন ক্ষেত্ৰ'ত উপস্থিত হয় পত্নী গৰিমা শইকীয়া গাৰ্গ। তেওঁৰ লগত ভগ্নী পামি বৰঠাকুৰ আৰু পৰিয়ালৰ অন্তৰংগ ▸▸ ৬ পৃষ্ঠাত

▪ আজি ছটা মৃতদেহ উদ্ধাৰ; দুৰ্ঘটনাস্থলী দুৰ্গম হোৱা বাবে উদ্ধাৰ অভিযান স্থগিত ▪

## অৰুণাচলৰ দুৰ্ঘটনাস্থলীত মন্ত্ৰী বিমল বড়া; উদ্ধাৰ অভিযানৰ তদাৰক



**অসম বাৰ্তা বিশেষ, তিনিচুকীয়া, ১২ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ আঞ্জাও জিলাৰ ▸▸ ৬ পৃষ্ঠাত

শিক্ষা মন্ত্ৰালয়ৰ 'অগ্ৰাহ্যযোগ্য মৌনতা'ৰ বাবে ছাত্ৰ-শিক্ষক-কৰ্মচাৰীৰ তীব্ৰ ক্ষোভ

## ৮৬ দিনৰ পিছতো সংকট মাৰ যোৱা নাই তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত উপাচাৰ্য শম্ভু নাথ সিংহৰ অপসাৰণৰ দাবীত আৰম্ভ হোৱা আন্দোলনে ৮৬ দিন ▸▸ ৬ পৃষ্ঠাত

বিৰোধীয়ে দিয়া পৰামৰ্শক আমি সন্মান কৰোঁ আৰু একেলগে সমাধান বিচাৰিম ঃ কিৰেন ৰিজিজু

## প্ৰদূষণৰ বিৰুদ্ধে চৰকাৰ-বিৰোধীৰ সংসদত ঐক্য



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** ভাৰতীয় সংসদত চৰকাৰ আৰু বিৰোধীৰ মাজত 'ঐক্য' শব্দটো প্ৰায় অচিনাকি হৈ পৰিছে। প্ৰতিটো ▸▸ ৬ পৃষ্ঠাত

ৰাজমোহন গান্ধীৰ ঐতিহাসিক তথ্যৰে প্ৰত্যুত্তৰ জয়ৰাম ৰমেশৰ

## নেহৰুক লৈ অমিত শ্বাহৰ 'ভোট চুৰি'ৰ অভিযোগ!



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লোকসভাত দাবী কৰা যে "জৱাহৰলাল নেহৰুৱে চৰ্দাৰ পেটেলৰ পৰা প্ৰধানমন্ত্ৰী পদটো ভোট চুৰি কৰি লৈছিল" - এই অভিযোগক শুকুৰবাৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে "গোকাটে মিছা" আৰু "কল্পনাপ্ৰসূত" ▸▸ ৬ পৃষ্ঠাত

গণভোটত ৮৬ শতাংশই দিলে বিৰোধিতাৰে ভোট

## গুৱাহাটী উচ্চ ন্যায়ালয়ক ৰংমহললৈ স্থানান্তৰৰ প্ৰস্তাৱক নাকচ অধিবক্তাৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ক বৰ্তমানৰ ঠাইৰ পৰা উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰ কৰাৰ চৰকাৰী প্ৰস্তাৱৰ বিৰুদ্ধে অধিবক্তাসকলে সৰৱ হৈ উঠিছে। গুৱাহাটী ▸▸ ৬ পৃষ্ঠাত




এনডিআৰএফ-এছডিআৰএফৰ যুটীয়া দলৰ জয়পুৰৰ পৰা শুৱালকুছিলৈ উদ্ধাৰ অভিযান

## তৃতীয় দিনৰ পিছতো উদ্ধাৰ নহ'ল ব্ৰহ্মপুত্ৰত নিৰুদ্দিষ্ট পাঁচ কৃষ্ণভক্তৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** খাৰঘুলি-জয়পুৰৰ সমীপৰ ব্ৰহ্মপুত্ৰত বুধবাৰে দুপৰীয়া স্নান কৰিবলৈ নামি ডুবি নিৰুদ্দিষ্ট হোৱা পাঁচগৰাকী কৃষ্ণভক্তৰ সন্ধান এতিয়াও পোৱা নাই। ঘটনাই তৃতীয় দিনত ভৰি দিয়াৰ পিছতো এনডিআৰএফ, এছডিআৰএফ আৰু নদী আৰক্ষীৰ যুটীয়া উদ্ধাৰ অভিযানত কোনো সফলতা ▸▸ ৬ পৃষ্ঠাত

▪ মন্ত্ৰীৰ সন্মুখতেই ঢলি পৰিল মৃত শ্ৰমিকৰ পত্নী; আটক শ্ৰমিকসকলক নিয়া ঠিকাদাৰক ▪

## গেলাপুখুৰী চাহ বাগিচাৰ মৃতকৰ ঘৰত ৰাজ্যিক-কেন্দ্ৰীয় মন্ত্ৰীৰ ভিৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ আঞ্জাও জিলাৰ হায়ুলিয়াং-সাগলাগাম অঞ্চলত সোমবাৰে নিশা প্ৰায় ৮-৯ বজাত সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাই গোটেই অসমক শোকস্তব্ধ কৰি তুলিছে। তিনিচুকীয়াৰ গেলাপুখুৰী চাহ বাগিচাৰ পৰা ঢালাইৰ কামৰ ▸▸ ৬ পৃষ্ঠাত



আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক

আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক।




অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

### শ্বহীদ কমিচন ডেকাৰ শ্বহীদ বেদী বেদখলমুক্ত কৰিবলৈ মুখ্যমন্ত্ৰীলৈ আহ্বান

# লাহৰীঘাটত শ্বহীদ দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ভূৰাগাঁও, ১২ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমজিলা প্ৰশাসনৰ উদ্যোগত আজি লাহৰীঘাটতো অসম অস্তিত্ব ৰক্ষা আন্দোলনৰ শ্বহীদ সকলৰ স্মৃতিত শ্বহীদ দিৱস অনুষ্ঠিত হয়। সমজিলা কাৰ্যালয়ৰ চৌহদত অনুষ্ঠিত শ্বহীদ দিৱসত পুৱা বন্তিপ্ৰজ্বলন কৰে সমজিলাৰ আয়ুক্ত শিল্পীকা কলিতাই। ইয়াৰ পাছতে অঞ্চলটোৰ ১২ গৰাকী শ্বহীদক সুঁৱৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। লগতে লাহৰীঘাট সমজিলা প্ৰশাসনৰ তৰফৰ পৰা শ্বহীদ কেইগৰাকীৰ পৰিয়ালক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত ৰাজ্য চৰকাৰে মহানগৰৰ বৰাগাঁৱত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা শ্বহীদ দিৱসৰ অনুষ্ঠান লাইভ সম্প্ৰচাৰ কৰি সমবেত ছাত্ৰ ছাত্ৰী আৰু ৰাইজক প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানটোত লাহৰীঘাট আৰু মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ একাংশ অংগনৱাড়ী কৰ্মী আৰু মুখ্য সেৱিকা সকলে 'শ্বহীদ প্ৰণামো তোমাক' গীতটো সমস্বৰে পৰিবেশন কৰে। অনুষ্ঠানটোত সমজিলাৰ আয়ুক্ত গৰাকীৰ লগতে সহ আয়ুক্ত প্ৰমোদ শৰ্মাসহ লাহৰীঘাট আৰু ভূৰাগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, লাহৰীঘাট আৰু ভূৰাগাঁও উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, অভিযন্তা সকলৰ লগতে লাহৰীঘাট আৰু মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া দুগৰাকী সহ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে অঞ্চলটোৰ তিনিচুকীয়াত থকা অসম অস্তিত্ব ৰক্ষা আন্দোলনৰ শ্বহীদ কমিচন ডেকাৰ শ্বহীদ বেদীটো একাংশ অসাধু ব্যৱসায়ীয়ে বেদখল কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। ইফালে এই সন্দৰ্ভত ২০২২ চনতে শ্বহীদ গৰাকীৰ ভাতৃ উপেন চন্দ্ৰ ডেকাই ভূৰাগাঁও ৰাজহ চক্ৰ বিষয়া গৰাকীক লিখিত ভাৱে অভিযোগ দাখিল কৰিছিল। একেদৰে সেই সময়তে এই সন্দৰ্ভত মৰিগাঁও ছাত্ৰ সন্থাৰ লগতে লাহৰীঘাট আৰু ভূৰাগাঁও আঞ্চলিক সমিতিকো বিষয়টো অৱগত কৰিছিল যদিও আজিলৈকে কিন্তু শ্বহীদ গৰাকীৰ পৰিয়ালে কোনো সুফল নাপালে। শ্বহীদ গৰাকীৰ ভাতৃ ডেকাই আজি সংবাদ মাধ্যমৰ আগত কোৱা মতে, শ্বহীদ বেদীটো নিৰ্মাণস্থলীত দুকঠা মাটি আছিল কিন্তু এতিয়া তাৰ ঠাইত এক লোচা মাটিও নাই। সকলোখিনি বেদখলকাৰীয়ে গাঢ় কৰি পেলাইছে। ইফালে ইয়াকে লৈ লাগি থকাত শেহতীয়াকৈ পৰিয়ালটোলৈ মৃত্যুৰ ভাবুকি অহা বুলিও গুৰুতৰ অভিযোগ তুলিছে শ্বহীদ গৰাকীৰ ভাতৃ উপেন চন্দ্ৰ ডেকাই। যাৰ বাবে আজি শ্বহীদ গৰাকীৰ ভাতৃৰ লগতে স্থানীয় লোকে শ্বহীদ বেদীটো বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰে আহ্বান জনাইছে।

# মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত শ্বহীদ দিৱস উদ্‌যাপন



**অসম বাৰ্তা, উজনী মাজুলী, ১২ ডিচেম্বৰ ঃ** অসমীয়া জাতি আৰু অসমৰ অস্তিত্ব ৰক্ষাৰ যুঁজৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ সহিতে অসম আন্দোলনৰ ৮৬০গৰাকী যুগজয়ী শ্বহীদৰ সোঁৱৰণেৰে আৰু সেই সকল শ্বহীদৰ স্মৃতি যুগমীয়া কৰাৰ বাবে অসমৰ লগতে মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত আজি উত্তৰ কমলাবাৰী সত্ৰৰ প্ৰেক্ষাগৃহত শ্বহীদ দিৱস উদযাপন কৰা হয়। সেই উপলক্ষে উত্তৰ কমলাবাৰী সত্ৰৰ মুকলি প্ৰেক্ষাগৃহত বৰেণ্য শ্বহীদসকলৰ সন্মানাৰ্থে আয়োজন কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচীত অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মবলিদানৰ অজেয় দৃষ্টান্ত ৰচি থৈ যোৱা মহান বীৰ শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ আৰু মাজুলীৰ প্ৰথমগৰাকী শ্বহীদ দণ্ডিৰাম ভড়ালীৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মাজুলী জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলে। বিবেক দত্ত ই আত ধৰা সভাত বৰগীত পৰিৱেশন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰীয়া বিশিষ্ট শিল্পী উপেন বৰগায়নে। আৰম্ভণি সমবেত সংগীত পৰিবেশন কৰে সাধনা সাংস্কৃতিক কেন্দ্ৰৰ শিল্পী সকলে। সভাত আদৰণি ভাষণ আগবঢ়াই জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি বিধায়ক ভুৱন গামে দিৱসৰ তাৎপৰ্য সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত অসম আন্দোলনৰ সময়ত নিৰ্যাতনৰ বলি হোৱা, আন্দোলনত অংশ গ্ৰহণ কৰা আদি পৰিয়ালৰ লোকৰ লগতে মাজুলী জিলা ছাত্ৰ সন্থা জিলা যুৱ ছাত্ৰ পৰিষদ, জ্যেষ্ঠ নাগৰিক, পেঞ্চনাৰ সন্থা, সাংবাদিক সন্থা, আপকু মাজুলী জিলা সমিতি, কলিতা জাতিৰ যুৱ ছাত্ৰ পৰিষদ, কোচ ৰাজবংশী, কৰ্মচাৰী সন্থা, মহিলা সমিতি, মৎস্য পালক সন্থা, টুনী নদী সংৰক্ষণ সমিতিকে তিনি সহস্ৰাধিক ৰাইজে অংশগ্ৰহণ কৰে। শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি মুকলি মঞ্চৰ কাষতে থকা বৃহৎ ফিচাৰিৰ পাৰত দীপু বৰাই পৰিচালনা কৰা, মাজুলী ৰূপবৰন চিত্ৰ কলা বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে কেনভাছ পেইণ্টিং কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# জ্যেষ্ঠ নাগৰিকৰ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয়ৰ অন্তৰ্গত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ স্বীকৃতিপ্ৰাপ্ত জিলা আৰু শাখাৰ সৈতে জড়িত জ্যেষ্ঠ নাগৰিকসকলৰ অংশগ্ৰহণৰে সমগ্ৰ ৰাজ্যতে ড° ভূপেন হাজৰিকাই কথাছবিত গোৱা গীত, নিজে লেখি গোৱা গীত আৰু আনে লিখা ভূপেন হাজৰিকাই গোৱা গীতৰ প্ৰতিযোগিতা তিনিটা শাখাত অনুষ্ঠিত কৰি আছে। তাৰে অংশ হিচাপে যোৰহাট জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনে ৮ ডিচেম্বৰত যোৰহাট জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ প্ৰেক্ষাগৃহত উক্ত প্ৰতিযোগিতা অনুষ্ঠিত কৰে। পুৱা জিলা সন্মিলনৰ উপ-সভাপতি প্ৰবীণ কুমাৰ গোস্বামীয়ে পতাকা উত্তোলনৰ পাছতে বৰ্ষজোৰাকৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰাৰ লগতে শিল্পী জুবিন গাৰ্গৰো প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি শ্ৰদ্ধাঞ্জলি জনায় বিমান বৰুৱা, জগত চন্দ্ৰ বৰঠাকুৰে। জিলা সন্মিলনৰ সাধাৰণ সম্পাদক ক্ষেত্ৰধৰ বৰুৱাই আঁতধৰা প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে সন্মিলনৰ ৰাজ্যিক প্ৰধান সম্পাদক প্ৰসন্ন বৰঠাকুৰে। প্ৰতিযোগিতাৰ 'ক' শাখাত নৰেন পূজাৰী প্ৰথম, তৰুণ শইকীয়া দ্বিতীয়, ধীৰেন্দ্ৰনাথ নেওগ তৃতীয়, 'খ' শাখাত অৰূপ কুমাৰ গোস্বামী প্ৰথম, ধীৰেন্দ্ৰনাথ নেওগ দ্বিতীয়, প্ৰভাত তামোলী তৃতীয়, 'গ' শাখাত অৰূপ কুমাৰ গোস্বামী প্ৰথম, তৰুণ শইকীয়া দ্বিতীয়, ৰূপাঙ্ক শৰ্মা পাঠকে তৃতীয় স্থান অধিকাৰ কৰে। কেউগৰাকী প্ৰতিযোগীয়ে গুৱাহাটীত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত যোৰহাট জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ হৈ অংশগ্ৰহণ কৰিবলৈ নিৰ্বাচিত হৈছে।

# খনামুখ উচ্চ মাধ্যমিক বিদ্যালয়ত বিদায় সভা আৰু শ্বহীদ দিৱস পালন

**অসম বাৰ্তা, জাঁজী, ১২ ডিচেম্বৰ ঃ** খনামুখ উঃ মাঃ বিদ্যালয়ত কালি এখনি বিদায় সভা অনুষ্ঠিত হয়। সভাৰ প্ৰাকক্ষণত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত সন্মুখত বন্তি প্ৰজ্বলন কৰে অৱসৰ প্ৰধান ৰবীন চন্দ্ৰ হাজৰিকাই। শিক্ষক জয়ন্ত নাথে আঁত ধৰা সভাত সভাপতিত্ব কৰে ভগামুখ কাৰিকৰী উঃ মাঃ বিদ্যালয়ৰ অৱসৰ প্ৰধান হেমধৰ গগৈয়ে। আনহাতে শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি শ্বহীদৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। উক্ত সভাত ক্ৰমে অনু বৰুৱা আৰু অমৃত নেওঁগক বিদ্যালয়ৰ উপৰিও উপস্থিত ৰাইজে বিপুল ভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। এই সভাতেই বিদ্যালয়লৈ আগবঢ়োৱা বিশেষ আৰ্থিক অনুদানৰ বাবে সম্বৰ্ধনা জনোৱা হয় প্ৰাক্তন জকাইচুক জিলা পৰিষদৰ সদস্যা তথা জিলা পৰিষদৰ উপ সভানেত্ৰী ৰেখা কলিতাক। উক্ত সভাত ভগামুখ কাৰিকৰী বিদ্যালয়ৰ অৱসৰ প্ৰধান ক্ৰমে নিত্যা আৰন্ধৰা, জ্যোতিপ্ৰভা গগৈ, খনামুখ মধ্য, ইংৰাজী বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান দেৱকুমাৰ মহন্ত, খনামুখ মজলীয়া বিদ্যালয়ৰ অৱসৰ প্ৰধান প্ৰবীণ গগৈ, উক্ত বিদ্যালয়ৰ শিক্ষক দিনেশ গগৈ, বসন্ত বৰুৱা, ভূপেন দুৱৰা, নপাম মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰ প্ৰধান যোগেন শইকীয়া, বিদ্যালয়ৰ বৰ্তমানৰ প্ৰধান শিক্ষক ৰবীন গগৈ, খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আনন্দ বৰা, সহ শিক্ষক সীমান্ত দুৱৰা, বিনুদ গগৈ, বিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ দিলিপ বৰা, মাধৱদেৱ প্ৰাথমিক বিদ্যালয় প্ৰধান দেৱেন বৰা, ডিমৰু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দ্বয়, খনামুখ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক-শিক্ষয়ত্ৰী ক্ৰমে মীৰা গগৈ, মীৰা শইসকীয়া, ভুৱন গগৈ আদি বহুতো গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সমান্তৰাল ভাবে কালি সন্ধিয়া খনামুখ শাখা সাহিত্য সভাৰ উদ্যোগত সমূহ খনামুখ বাসীৰ সহযোগত খনামুখ ছাত্ৰ সন্থাৰ জিৰণি চৰাত শ্বহীদ দিৱস পালন কৰা হয়। শ্ৰীমন্ত দত্তই আতধৰা অনুষ্ঠানত বন্তী প্ৰজ্বলন কৰে খনামুখ মিলন প্ৰাথমিক বিদ্যালয়ৰ অৱসৰ প্ৰধান শিক্ষক টংকেশ্বৰ গগৈয়ে। আনহাতে সভাত বহুতো গণ্যমান্য ব্যক্তিৰ উপস্থিতিত প্ৰজ্বলক আৰু শাখা সাহিত্য সভাৰ সভাপতি ৰবীন চন্দ্ৰ হাজৰিকাই শ্বহীদ সকলক সুঁৱৰি দিনটোৰ তাৎপৰ্য সম্পৰ্কে আলোকপাত কৰে। শ্বহীদ সকলৰ আত্মাৰ সদগতিৰ অৰ্থে সমূহীয়া প্ৰাৰ্থনাৰে সভা ভঙ্গ কৰা হয়।

# বাঘজানত পঞ্চম বাৰ্ষিক আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ সামৰণি

## ২-১ গ'লত বাঘজান এফ চি চেম্পিয়ন

**অসম বাৰ্তা বিশেষ, তিনিচুকীয়া, ১২ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ সৌজন্যত বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ উদ্যোগত বাঘজান অঞ্চলৰ সমূহ দল-সংগঠন আৰু ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহযোগত যোৱা ২ ডিচেম্বৰৰ পৰা ৯ ডিচেম্বৰ, ২০২৫লৈকে বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ খেলপথাৰত অনুষ্ঠিত পঞ্চম বাৰ্ষিক আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা-২০২৫ৰ মঙ্গলবাৰে সফল সামৰণি পৰে। ষষ্ঠ কামাণ্ড বিতেলিয়ান, অম্বিকাপুৰ (শদিয়া), মটাপুং এফ চি, বাঘজান এফ চি, দুলীয়াজান এফ চি, মালোগাঁও ৰাইজিং এফ চি, টঙনা টি চি, ডিব্ৰু ইউনাইটেড এফ এ, বদৌচা চিনিয়ৰ চেকেণ্ডাৰী এফ চি মুঠ আঠটা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত ২-১ গ'লৰ ব্যৱধানত বাঘজান এফ চি চেম্পিয়ন হয়। বদৌচা চিনিয়ৰ চেকেণ্ডাৰী এফ চি (মাকুম) আৰু বাঘজানৰ মাজত অনুষ্ঠিত চূড়ান্ত খেলত বাঘজান এফ চিৰ হৈ বিবেক মাঝিয়ে ৭ মিনিটত এটা আৰু দিপু কুমাৰ বৰাই ৫৪ মিনিটত এটা গ'ল দিয়ে। বিপৰীতে উত্তেজনাপূৰ্ণভাৱে খেলৰ প্ৰথমাৰ্ধত বদৌচা চিনিয়ৰ চেকেণ্ডাৰীৰ বাসৱ দাসে ২৩ মিনিটত প্ৰথমটো গ'ল পৰিশোধ কৰে। আৰম্ভণি খেলৰ শুভ উদ্বোধন কৰে বাঘজান গাঁও শ্ৰীশ্ৰী মায়ামৰা বৰনামঘৰৰ বৰবুঢ়া (বৰমেধি) দিলীপ মৰাণে। চূড়ান্ত খেল উদ্বোধন কৰে বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ, যুৱ নেতা ত্ৰিদিপজ্যোতি মৰাণে। চেম্পিয়ন দলক ট্ৰফীসহ নগদ ত্ৰিশ হাজাৰ এটকা (৩০, ০০১), বিজেতা দলক ট্ৰফীসহ নগদ বিশ হাজাৰ এটকাৰে (২০, ০০১) পুৰস্কৃত কৰে। লগতে সৰ্বোচ্চ গ'লদাতা বাঘজান এছ চিৰ দিপু কুমাৰ বৰাক সদ্যপ্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়া সোঁৱৰণী বঁটাসহ মাননি প্ৰদান কৰে পত্নী উপাসনা বকলীয়াল গগৈ, পুত্ৰ ৰিবু গগৈয়ে। শ্ৰেষ্ঠ খেলুৱৈ বদৌচাৰ বাসৱ দাসক জুবিন গাৰ্গ সোঁৱৰণী বঁটাসহ মাননি, শ্ৰেষ্ঠ গ'লৰক্ষক বাঘজান এফ চিৰ বিবেক তাঁতীক বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ ক্ৰীড়া সম্পাদক স্বৰ্গীয় নীৰৱ মৰাণ সোঁৱৰণী বঁটাসহ মাননি প্ৰদান কৰে নীৰৱৰ পিতৃ অমল মৰাণে। ৰেফাৰী ডিম্বেশ্বৰ নাথ, সহকাৰী দেৱীচৰণ চুতীয়া, হেমচন্দ্ৰ বাগ, চতুৰ্থ সত্যজিত বৰুৱা। চূড়ান্ত খেলৰ উদ্বোধনৰ পূৰ্বে জনতাৰ শিল্পী জুবিন গাৰ্গ, গণশিল্পী ৰাজীৱ শদিয়া আৰু বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ ক্ৰীড়া সম্পাদক স্বৰ্গীয় নীৰৱ মৰাণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ সাধাৰণ সম্পাদক জিণ্টু হাজৰিকাই আঁত ধৰা মুকলি সভাৰ আৰম্ভণিৰ প্ৰাকমুহূৰ্তত বাঘজান গাঁও প্ৰাথমিক বিদ্যালয় আৰু স্থানীয় কেইবাগৰাকী কণকণ ছাত্ৰীৰ মৰাণ বিহু নাচ পৰিৱেশন কৰে। পঞ্চম বাৰ্ষিক আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰাঞ্জল গগৈ, বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ সভাপতি তিলক নেওগৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত গৃহ নিৰ্মাণ বিভাগৰ অধ্যক্ষ পুলক গোহাঁই, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰুণজ্যোতি মৰাণ, তিনিচুকীয়া জিলা পৰিষদৰ উপ-সভানেত্ৰী চিত্ৰলেখা দুৱৰা ছোনা, অসম মৰাণ সভা ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজিৎ হাজৰিকা, তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি দুৰ্গকান্ত মৰাণ, সাধাৰণ সম্পাদক অৰ্জুন মৰাণ, বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক তথা বাঘজান-দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অনিল বৰুৱা, উপদেষ্টা যতীন চেতিয়া, অসম মৰাণ সভা বাঘজান শাখাৰ উপদেষ্টা তথা বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণেশ্বৰ চেতিয়া, অসম মৰাণ সভা বাঘজানৰ সভাপতি ৰূপম মৰাণ, সাধাৰণ সম্পাদক অনুপম নেওগ, বাঘজান স্পৰ্টছ ক্লাবৰ সভাপতি মণ্টু মৰাণ, সম্পাদক মিণ্টু মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ বাঘজান শাখাৰ সভাপতি বাবুল মৰাণ, সম্পাদক বুলবুল মৰাণসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# দৰঙত ৰাষ্ট্ৰীয় পেলু নিৰ্মুলকৰণ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দেওমৰনৈ, ১২ ডিচেম্বৰ ঃ** ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে আজি দৰঙতো আয়োজিত হয় ৰাষ্ট্ৰীয় পেলু নিৰ্মুলকৰণ দিৱসৰ কাৰ্য্যসূচী। এই দিৱস আৰু সপ্তাহজোৰা কাৰ্য্যসূচীৰ লগত সংগতি ৰাখি পূব-মঙলদৈ আদৰ্শ বিদ্যালয়ত অনুষ্ঠিত হয় শুভ উদ্বোধনী অনুষ্ঠান। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ দিল্লীৰাম অধিকাৰীয়ে মুখ্য অতিথি হিচাবে উপস্থিত থাকি সপ্তাহজোৰা কাৰ্য্যসূচী আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। অনুষ্ঠানটো উদ্বোধন কৰি যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে, পেলু নিৰ্মূলৰ বাবে খুওৱা এলবেণ্ডাজল টেবলেট একেবাৰেই নিৰাপদ। ইয়াক চোবাই খালে অধিক সুফল পোৱা যায়। পেলুৰ ফলতেই ৰক্তহীনতাৰ দৰে ৰোগত আক্ৰান্ত হয় শিশু তথা কিশোৰ- কিশোৰী সকল। সেয়ে ছমাহৰ অন্তৰে অন্তৰে পেলুৰ দৰৱ খোৱাটো অতিকৈই জৰুৰী। ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি তেওঁ লগতে কয় যে, পেলু মুক্ত হলেহে খোৱা খাদ্যৰ পৰা পোৱা পুষ্টি সম্পূৰ্ণৰূপে শৰীৰে পায়। সেয়ে নিজক পেলু মুক্ত কৰি ৰাখিবৰ বাবে দৰৱ খোৱাৰ লগতে চাফ চিকুনতাও বজাই ৰাখিব লাগে। অনুষ্ঠানটিত ধূলা নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ জাহানাৰা খানম, বিদ্যালয়খনৰ অধ্যক্ষ কুশল কলিতা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা মাধ্যম বিশেষজ্ঞ জাহ্নবী শৰ্মা, জিলা সামূহিক সংগঠক মল্লিকা দেৱী, জিলা আঁচনি সমন্বয়ক গীতিকা দত্ত, পোষণ অভিযানৰ জিলা সমন্বয়ক পাৰ্ভেজ মেহদি, সমগ্ৰ শিক্ষা অভিযানৰ ৰিফাট আহমেদ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৰিদিপ গোস্বামীৰ লগতে খণ্ড পৰ্যায়ৰ কেইবাগৰাকীও বিষয়া কৰ্মচাৰী, বিদ্যালয়খনৰ শিক্ষক শিক্ষয়ত্ৰী তথা শতাধিক ছাত্ৰ -ছাত্ৰী উপস্থিত থাকে। এই অনুষ্ঠানতেই কেইবাগৰাকীও ছাত্ৰ ছাত্ৰীক পেলু নিৰ্মূলৰ দৰৱ খুওৱা হয়। উল্লেখ্য যে এইকাৰ্যসূচীৰ সময়ছোৱাত জিলাখনৰ ১-১৯ বছৰৰ পৰ্য্যন্ত শিশু তথা কিশোৰ কিশোৰীক পেলু নিৰ্মূলৰ দৰৱ খুওৱা হব। প্ৰতিখন বিদ্যালয় আৰু অংগনৱাদী কেন্দ্ৰতেইএই কাৰ্য্যসূচী ৰূপায়ণ কৰা হব।

**শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰাজ্যৰ পৰিবহণ মন্ত্ৰী চৰণ বড়ো**

# দৰঙত অসম আন্দোলনৰ শ্বহীদলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে দৰং জিলাতো বুধবাৰে ঐতিহাসিক অসম আন্দোলনত প্ৰাণাহুতি দিয়া ৮৫৫ গৰাকীৰো অধিক শ্বহীদক গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰা শ্বহীদ স্মাৰকৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয় আৰু দৰঙৰ জনসাধাৰণ এই ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈ ৰয়। দৰঙ জিলাৰ মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত উক্ত অনুষ্ঠানত পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত হৈ শ্বহীদসকলক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ অসম আন্দোলনত প্ৰথম প্ৰাণ আহুতি দিয়া খৰ্গেশ্বৰ তালুকদাৰৰ শ্বহীদ হোৱা ১০ ডিচেম্বৰ দিনটোৰ তাৎপৰ্য ব্যাখ্যা কৰে। শ্বহীদসকলৰ ত্যাগ আৰু দেশপ্ৰেমৰ নিদৰ্শন চিৰদিন অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব বুলি কয়। মন্ত্ৰীগৰাকীয়ে অসম আন্দোলনত দৰঙৰ অৱদান যথেষ্ট আছিল বুলি কয় আৰু দৰঙৰ পৰা ৫৮জন লোক এই আন্দোলনত শ্বহীদ হৈছিল সেইবিষয়ে উল্লেখ কৰে। অনুষ্ঠানত ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাই ৰচনা কৰা "শ্বহীদ প্ৰণামো তোমাক" গীতটি সামূহিকভাৱে ১০ হাজাৰৰো অধিক লোকে পৰিবেশন কৰে। অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতী, জেষ্ঠ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মাকে ধৰি শ্বহীদ পৰিয়ালৰ সদস্যসকল, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ বিষয়ববীয়া, শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# মৰিগাঁৱত দুই নাবালিকা ধৰ্ষণকাৰীক পক'চ আদালতৰ সশ্ৰম কাৰাদণ্ডৰ লগতে আৰ্থিক জৰিমনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ এনাৰুল ইছলাম নামৰ এজন ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি সৰ্বমুঠ ২৫ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে এই লোকজনৰ বিৰুদ্ধে এবছৰ পূৰ্বে এক জঘণ্য ধৰ্ষণ কাণ্ড সংঘটিত কৰাৰ অভিযোগত মৈৰাবাৰী আৰক্ষী থানাত ১৫৮/২০২৪ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ ৰিণী ভড়ালীৰ আদালতে ধৰ্ষণ কাণ্ডৰ অপৰাধী এনাৰুল ইছলামক পক'চ আইনৰ ৬নং ধাৰাত দোষী সাব্যস্ত কৰি ২০ বছৰ আৰু ভাৰতীৰ ন্যায় সংহিতাৰ ৩৩২ নং ধাৰাত অতিৰিক্ত ৫ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। আনহাতে একেখন পক'চ আদালতে কালি মৈৰাবাৰীৰ মুকছিদুৰ ৰহমান নামৰ আন এজন ধৰ্ষণকাৰীক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। প্ৰাপ্ত তথ্য মতে এই ধৰ্ষণকাৰীটোৰ বিৰুদ্ধে এবছৰ পূৰ্বে মৈৰাবাৰী আৰক্ষী থানাত ৩১/২০২৪ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই গোচৰৰ তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে কালি পক'চ আইনৰ ৬ নং ধাৰাত ২০বছৰ আৰু ভাৰতীৰ দণ্ডবিধিৰ ৪৪৮নং ধাৰাত দোষী সাব্যস্ত কৰি অতিৰিক্ত এবছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ১৫ হাজাৰ টকাৰ আৰ্থিক জৰিমনাৰ আদেশ জাৰি কৰে।

**সুদৰ ধন নিদিয়াৰ বাবেই কাঢ়ি আনিলে এক্স ইউ ভি বাহন**

# নগাঁৱত পুনৰ সুদখোৰৰ দৌৰাত্ম্য

**অসম বাৰ্তা, নগাঁও, ১২ ডিচেম্বৰ ঃ** নগাঁৱত সুদখোৰৰ দৌৰাত্ম্য অব্যাহত আছে। কিছুদিন পূৰ্বে নগাঁও আৰক্ষীয়ে সুদখোৰৰ বিৰুদ্ধে অভিযান চলাই বহু কেইজন সুদখোৰক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ জিলাখনতে সুদখোৰ নিস্তেজ হৈ আছিল যদিও পুনৰ সক্ৰিয় হৈ পৰিছে একাংশ সুদখোৰ। শেহতীয়াকৈ নগাঁও চহৰৰ খ্ৰীষ্টান পট্টিৰ ইমৰান হুছেইন ওৰফে ইৰাণে আতংকৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, জিলাখনৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখৰ কাজি মাছউদ নামৰ এগৰাকী ব্যক্তিক সুদ আদায়ৰ নামত নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। কাজিক সুদখোৰ ইৰাণে সৰ্বাধিক ১৫ শতাংশ সুদত ৫ লাখ ৫২ হাজাৰ টকা দিয়ে। অৱশ্যে সুদৰ বাবদ ৭০ হাজাৰ টকা আদায় দিয়ে যদিও বাকী টকা সময় মতে সুদ আদায় নিদিয়াৰ বাবে ইৰাণে কাজিৰ এএছ০২-এই উ ১৮৮৮ নম্বৰৰ এক্সইউভি চাৰিচকীয়া বাহনখন কাঢ়ি লৈ আহে। আনকি, সুদসহ সমুদায় ধন ঘূৰাই নিদিলে মিছা অভিযোগ দি আৰক্ষীৰ হতুৱাই গ্ৰেপ্তাৰ কৰাই জেললৈ প্ৰেৰণ কৰাৰ ভাবুকি দিয়ে। অৱশেষত ভুক্তভোগী কাজি মাছউদে নগাঁও সদৰ আৰক্ষী থানাত আজি সুদখোৰ ইৰাণৰ বিৰুদ্ধে এক গোচৰ দাখিল কৰে। ইয়াৰ পিছতেই আৰক্ষীয়ে ইৰাণক সোধপোচৰ বাবে আটক কৰাৰ লগতে তেওঁৰ জিম্মাৰ পৰা এ'ইউভি বাহনখনো উদ্ধাৰ কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। উল্লেখ্য যে পূৰ্বেও নগাঁও আৰক্ষীয়ে ইৰাণক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল।

# বাসুগাঁৱত মহিলা সৱলী-কৰণৰ ওপৰত সজাগতা সভা

**অসম বাৰ্তা, বাসুগাঁও, ১২ ডিচেম্বৰ ঃ** বিশেষকৈ মহিলা সকল কেনেদৰে আগবাঢ়িলে স্বাৱলম্বী হ'ব পাৰিব, বিপদৰ সময়ত আত্মৰক্ষাৰ বাবে কি কৰিব লাগিব, বাল্যবিবাহ, ধৰ্ষণ, নাৰী সৰবৰাহ, চাইল্ড লেবাৰ, কেনেদৰে ৰোধ কৰিব পাৰি আদিৰ উপৰি শিক্ষাত গুৰুত্ব আৰোপ কৰি নিজৰ ল'ৰা-ছোৱালী, ভাই-ভনী, চুবুৰী বাসীক কেনেকৈ আগুৱাই লৈ যাব পাৰি ইত্যাদি বিষয়ত এক সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাতে মহিলা সকল বিপদৰ সন্মুখীন হ'লে 181 হেল্পলাইন নম্বৰত ফোন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত জিলা খনৰ বাসুগাঁও চহৰৰ ৩ নং ওৱাৰ্ডৰ বিবেকানন্দ বিদ্যাপীঠ এম ই স্কুলত আবেলি অনুষ্ঠিত সভাত উপস্থিত থাকি বিশেষকৈ মহিলা স্বাৱলম্বী হৈ আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনাই বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায় চিৰাং জিলা ডি এল এছ এৰ চেক্ৰেটেৰী ধনজিতা দাস, ভিক্টিম এচিষ্টেণ্টচ কোঅৰ্ডিনেটৰ (NGO)ৰ সাৱানা আহমেদ, ডি এম চি, ডি এইচ ই ডব্লিউৰ এছ এছ ওৱাৰী, চুপাৰভাইজাৰ এ হুছেইন, চিৰাঙৰ অ এ চি মৌচুমী গয়াৰী, ডি এছ ডব্লিউ অৰ ধৰিত্ৰী ব্ৰহ্ম, ডি এইচ ই ডব্লিউ এম এচ এছ আকটাৰ আদি বিষয়া তথা সমল ব্যক্তি সকলে বিষয়-বস্তুৰ ওপৰত মহিলা সকলৰ সমস্যা আৰু সমাধান সমূহ মনোগ্ৰাহীকৈ উপস্থাপন কৰে। আশাকৰ্মী, আত্মসহায়ক গোটৰ উপৰি বিভিন্ন ক্ষেত্ৰৰ প্ৰায় শতাধিক মহিলা অংশগ্ৰহণ কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সমল ব্যক্তি সকলে মহিলা সৱলীকৰণৰ ওপৰত সহজ-সৰল ভাৱে মনোগ্ৰাহীকৈ বুজাই কোৱাত উপস্থিত সকলোৱে সন্তোষ প্ৰকাশ কৰে।

# ১ নং মৰিটুনি প্ৰাথমিক বিদ্যালয়ত ৰাজহুৱা সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ ডিচেম্বৰ ঃ** মাজুলী শিক্ষা খণ্ডৰ অধীনৰ ১ নং মৰিটুনি প্ৰাথমিক বিদ্যালয়ত পুৱা ১১ বজাৰ পৰা ৰাজহুৱা সভা আৰু অভিভাৱক সন্মিলন অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক সুৰেশ বৰাই আঁত ধৰা সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ঘনশ্যাম শইকীয়াই। ৰাজহুৱা সভাত সঁফুৰা বৃত্তি লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলক প্ৰমাণ পত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। এই সভাতেই পশ্চিম কমলাবাৰী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মনোজ্যোতি ৰেগনে মাজুলী শিক্ষাখণ্ডৰ পৰা ২০২৫ বৰ্ষৰ বিশেষ সম্বৰ্ধনা লাভ কৰি ১ নং মৰিটুনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাবে গৌৰৱ কঢ়িয়াই অনাৰ বাবে বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। সভাত বিদ্যালয়ৰ সোণালী জয়ন্তী সম্পৰ্কে আলোচনা হোৱাৰ পিছতে পৰৱৰ্তী ৰাজহুৱা সভাৰ বাবে এখন আহ্বায়ক সমিতি গঠন কৰে। সুৰেশ চন্দ্ৰ বৰাক মুখ্য আহ্বায়ক, মনোজ্যোতি ৰেগন, ৰাজু ৰেগন, ৰনোজ পায়েং, বসন্ত দত্ত, ৰুমী ভূঞা আৰু প্ৰণিতা ৰেগনক আহ্বায়ক হিচাবে লৈ এখন আহ্বায়কমণ্ডলী গঠন কৰে। সভাত বিশিষ্ট হিচাবে ক্ৰমে-মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মনোজ্যোতি ৰেগন, ৰূপবৰণ কলা মহাবিদ্যালয়ৰ অধ্যক্ষ দিপু বৰা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাজু ৰেগন, পকাজৰা গাঁও পঞ্চায়তৰ ৯ নং ৱাৰ্ড সদস্য ৰনোজ পায়েং, বসন্ত দত্ত, ৰুমী ভূঞা, প্ৰণিতা ৰেগন প্ৰমুখ্যে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

**হেৰাইছে**

মোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰেজিষ্ট্ৰেচন কাৰ্ড, এডমিট কাৰ্ড, মাৰ্কশ্বীট আৰু চাৰ্টিফিকেট হেৰাইছে। হেৰুওৱা ৰেজিষ্ট্ৰেচন কাৰ্ডৰ নম্বৰ ঃ 30/PR/0093/650610/20, এডমিটৰ ৰোল নং ঃ B23-0847, আৰু নং ঃ 0469, মাৰ্কশ্বীটখনৰ নং ঃ M398225 আৰু চাৰ্টিফিকেট নং ঃ C290210। যদি কোনো সদাশয় ব্যক্তিয়ে মোৰ নথি-পত্ৰখিনি পায় 9435081395 নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ।

নাম ঃ জোনাকী বেগম
পিতা ঃ মনু মিঞা
গাঁও ঃ চিমলাই পথাৰ খাৰিখানা,
জিলা ঃ হোজাই, অসম

AB-168/2025

লখিমপুৰৰ লীলাবাৰীত 'ব্ৰাজিল-বাদাম পৰিয়াল'ৰ গছ 'নাগচম্পা' ৰোপণ

# সৰ্প-বান্ধৱ সৌৰভ বৰকটকীৰ একান্ত প্ৰচেষ্টাত 'সেউজ বিপ্লৱ'



**অসম বাৰ্তা, লীলাবাৰী, ১২ ডিচেম্বৰ ঃ** বিভিন্ন মূল্যৱান গছ ৰোপণেৰে 'সেউজ বিপ্লৱ' সূচনাৰ চেষ্টাৰে সৰ্প-বান্ধৱ সৌৰভ বৰকটকীৰ একান্ত প্ৰচেষ্টাত অসমৰ বিভিন্ন প্ৰান্তত বহু দুৰ্লভ গছ-গছনিৰ সমাহাৰ ঘটিছে। সৰ্প-বান্ধৱ সৌৰভ বৰকটকীৰ প্ৰচেষ্টাত ২০২৫ বৰ্ষৰ নাগচম্পা অভিযানৰ অন্তিম পৰ্বত লখিমপুৰৰ লীলাবাৰীত এই অভিযান আৰম্ভ কৰিছে। বুধবাৰে পুৱা নাগচম্পা ৰোপণৰ উদ্দেশ্যে অধ্যাপক, সৰ্প বিশেষজ্ঞ তথা প্ৰাক্তন বন্যপ্ৰাণী ৱাৰ্ডেন সৌৰভ বৰকটকীয়ে লখিমপুৰ জিলাৰ লীলাবাৰীস্থিত ত্ৰয়োদশ অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয় চৌহদত এটি অতি মূল্যবান প্ৰজাতিৰ আপুৰুগীয়া নাগচম্পা পুলি ৰোপণ কৰে। উল্লেখ্য যে, লখিমপুৰ জিলাত প্ৰথমবাৰৰ বাবে নাগচম্পা ৰোপণ কৰা হয়। নাগচম্পাৰ পুলি ৰোপণ কৰে সৰ্প-বান্ধৱ সৌৰভ বৰকটকী আৰু ত্ৰয়োদশ আৰক্ষী বাহিনীৰ পৰিদৰ্শক শোণিত শইকীয়াই। ত্ৰয়োদশ আৰক্ষী বাহিনীৰ কেইবাজনো বিষয়া আৰু সৰ্পবন্ধু মচিনুৰ ৰহমানৰ সহযোগত গছপুলি ৰোপণ কাৰ্যসূচীত সৰ্প-বান্ধৱ বৰকটকীয়ে কয়, গছেই আমাৰ পৰিচয়। গছ নাথাকিলে জীয়াই থকা জীৱৰ অস্তিত্ব নাই। প্ৰসঙ্গক্ৰমে বৰকটকীয়ে নাগচম্পা সন্দৰ্ভত কয় যে, নাগচম্পা পুলি অসমৰ কোনো নাৰ্চাৰীতে পোৱা নাযায়। প্ৰাচীন কালৰে পৰা নাগচম্পাই ৰোগ নিৰাময় গুণৰ বাবে মানৱ জাতিৰ প্ৰতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। ইয়াৰ মৌলিক দিশ, যেনে- সুৰক্ষা, গুণগত মান আৰু কাৰ্যক্ষমতাই স্বাস্থ্য সেৱাত উদ্ভিদভিত্তিক ঔষধৰ ভূমিকা নিশ্চিত কৰে। সাধাৰণতে 'কেননবল' গছ বুলি জনাজাত এইবিধ গছ 'ব্ৰাজিল-বাদাম পৰিয়াল'ৰ সদস্য। এণ্টিবায়'টিক, এণ্টিচেপ্টিক, এণ্টি-ইনফ্লেমেটৰী, এণ্টিমাইক্ৰ'-বিয়াল, এণ্টিমাইক্ৰ' বেক্টেৰিয়েল, এণ্টিআৰ্থাইটিক, এণ্টিবায়'ফিল্ম, এণ্টিডায়েৰিয়াল, এণ্টিফাৰ্টিলিটী, এণ্টিপাইৰেটিক, এণ্টিষ্ট্ৰেছ, এণ্টিটিউমাৰ, এণ্টিআলচাৰ, এণ্টিডাৰ্মেটি ফাইটিক আদি বহু গুণৰ বাবে কেননবল গছে আজি বিশ্বজুৰি চৰ্চা লাভ কৰিছে। নাগচম্পা গছৰ প্ৰায় সকলো অংশই পৰম্পৰাগতভাৱে বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা হৈছে। ২০২৪ বৰ্ষত 'প্ৰকৃতি' গোটৰ তৰফৰ পৰা নাগচম্পা সন্দৰ্ভত সমগ্ৰ অসমতে 'সৰ্প বান্ধৱ সৌৰভ বৰকটকী টীম'ৰ তৰফৰ এক জৰীপ কৰা হৈছিল। জৰীপত প্ৰায় ৭ জোপা নাগচম্পা প্ৰজাতিৰ গছ পোৱা বুলি আজি প্ৰকাশ কৰে সৌৰভ বৰকটকীয়ে। উল্লেখযোগ্য যে চলিত বৰ্ষত অসমৰ কেইবাখনো জিলাত নাগচম্পা ৰোপণ কাৰ্য ইতিমধ্যে সম্পন্ন হৈছে। লখিমপুৰত আজি আৰম্ভ হৈছে নাগচম্পাৰ দ্বিতীয় পৰ্যায়ৰ ৰোপণ, ২০২৫ ৰ কাৰ্যসূচী। ইতিমধ্যে বছৰৰ আৰম্ভণিতে কামাখ্যা মন্দিৰকে আদি কৰি গুৱাহাটীৰ কেইবাটাও স্থানত বৰকটকীৰ দ্বাৰা ৰোপণ কৰা হৈছিল নাগচম্পাৰ পুলি। চলিত বৰ্ষৰ শেষৰ ফালে আৰম্ভ হোৱা দ্বিতীয় পৰ্যায়ৰ গছ ৰোপণ কাৰ্যসূচীত আজি নাগচম্পা ৰোপণৰ বীজসমূহ বেংগালোৰৰ পৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ বনাঞ্চলৰ প্ৰাক্তন সঞ্চালক, ভাৰতীয় বনসেৱাৰ বিষয়া তথা আন্তঃৰাষ্ট্ৰীয় ছেৰিকালচাৰ আয়োগৰ মহাসচিব পি. শিৱ কুমাৰে পঠাইছিল। মন কৰিবলগীয়া যে, ২০১৭ বৰ্ষৰ পৰা আজিলৈকে নাগচম্পা ৰোপণৰ ক্ষেত্ৰত বৰকটকীয়ে কোনো চৰকাৰী অনুদান অথবা বেচৰকাৰী সহায় নোলোৱাকৈয়ে সম্পূৰ্ণ নিজা খৰচত নাগচম্পা গছৰ পুলি অসমৰ বিভিন্ন প্ৰান্তত ৰোপণ কৰি আহিছে।

সাংবাদিককলে জীয়াই থাকিলেও ন্যায় নাপায় মৰিলেও ন্যায় নাপায়, সাংবাদিক সকল সুৰক্ষিত নহয়- মুজিবৰ ৰহমান

# দুধনৈত জাৰ্ণেলিষ্ট এক্সন কমিটি গোৱালপাৰাৰ "সংবাদ ইন্দ্ৰ গ্ৰাম্য বঁটা-২০২৪" প্ৰদান অনুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১২ ডিচেম্বৰ ঃ** সাংবাদিক সকল আজিও সুৰক্ষিত নহয়। সাংবাদিক সকল সকলোতে বঞ্চিত। সাংবাদিক সকলে মৰিলেও ন্যায় নাপায়, জীয়াই থাকিলেও ন্যায় নাপায়। ৰাজ্যৰ ৩২ গৰাকীকৈ সাংবাদিকে মৃত্যুবৰণ কৰা পিচতো আজিলৈ ন্যায় নাপালে। এই মন্তব্য নলবাৰী সদৰৰ মানব দৰদী তথা ডি ওৱাই ৩৬৫ৰ সাংবাদিক মজিবৰ ৰহমানৰ। সোমবাৰে জাৰ্ণেলিষ্ট এ'ন কমিটি গোৱালপাৰাই দুধনৈত আয়োজন কৰা সংবাদ ইন্দ্ৰ গ্ৰাম্য বঁটা-২০২৪ বঁটা প্ৰদান অনুষ্ঠানত বঁটা প্ৰাপক মজিবৰ ৰহমানে ভাষণ প্ৰসংগত এই মন্তব্য কৰে। তেওঁ কয় আততায়ীৰ হাতত নিহত হোৱা গোৱালপাৰাৰ আগিয়াৰ প্ৰয়াত সাংবাদিক ইন্দ্ৰ মোহন হাকাচামৰ সোঁৱৰণত জাৰ্ণেলিষ্ট এক্সন কমিটি গোৱালপাৰাই সাংবাদিক গৰাকীৰ নিৰ্ভীক সাংবাদিকতাক জীয়াই ৰখাৰ যি প্ৰয়াস সেই প্ৰয়াসক মই ধন্যবাদ তথা কৃতজ্ঞতা জনাইছোঁ। সাংবাদিক সংগঠনটোৱে ২০২৪ বৰ্ষৰ বাবে মোক প্ৰদান কৰা "সংবাদ ইন্দ্ৰ গ্ৰাম্য বঁটা"ই মোক সমাজৰ হকে কাম কৰি যোৱাৰ বাবে প্ৰেৰণা দিলে। তেওঁ পুনৰ কয় মফচলীয় সাংবাদিক সকলৰ সমস্যা সমূহ শ্ৰমিক আইন অনুসাৰে চৰকাৰে সমাধান কৰিব লাগে তাৰ সমান্তৰালকৈ প্ৰতিটো সংবাদ গোষ্ঠীয়ে তেওঁলোকৰ সংবাদ কৰ্মী সকলক ন্যূনতম সা-সুবিধা কৰি দিব লাগে। বঁটা প্ৰদান অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বে প্ৰয়াত সাংবাদিক ইন্দ্ৰ মোহন হাকাচাম আৰু অসমীয়াৰ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জাৰ্ণেলিষ্ট এ'ন কমিটি গোৱালপাৰাৰ সম্পাদক কন্দৰ্প নাথে। তাৰ পিচত জাৰ্ণেলিষ্ট এ'ন কমিটি গোৱালপাৰাৰ সভাপতি বেনজিন বড়োৰ পৌৰাহিত্যত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত "আসাম প্ৰেছ কৰেচপণ্ডেন্দেটচ্ ইউনিয়ন" চমুকৈ "আপকু" কেন্দ্ৰীয় কমিটিৰ সভাপতি স্বপন কুমাৰ ৰাভাই বঁটা প্ৰদান অনুষ্ঠানটো উদ্বোধন কৰি আপকুৱে অসমৰ মফচলীয় সংবাদ কৰ্মী সকলৰ আৰ্থিক নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে কেনেদৰে কাম কৰি আছে তাক সুন্দৰকৈ ব্যাখ্যা আগবঢ়াই। আপকুৰ প্ৰচেষ্টাৰ বাবেই অসমৰ বিভিন্ন সময়ত আততায়ীৰ হাতত নিহত হোৱা ৩২গৰাকী সংবাদকৰ্মীলৈ চৰকাৰে পাঁচলাখকৈ এককালীন অনুদান আগবঢ়াইছে। বঁটা প্ৰদান অনুষ্ঠানত অসম গৌৰৱ তথা ৰেচম বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ড° যোগেশ দেউৰীয়ে মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি তেওঁৰ ভাষণত কয় যে, সংবাদকৰ্মী সকলে তেওঁলোকৰ নিস্বাৰ্থ বাতৰি সমূহৰ জৰিয়ত একো একোগৰাকী ব্যক্তিক সমাজত পৰিচয় কৰাই দিয়ে। প্ৰয়াত সহকৰ্মী ইন্দ্ৰ মোহন হাকাচামৰ নিস্বাৰ্থ কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে তেওঁৰ নামত এটা বঁটা প্ৰদান কৰি যি প্ৰয়াস সেয়া আদৰণীয়। বঁটা প্ৰদান অনুষ্ঠানত দুটাকৈ আত্মসহায়ক গোটক গাহৰি পালনেৰে গ্ৰাম্য অৰ্থনীতিত আগবঢ়োৱা অৱদানৰ বাবে সম্বৰ্ধনা জনোৱা হয়। বঁটা প্ৰদান অনুষ্ঠানত দুধনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সমীৰ কোঁৱৰক সম্বৰ্ধনা জনোৱাৰ লগতে আছু, আৰছু, ষষ্ঠ অনুসূচী দাবী সমিতি, আবছু, আক্ৰাছু, আমছু, চাহ জনজাতি ছাত্ৰ সন্থা বিষয়ববীয়া সকলৰ লগতে জিলাখনৰ সংবাদ কৰ্মী সকল উপস্থিত থাকে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বঁটা প্ৰাপক মজিবুৰ ৰহমানক এখন ফুলাম গামোচা, জাপি, কলম, মান পত্ৰ, স্মাৰক, গড়ৰ প্ৰতিকৃতি আৰু নগদ দহ হেজাৰ টকা প্ৰদান কৰা হয়।

বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ, পদক্ষেপক পদ্মশ্ৰী যাদৱ পায়েঙৰ প্ৰশংসা

# 'পশুৰ অধিকাৰ মানুহৰ দায়বদ্ধতা' মহৎ শ্ল'গানেৰে গোলাঘাট নগৰত প্ৰাপ্তি ফাউণ্ডেশ্যনৰ সজাগতা ৰেলী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১২ ডিচেম্বৰ ঃ** 'জীৱ-জন্তুক সন্মান আৰু সুৰক্ষা প্ৰদান কৰক' এই পৃথিৱী কেৱল মানুহৰ বাবে নহয়, সকলোৰে বাবে, জীৱ-জন্তুৰ অধিকাৰৰ প্ৰতি সজাগ হওক, জীৱ-জন্তুৰ প্ৰতি সহৃদয় হওক, বন্যপ্ৰাণীক সুৰক্ষা দিয়ক, জীৱ-জন্তুৰ প্ৰতি নিষ্ঠুৰ নহ'ব, পশুৰ অধিকাৰ, মানুহৰ দায়বদ্ধা আদি শ্ল'গান সম্বলিত হাতে-হাতে প্লে'কাৰ্ড লৈ আজি গোলাঘাট নগৰত উলিওৱা সজাগতা সমদলে ৰাইজৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰে। বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰী, ৰাইজে সমদলত অংশগ্ৰহণ কৰি জীৱ-জন্তুৰ প্ৰতি মৰম আৰু সন্মানৰ দৃষ্টি নিক্ষেপ কৰি দায়বদ্ধ ভূমিকা পালন কৰিবলৈ সংশি-ষ্ট সকলোৰে প্ৰতি আহ্বান জনায়। আন্তঃৰাষ্ট্ৰীয় পশু অধিকাৰ দিৱস উপলক্ষে এই উদ্যোগ আছি গোলাঘাটৰ প্ৰাপ্তি ফাউণ্ডেশ্যনৰ। জীৱ-জন্তু, পশু-পখীৰ সুৰক্ষাৰ বাবে দীৰ্ঘদিন ধৰি নিষ্ঠাৰে কাম কৰি অহা অগ্ৰনী স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ ড° প্ৰাপ্তি ঠাকুৰৰ নেতৃত্বত উদযাপন কৰা কাৰ্যসূচীৰ সজাগতা ৰেলীৰ ফ্লেগ-অফ কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন প্ৰকৃতিপ্ৰেমী পদ্মশ্ৰী যাদৱ পায়েঙে। গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্পৰ্টচ কমপ্লেক্সত প্ৰাপ্তি ফাউণ্ডেশ্যনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে পৰিচালনা কৰা শুভাৰম্ভণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নৱ-প্ৰজন্মৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰাপ্তি ফাউণ্ডেশ্যনে গ্ৰহণ কৰা পদক্ষেপৰ পদ্মশ্ৰী পায়েঙে ভুয়সী প্ৰশংসা কৰে। এই উপলক্ষে স্বাক্ষৰ সংগ্ৰহ অভিযানো সম্পন্ন হয়। কাৰ্যসূচীতঢ়বিশিষ্ট প্ৰকৃতিপ্ৰেমী কুশদীপ হাতীমতা, জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূ এঙা, শিক্ষাবিদ শিৱ বৰা আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, ড° প্ৰাপ্তি ঠাকুৰৰ নেতৃত্বত প্ৰাপ্তি ফাউণ্ডেশ্যনে জীৱ-জন্তুৰ সুৰক্ষা প্ৰদানৰ বাবে দীৰ্ঘদিন ধৰি স্বেচ্ছামূলক সেৱা আগবঢ়াই আহিছে।

"কবিসকল সাহসী হ'ব লাগে, সাহস নথকা মানুহ কবি হ'ব নোৱাৰে" - প্ৰণৱ কুমাৰ বৰ্মন

# তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আৰু চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১২ ডিচেম্বৰ ঃ** কালিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত হোৱা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আৰু চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা এখন বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। বিশিষ্ট কবি তথা সমালোচক ড° ৰঞ্জিত দত্তই সঞ্চালনা কৰা কবি সন্মিলনখন উদ্বোধন কৰে অসমৰ এগৰাকী জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে। উদ্বোধনী ভাষণত বৰ্মনে কয় যে সমাজ পৰিবৰ্তনত কবিসকলে এক বিশেষ ভূমিকা পালন কৰে। সেয়ে কবিসকল সাহসী হ'ব লাগে। সাহস নথকা মানুহ কবি হ'ব নোৱাৰে। সুন্দৰম কবি সন্মিলন, ডুমডুমা - ৰূপাইৰ তত্ত্বাৱধানত অনুষ্ঠিত এই বহুভাষিক কবি সন্মিলনত অসমীয়া, বাংলা, হিন্দী, চাদ্ৰী, আদি কেইবাটাও ভাষাত তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় ৫০ গৰাকী কবিয়ে কবিতা পাঠ কৰে। আৰম্ভণিতে সুন্দৰম কবি সন্মিলনৰ সভানেত্ৰী ইন্দু দত্ত উজীৰে বন্তি প্ৰজ্বলন কৰে আৰু ইন্দ্ৰাণী বৰপূজাৰীয়ে এটি সৰস্বতী বন্দনা পৰিবেশন কৰে। কবি সন্মিলনৰ পূৰ্বে আজি ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটোত ইলোৱা বিজ্ঞান মঞ্চই অসমত উদযাপন কৰা 'কু-সংস্কাৰ বিৰোধী দিৱস'ৰ লগত সংগতি ৰাখি ডুমডুমা প্ৰেছ ক্লাব আৰু ইলোৱা বিজ্ঞান মঞ্চৰ ডুমডুমা শাখাৰ যৌথ উদ্যোগত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰৰ আৰম্ভণিতে হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ইলোৱা বিজ্ঞান মঞ্চ ডুমডুমা শাখাৰ সভাপতি ডাঃ বাদল কুমাৰ ঘোষ আৰু ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্তই। ইয়াৰ পাছতেই ডাঃ বাদল কুমাৰ ঘোষৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰখনিত মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ সভাপতি ড° মীনা দেৱী বৰুৱাই কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ ওপৰত এটি সাৰুৱা বক্তৃতা প্ৰদান কৰে। আৰম্ভণিতে ইলোৱা বিজ্ঞান মঞ্চৰ ডুমডুমা শাখাৰ কাৰ্যকৰী সভাপতি ধৰ্মেশ্বৰ বৰাই আদৰণি ভাষণ প্ৰদান কৰাৰ বিপৰীতে প্ৰাক্তন সম্পাদক তাৰিণী ডেকাই উদ্দেশ্য ব্যাখ্যা কৰে। কাইলৈ পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পাছত



তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰয়াত সদস্যসকলৰ স্মৃতিত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। তাৰ পাছতেই সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। দুপৰীয়া বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকাৰ সঞ্চালনাত এক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানত বিশিষ্ট লেখক তথা ডিব্ৰুগড় হনুমান ব' সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই 'অসমত কৰ্মসংস্থাপনহীনতা আৰু বহিঃৰাজ্যলৈ যুৱক-যুৱতীৰ গমন' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰিব। সন্ধিয়া তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সদস্যসকলে 'হৰিশ্চন্দ্ৰ উপাখ্যান' নামৰ এখন ভাওনা মঞ্চস্থ কৰিব।

# যোৰহাটৰ মালৌআলিত ভাওনা প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, আমগুৰি, ১২ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত তথা মালৌআলি কমলাবৰীয়া বুঢ়া নামঘৰৰ সমূহ ৰাইজৰ উদ্যোগত লগতে 'ইত্যাদি' উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চ আৰু দাতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত ইং ২৯ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰ ২০২৫ লৈ অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা ভাগি যোৱা ৭ ডিচেম্বৰ ২০২৫ তাৰিখে অন্ত পৰে। উক্ত প্ৰতিযোগিতাত যোৰহাটৰ কলাগুৰু সাংস্কৃতিক গোষ্ঠীয়ে পৰিৱেশন কৰা 'কাম্যক নন্দিনী' ভাওনা ভাগিয়ে প্ৰথম স্থান লাভ কৰাৰ লগতে যোৰহাটৰ কৃষ্ণ শংকৰ নাট্যগোষ্ঠীৰ শকুনিৰ প্ৰতিশোধ, ডেকাগিৰি সাংস্কৃতিক সংঘৰ ধ্ৰুৱ চৰিত্ৰ আৰু শংকৰ মাধৱ নাট্যগোষ্ঠীয়ে পৰিবেশন কৰা অম্বাৰ দেহত্যাগ ভাওনাই ক্ৰমে দ্বিতীয় তৃতীয় আৰু চতুৰ্থ স্থান লাভকৰে। লগতে চল্লিশটা ব্যক্তিগত শিতানত পুৰস্কাৰ প্ৰদান কৰা হয়। দৰ্শকৰ অভূতপূৰ্ব সঁহাৰিৰ মাজেৰে এখন উচ্চ মানবিশিষ্ট মাতৃভাষাৰ ভাওনা প্ৰতিযোগিতা সমগ্ৰ অসমতে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সৌজন্যত পোনপ্ৰথম বাৰৰ বাবে অনুষ্ঠিত হয়।

# সৰুপথাৰত শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্ত, ধনশিৰি, ১২ ডিচেম্বৰ ঃ** সৰুপথাৰ নগৰৰ ৰামধেনু মুকলি প্ৰেক্ষাগৃহত সৰুপথাৰ সমজিলা প্ৰশাসনৰ উদ্যোগত দিনযোৱা কাৰ্যসূচীৰে বুধবাৰে "শ্বহীদ দিৱস" উদ্‌যাপন কৰে। ছবছৰীয়া অসম আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ স্মৃতিত প্ৰতিবছৰে ১০ডিচেম্বৰ তাৰিখে ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হয়। বুধবাৰে এই শ্বহীদ দিৱসটি কেন্দ্ৰীয়ভাৱে ৰাজ্য চৰকাৰে গুৱাহাটীত আয়োজন কৰাৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্বহীদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰে আৰু এই কাৰ্যসূচী অসমৰ প্ৰতিখন জিলা আৰু সমজিলাত পোনপটীয়াকৈ সম্প্ৰচাৰিত হয়। সৰুপথাৰ সমজিলা প্ৰশাসনে আয়োজন কৰা শ্বহীদ দিৱসত গুৱাহাটীৰ পোনপটীয়া সম্প্ৰচাৰ উপভোগ কৰাৰ পিছত মুখ্য অতিথি হিচাপে উপস্থিত থকা সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে ৮৬০গৰাকী শ্বহীদক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে আৰু উপস্থিত ৰাইজক উদ্দেশ্যি শ্বহীদ দিৱস সন্দৰ্ভত তেখেতৰ ভাষণ আগবঢ়াই। অনুষ্ঠানৰ শেষত অনুষ্ঠানটিত উপস্থিত থকা ৮৩চনৰ অসম আন্দোলনত আত্ম বলিদান দিয়া সৰুপথাৰ অঞ্চলৰ শ্বহীদ দেবেশ্বৰ বৰা, শ্বহীদ অনিল বৰা আৰু শ্বহীদ তিলক ডেকাৰ পৰিয়ালবৰ্গৰ হৈ উপস্থিত থকা সদস্য তিনিগৰাকীক সৰুপথাৰ সমজিলা প্ৰশাসনৰ হৈ বিধায়ক বিশ্বজিৎ ফুকনে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনাই। অনুষ্ঠানৰ শেষত এটি মহিলা দলৰ সমবেত সঙ্গীত পৰিৱেশনৰ দ্বাৰা অনুষ্ঠানৰ সামৰণি মাৰে। অনুষ্ঠানটিত সৰুপথাৰ সমজিলা প্ৰশাসনৰ হৈ সমজিলা আয়ুক্ত মানসজ্যোতি নাথকে ধৰি বহুকেইগৰাকী প্ৰশাসনিক বিষয়া আৰু যথেষ্ট সংখ্যক ৰাইজ উপস্থিত থাকে।

# অভয়াপুৰীত সমজিলা প্ৰশাসনৰ উদ্যোগত শ্বহীদ দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ১২ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলা প্ৰশাসনৰ উদ্যোগতো শ্বহীদ দিৱস পালন কৰা হয়। অভয়াপুৰী গান্ধীমৈদানত আয়োজিত অনুষ্ঠানত প্ৰায় ৪০০০জন অংশগ্ৰহণকাৰীয়ে সমবেতভাৱে "শ্বহীদ প্ৰণামো তোমাক" শীৰ্ষক গীতটি পৰিবেশন কৰি শ্বহীদ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী, শ্ৰদ্ধাঞ্জলি অৰ্পণ, মুকলি সম্বোধন, শ্বহীদ পৰিয়ালক সম্বৰ্ধনা আৰু জনসচেতনতামূলক কাৰ্য অনুষ্ঠিত হয়। স্থানীয় বিশিষ্ট ব্যক্তিৰ লগতে বিভিন্ন সংগঠন, শিক্ষানুষ্ঠানৰ ছাত্ৰ ছাত্ৰী তথা বহু সংখ্যক লোকৰ উপস্থিতিত অসম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ লগতে, ৮৫৫ গৰাকী শ্বহীদ স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি যঁচা হয়। তদুপৰি উত্তৰ শালমাৰাৰ শ্বহীদ ক্ষীৰোদ বাহাদুৰ তামাঙৰ বায়েক দিপালী ৰায় ভাই বোৱাৰী উষা বড়ো, সৃজনগ্ৰাম দৰকিনামাৰীৰ বেলো বালা বিশ্বাসৰ ধনী ৰাম বিশ্বাসক সম্বৰ্ধনা জনোৱা হয়।

# ১২৪ সংখ্যক ডিগবৈ শোধনাগাৰ দিৱস উপলক্ষে মাকুমৰ শিশু গৃহত সা-সামগ্ৰী বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১১ ডিচেম্বৰ ঃ** ১৯০১ চনত প্ৰতিষ্ঠা লাভ কৰা ঐতিহাসিক ডিগবৈ শোধনাগাৰে কাইলৈ অৰ্থাৎ ১১ ডিচেম্বৰত ১২৪ সংখ্যক শোধনাগাৰ দিৱস উদযাপন কৰিব। এই উপলক্ষে আজি ইয়াৰ নিলগৰ গংগাবাৰীস্থিত কেশৱ বাহেতী সূৰ্যোদয় শিশু গৃহৰ শিশুসকলৰ মাজত বিভিন্ন সা-সামগ্ৰী বিতৰণ কৰে শোধনাগাৰ কৰ্তৃপক্ষই। এই উপলক্ষে শিশু গৃহৰ চৌহদত আয়োজিত এক অনুষ্ঠানত ডিগবৈ শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক (মানৱ সম্পদ) ৰাহুল প্ৰশান্তে ডিগবৈ শোধনাগাৰে কেৱল তেল উৎপাদন কৰাতেইব্যস্ত নাথাকি জনকল্যাণৰ বাবে বহু আঁচনি গ্ৰহণ কৰিছে বুলি কয়। আজি শিশু গৃহৰ শিশুসকলৰ মাজত সামগ্ৰী বিতৰণো এই আঁচনিৰ এক অংশবিশেষ বুলি তেওঁ অভিহিত কৰে। কাৰ্যবাহী সঞ্চালকগৰাকীয়ে অনাথ শিশুসকলক মানৱ সম্পদৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত 'সূৰ্যোদয়'-এ লোৱা ভূমিকাক তেওঁ ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে মুখ্য মহাপ্ৰবন্ধক ধনজিৎ বৈশ্য, মুখ্য মহাপ্ৰবন্ধক (কাৰিকৰী) সূৰ্যদীপ দিহিঙ্গীয়া, শোধনাগাৰৰ বিষয়া তথা শ্ৰমিক সংস্থাৰ প্ৰবন্ধক জিন্তু শইকীয়া, মহাপ্ৰবন্ধক (মানৱ সম্পদ) সন্দীপ কেৰকেটা আদি বিষয়াসকল। ডিগবৈ শোধনাগাৰৰ দ্বীপেন কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানত উপস্থিত আটাইকে শিশু গৃহৰ হৈ সম্পাদক অখিল চন্দ্ৰ বৰুৱা, তৃষ্ণা বড়া, জিনামণি ফুকন আৰু গৰিমা দত্তই চেলেং আৰু অঙ্গবস্ত্ৰৰে আদৰণি জনায়।

পঞ্চায়ত কৰ্তৃপক্ষৰ বিৰুদ্ধে আবেদনকাৰীক আৰ টি আইৰ উত্তৰ প্ৰদান নকৰাৰ অভিযোগ

# ডুমডুমাৰ দৈমুখীয়া গাঁও পঞ্চায়ত কৰ্তৃপক্ষৰ অবিবেচক কাণ্ড

## জিলা আয়ুক্ত কাৰ্যালয়ে প্ৰেৰণ কৰা পত্ৰকো কেৰেপ নকৰে পঞ্চায়ত কৰ্তৃপক্ষই

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১২ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা ডুমডুমা খণ্ড উন্নয়ন কাৰ্যালয়ৰ অধীনস্থ দৈমুখীয়া গাওঁ পঞ্চায়ত কৰ্তৃপক্ষৰ কেতবোৰ নাভূত-নাশ্ৰুত কাণ্ডই সততে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি অহাৰ সময়তে শেহতীয়াকৈ পঞ্চায়ত কৰ্তৃপক্ষই তথ্য জনা অধিকাৰ আইন - ২০০৫ ৰ অধীনত আবেদনকাৰীক আবেদনৰ উত্তৰ প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, পঞ্চায়তৰ ভোটাৰ, সমাজসেৱক তথা আৰ টি আই কৰ্মী নিৰ্মল বড়াই দৈমুখীয়া গাঁও পঞ্চায়ত কাৰ্যালয়ে ৰূপায়ণ কৰা চৰকাৰী উন্নয়নমূলক কামৰ তথ্য বিচাৰি যোৱা বৰ্ষৰ ২১ আগষ্টত তিনিচুকীয়া জিলাৰ আয়ুক্ত কাৰ্যালয়ত আৰ টি আই যোগে আবেদন কৰিছিল। আবেদনকাৰীয়ে আবেদনৰ সৈতে ৫০এফ ৯৮৭৮৯৫ নম্বৰ ইণ্ডিয়ান প'ষ্টেল অৰ্ডাৰ গাঁঠি দি দৈমুখীয়া গাঁও পঞ্চায়ত এলেকাত আৱণ্টিত সৌৰশক্তি চালিত পোহৰ চাকি পৰিমাণসহ সৰ্বমুঠ পুঁজিৰ পৰিমাণ আৰু নিবিদাপ্ৰাপ্ত প্ৰতিষ্ঠানৰ নাম, পঞ্চায়ত এলেকাত ২০১৯-২৪ বৰ্ষৰ ভিতৰত সাংসদ পুঁজিৰে কি কি প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ল, পঞ্চায়ত কাৰ্যালয় মেৰামতিৰ বাবদ পুঁজি আৱণ্টনৰ বিতং তথ্য আৰু গাঁও পঞ্চায়তৰ এলেকাত ২০১৯-২৪ বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ হোৱা বাট-পথৰ লগতে নিৰ্মাণ কৰিবলগীয়া বাট-পথৰ নামসহ বিতং তথ্য বিচাৰি আৰ টি আই যোগে আবেদন জনোৱাত জিলা আয়ুক্ত কাৰ্যালয়ৰ সংশ্লিষ্ট কৰ্তৃপক্ষই ২৩ আগষ্টত জিলা পৰিষদ কাৰ্যালয়, খণ্ড উন্নয়ন কাৰ্যালয় আৰু দৈমুখীয়া পঞ্চায়ত কাৰ্যালয়লৈ উক্ত আৰ টি আই আবেদনখন প্ৰেৰণ কৰি প্ৰশ্নৰ আবেদনকাৰীক উত্তৰ প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে যদিও পঞ্চায়ত কৰ্তৃপক্ষই নিৰ্দিষ্ট সময়ত আবেদনকাৰীক ইয়াৰ উত্তৰ প্ৰদান নকৰিলে। পৰিণতিত আৰ টি আই কৰ্মী বড়াই চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত বিষয়টোৰ সন্দৰ্ভত জিলা আয়ুক্ত কাৰ্যালয়লৈ এখন পত্ৰ প্ৰেৰণ কৰে। পত্ৰখন পোৱাৰ মাত্ৰকেই জিলা আয়ুক্ত কাৰ্যালয় কৰ্তৃপক্ষই জিলা পৰিষদ কাৰ্যালয়, খণ্ড উন্নয়ন কাৰ্যালয় আৰু দৈমুখীয়া গাঁও পঞ্চায়ত কাৰ্যালয়লৈ উক্ত অভিযোগ পত্ৰখন প্ৰেৰণ কৰি শীঘ্ৰেই আবেদনকাৰীক আবেদনৰ উত্তৰ প্ৰদান কৰিবলৈ কোৱা বুলি আয়ুক্ত কাৰ্যালয়ে পূৰ্বে জাৰি কৰা পত্ৰখনৰ এটা কপি আবেদনকাৰীলৈ প্ৰেৰণ কৰে। পৰিতাপৰ কথা এয়ে যে, দৈমুখীয়া গাঁও পঞ্চায়ত কৰ্তৃপক্ষলৈ জিলা আয়ুক্ত কাৰ্যালয় তথা সংশ্লিষ্ট কৰ্তৃপক্ষই দুবাৰকৈ পত্ৰ প্ৰেৰণ কৰাৰ পাছতো পঞ্চায়ত কৰ্তৃপক্ষই আবেদনকাৰীক আজিপৰ্যন্ত আৰ টি আই আবেদনৰ উত্তৰ প্ৰদান নকৰা বিষয়টোৱে এক বিশেষ তাৎপৰ্য বহন কৰিছে। এক প্ৰকাৰ জুলুঙাৰ মেকুৰী ওলাই পৰাৰ ভয়তেই পঞ্চায়ত কৰ্তৃপক্ষই আজি ডেৰ বছৰে আৰ টি আইৰ আবেদনকাৰীক আবেদন উত্তৰ প্ৰদান কৰিবলৈ সাহস গোটাব পৰা নাই বুলি চৰ্চা চলিছে। এক কথাত, পঞ্চায়তখনৰ সচেতন ব্যক্তি তথা বিশিষ্ট আৰ টি আই কৰ্মী নিৰ্মল বড়াৰ উক্ত আৰ টি আই আবেদনত এতিয়া থৰকাছুটি হেৰুওৱাইছে পঞ্চায়ত কৰ্তৃপক্ষই। উল্লেখ্য যে, একপ্ৰকাৰ দুৰ্নীতিৰ ভূ-স্বৰ্গত পৰিণত হোৱা ডুমডুমাৰ দৈমুখীয়া গাঁও পঞ্চায়তৰ কেতবোৰ বিয়াগোম দুৰ্নীতি-অনিয়মৰ সন্দৰ্ভত আমাৰ কাকতত অলপতে একাধিক তথ্যসমৃদ্ধ বাতৰিও প্ৰকাশিত হৈছে। বিশেষকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা, জব কাৰ্ড, বাট-পথ আদি নিৰ্মাণৰ ক্ষেত্ৰত পঞ্চায়তখনত কেতবোৰ ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈ অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। মুঠৰ ওপৰত, দুৰ্নীতিৰ হটস্পটলৈ পৰ্যবসিত হোৱা দৈমুখীয়া গাঁও পঞ্চায়তক লৈ চৰকাৰ তথা উৰ্দ্ধতম কৰ্তৃপক্ষই কি স্থিতি গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। দৈমুখীয়া গাঁও পঞ্চায়ত কৰ্তৃপক্ষই তথ্য জনাৰ অধিকাৰ আইনক চূড়ান্ত ভেঙুচালি কৰা বিষয়টোক লৈ চাহনগৰী ডুমডুমাৰ সচেতন মহলে গৰিহণা দিছে।

## সম্পাদকীয়

# ২০২৬ চনৰ হজ ঃ নিষেধাজ্ঞাই উন্মোষিত কৰা পৱিত্ৰতা, প্ৰশ্নাৱলী

ছৌদি আৰৱৰ চৰকাৰে আগতীয়াকৈ জনোৱা ২০২৬ চনৰ হজৰ নিৰ্দেশাৱলীয়ে বিশ্বজুৰি আলোড়নৰ সৃষ্টি কৰিছে। বিশেষকৈ মক্কাৰ মছজিদুল-হাৰাম আৰু মদিনাৰ মছজিদুন-নবৱীৰ চৌহদত যিকোনো ধৰণৰ ফটোগ্ৰাফী আৰু ভিডিঅ'গ্ৰাফী সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা সিদ্ধান্তটোৱে বহু চৰ্চা আৰু আলোচনাৰ সূচনা কৰিছে। সামগ্ৰিকভাৱে হজৰ পৱিত্ৰতা ৰক্ষা, বিশাল জনসমাগম সুচাৰুৰূপে পৰিচালনা আৰু হাজীসকলৰ আধ্যাত্মিক একাগ্ৰতা অক্ষুণ্ণ ৰখাকে ইয়াৰ মুখ্য উদ্দেশ্য হিচাপে চৰকাৰে চিহ্নিত কৰিছে। কিন্তু এই নিষেধাজ্ঞাই সাধাৰণ হাজীৰ মনত নানান প্ৰশ্নৰ উদয় কৰিব পৰাৰ সম্ভাৱনাও উৰাই কৰা নাই। নিঃসন্দেহে, হজ ইছলামৰ পঞ্চস্তম্ভৰ ভিতৰত অন্যতম এটা আৰু ই এক গভীৰ আধ্যাত্মিক যাত্ৰা। ইয়াৰ প্ৰতিটো অনুষ্ঠান, প্ৰাৰ্থনা আৰু পদক্ষেপ এক বিশেষ তাৎপৰ্য বহন কৰে। ছৌদি চৰকাৰৰ যুক্তি হ'ল যে ম'বাইল ফোন বা কেমেৰাৰ দ্বাৰা ছবি-ভিডিঅ' তোলাৰ এই ধুমুহাই অনেক সময়ত এই পৱিত্ৰ মুহূৰ্তবোৰৰ প্ৰতি থকা মনোযোগ ভংগ কৰে, আচাৰ-অনুষ্ঠানত বাধাৰ সৃষ্টি কৰে। তদুপৰি, জনসাধাৰণৰ মাজত ছবি তোলাৰ বাবে হোৱা অস্থিৰতা আৰু ভিৰে পৰিস্থিতি কেতিয়াবা বিপদজনক ৰূপ ল'ব পাৰে। গতিকে, এই নিষেধাজ্ঞাক সমস্যাৰ এক যুক্তিসংগত সমাধান হিচাপে দেখিব পাৰি। ই হজৰ মূল লক্ষ্য— আল্লাহৰ সৈতে আত্মিক সম্পৰ্ক দৃঢ়কৰণ— তাৰ ওপৰত গুৰুত্ব দিবলৈ হাজীসকলক উৎসাহিত কৰিব। কিন্তু সাধাৰণ মানুহৰ মনত এই সিদ্ধান্তৰ বাবে কিছুমান প্ৰশ্নই ঠাই পাবই পাৰে। প্ৰথমতে, বৰ্তমানৰ ডিজিটেল যুগত যেতিয়া প্ৰতিটো মুহূৰ্তক ছবিৰ জৰিয়তে কেৱল স্মৃতি হিচাপে নহয়, দূৰৈৰ পৰিয়াল-বন্ধু-আত্মীয়ৰ সৈতে ভাগ বতৰা কৰাৰ এক অনন্য মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়, তেনেস্থলত এই সম্পূৰ্ণ নিষেধাজ্ঞাই বহুতে এক 'বিচ্ছিন্নতা'ৰ অনুভূতি জগাব নেকি? বহু হাজীয়ে নিজৰ পৱিত্ৰ যাত্ৰাৰ কিছু দৃশ্যপট পৰিয়ালৰ সদস্যসকলক দেখুৱাবলৈ আৰু তেওঁলোকক এই আধ্যাত্মিক সুখৰ অংশীদাৰ কৰিবলৈ ইচ্ছা কৰে। এই স্বাভাৱিক আকাংক্ষাটোৰ কি সমাধান? দ্বিতীয়তে, হজৰ জটিল ৰীতি-নীতি আৰু স্থানসমূহ নৱাগত হাজীসকলৰ বাবে অচিনাকি। অনেকেই ভিডিঅ'ৰ সহায়ত পূৰ্বতে এইবোৰ অৱস্থান আৰু পদ্ধতি চাই-শিকি যায়। তদুপৰি, কিছু হাজীয়ে পিছলৈ নিজৰ অভিজ্ঞতা পুনৰ চাবলৈ বা অনুপস্থিত সদস্যক শিকাবলৈ এই দৃশ্যক্ৰমৰ আশ্ৰয় লয়। নিষেধাজ্ঞাই এই সুবিধাবোৰ কাঢ়িয়াই নিব নেকি? তৃতীয়ত, এই নিষেধাজ্ঞা কিমানদূৰ ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰা সম্ভৱ হ'ব? প্ৰায় বিশ লাখ হাজীৰ এই বিশাল সমাবেশত প্ৰতিজন ব্যক্তিৰ ওপৰত চকু ৰখাটো এক ডাঙৰ প্ৰত্যাহ্বান। এই নিৰ্দেশনা মানি চলোৱাত অসুবিধা হ'লে কি কঠোৰ ব্যৱস্থা লোৱা হ'ব? ইয়াৰ বাস্তৱ ৰূপায়ণৰ ধৰণটোৱেও চিন্তাশীল লোকসকলক ভাবিবলৈ বাধ্য কৰাইছে। অৱশ্যে, ইয়াক এনেদৰেও চাব পাৰি যে, ছৌদি চৰকাৰে এই সিদ্ধান্তৰ জৰিয়তে হাজীসকলক এক ডিজিটেল নিৰাময় (ডিজিটেল ডিট')ৰ সুযোগকে দিছে। বাহ্যিক জগতৰ সৈতে সকলো সংযোগ কাটি আত্মিক চিন্তা-চৰ্চা আৰু ইবাদত-বন্দেগীত মনোনিৱেশ কৰিবলৈ এইটো এটা সোণালী সুযোগ। পৱিত্ৰ স্থানবোৰৰ গাম্ভীৰ্য্য ৰক্ষা হ'ব, ভিৰ-বতৰা কমিব, আৰু সামগ্ৰিকভাৱে হজৰ পৰিৱেশ শান্তিময় আৰু সুশৃংখল হোৱাটো নিশ্চিত হ'ব। শেষত, ছৌদি চৰকাৰৰ এই সিদ্ধান্তৰ পিছত যুক্তি আছে। ই হজৰ প্ৰাচীন আধ্যাত্মিক মূল্যবোধ আৰু আধুনিক যুগৰ চাহিদাৰ মাজত এক সমতা স্থাপনৰ প্ৰয়াস। কিন্তু ইয়াৰ সফলতা বহুপৰিমাণে নিৰ্ভৰ কৰিব সচেতনতা বৃদ্ধি, স্পষ্ট তথ্য প্ৰদান, বিকল্প উপায়ৰ সন্ধান (যেনে— চৰকাৰীভাৱে উলিয়াই দিয়া কিছু নিৰ্দিষ্ট ভিডিঅ' বা ফটোগ্ৰাফৰ অনুমতি) আৰু ন্যায়সঙ্গতভাৱে কাৰ্যকৰী কৰাৰ ওপৰত। হাজীসকলৰ উচিত হ'ব এই নিয়মক হজৰ পৱিত্ৰতা ৰক্ষাৰ এক সাধন হিচাপে গ্ৰহণ কৰি, আল্লাহৰ সৈতে সম্পৰ্ক স্থাপনৰ এই অনন্য সুযোগৰ পৰা পূৰ্ণ আধ্যাত্মিক লাভ কৰা। প্ৰয়োজন হ'লে ছৌদি কৰ্তৃপক্ষইও হাজীসকলৰ প্ৰাকৃতিক আকাংক্ষা আৰু বাস্তৱ প্ৰশ্নসমূহৰ প্ৰতি গুৰুত্ব দি, সময়ে সময়ে এই নীতিৰ পুনৰীক্ষণ কৰাটো যুক্তিসঙ্গত হ'ব। কাৰণ, হজৰ লক্ষ্য হ'ল হাজীৰ হৃদয়ত শান্তি স্থাপন কৰা— যিটো কেৱল বাহ্যিক নিয়ম-কানুনেৰে নহয়, অন্তৰৰ স্বতঃস্ফূৰ্ত সমৰ্পণেৰেহে সম্ভৱ।

◀◀ অসমত কংগ্ৰেছৰ বৰ্তমানৰ এই দুৰৱস্থা হঠাৎ হোৱা ঘটনা নহয়। ই দীৰ্ঘদিনীয়া অৱহেলা, বাস্তৱবৰ্জিত সিদ্ধান্ত আৰু জনসাধাৰণৰ নাড়ী স্পন্দন বুজি নোপোৱাৰ পৰিণতি। গণতন্ত্ৰত এক শক্তিশালী বিৰোধীৰ প্ৰয়োজনীয়তা অপৰিসীম। অসমৰ ৰাজনৈতিক ভাৰসাম্য ৰক্ষাৰ বাবে কংগ্ৰেছৰ পুনৰুত্থান জৰুৰী হ'ব পাৰে, কিন্তু তাৰ বাবে দলটোৱে কেৱল ওপৰৰ পৰা মলম লগালেই নহ'ব, বৰং শিপাৰ পৰা ৰোগ নিৰাময়ৰ ব্যৱস্থা কৰিব লাগিব। সাংগঠনিক পুনৰ্গঠন, স্পষ্ট আদৰ্শ, খিলঞ্জীয়াৰ স্বাৰ্থৰ সৈতে আপোচহীন স্থিতি আৰু জনসাধাৰণৰ বিশ্বাস পুনৰুদ্ধাৰ কৰিব পাৰিলেহে কংগ্ৰেছ দলে পুনৰ অসমৰ ৰাজনৈতিক পথাৰত নিজৰ হেৰুৱা স্থান ঘূৰাই পোৱাৰ আশা কৰিব পাৰে। ▶▶

# অসমত কংগ্ৰেছৰ দুৰ্দশা ঃ নেতৃত্বৰ শূন্যতা নে মিত্ৰতাৰ ভুল?

**চন্দক কুমাৰ নাথ**

ভাৰতীয় ৰাজনীতিৰ ইতিহাসত কংগ্ৰেছ দলৰ এক গৰিমাময় ঐতিহ্য আছে আৰু অসম এই ইতিহাসৰ এক অবিচ্ছেদ্য অংশ। স্বাধীনতা আন্দোলনৰ পৰা আৰম্ভ কৰি আধুনিক অসম নিৰ্মাণলৈকে, কংগ্ৰেছ দলৰ ভূমিকা অনস্বীকাৰ্য। বিশেষকৈ প্ৰয়াত তৰুণ গগৈৰ নেতৃত্বত একেৰাহে পোন্ধৰ বছৰ ধৰি অসমত কংগ্ৰেছৰ যি শক্তিশালী দুৰ্গ গঢ় লৈ উঠিছিল, সেয়া আছিল দলটোৰ সাংগঠনিক শক্তি আৰু জনপ্ৰিয়তাৰ এক জ্বলন্ত উদাহৰণ। কিন্তু বিগত প্ৰায় এটা দশকৰ খতিয়ানলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমৰ ৰাজনৈতিক মানচিত্ৰত কংগ্ৰেছৰ স্থিতি ক্ৰমান্বয়ে দুৰ্বল হৈ পৰিছে। একালৰ অজেয় কংগ্ৰেছ আজি অস্তিত্ব ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'বলগীয়া হোৱাটো নিশ্চয়কৈ এক গম্ভীৰ আলোচনাৰ বিষয়। সাম্প্ৰতিক সময়ত অসমত কংগ্ৰেছৰ এই ধাৰাবাহিক পতন বা ধ্বংসৰ আঁৰত কেৱল এটা কাৰণ নহয়, বৰং ইয়াৰ অন্তৰালত লুকাই আছে দীৰ্ঘদিনীয়া ৰাজনৈতিক ভুল সিদ্ধান্ত, নেতৃত্বৰ সংকট আৰু সলনি হোৱা সামাজিক সমীকৰণৰ এক জটিল সংমিশ্ৰণ।

কংগ্ৰেছৰ এই স্খলনৰ অন্যতম প্ৰধান আৰু তাৎক্ষণিক কাৰণ হিচাপে নেতৃত্বৰ সংকটক আঙুলিয়াই দিব পাৰি। তৰুণ গগৈৰ দৰে এগৰাকী অভিজ্ঞ আৰু সৰ্বজনগ্ৰাহ্য নেতাৰ দেহাৱসানৰ পিছত দলটোৱে এনে এগৰাকী মুখ বিচাৰি উলিওৱাত ব্যৰ্থ হ'ল, যিয়ে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম আৰু বিভিন্ন জাতি-জনগোষ্ঠীক একগোট কৰি ৰাখিব পাৰে। ৰাজনীতি হৈছে ধাৰণাৰ খেল, আৰু বৰ্তমান সময়ত ভোটাৰসকলে এক শক্তিশালী আৰু নিৰ্দিষ্ট নেতৃত্ব বিচাৰে। কংগ্ৰেছৰ বৰ্তমানৰ ৰাজ্যিক নেতৃত্বৰ মাজত থকা সমন্বয়হীনতা আৰু কেন্দ্ৰীয় নেতৃত্বৰ সৈতে থকা দূৰত্বই কৰ্মীসকলৰ মনোবল ভঙাত ইন্ধন যোগাইছে। ইয়াৰ বিপৰীতে শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টিয়ে অসমত এক অতি সুসংহত আৰু শক্তিশালী নেতৃত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে, যাৰ ফলত সাধাৰণ ভোটাৰৰ আস্থা ক্ৰমে কংগ্ৰেছৰ পৰা আঁতৰি গৈছে। নেতৃত্বৰ সমান্তৰালভাৱে কংগ্ৰেছৰ বাবে সবাতোকৈ ডাঙৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে ড° হিমন্ত বিশ্ব শৰ্মাৰ দল ত্যাগ আৰু পৰৱৰ্তী সময়ত বিজেপিৰ উত্থান। হিমন্ত বিশ্ব শৰ্মা কেৱল এজন নেতাই নাছিল, তেওঁ আছিল কংগ্ৰেছৰ সাংগঠনিক মেৰুদণ্ড আৰু নিৰ্বাচনী ৰণকৌশলৰ মূল চাবিকাঠি। তেওঁৰ দল ত্যাগে কংগ্ৰেছক কেৱল এজন দক্ষ নেতাৰ পৰাই বঞ্চিত কৰা নাছিল, বৰং দলটোৰ তৃণমূল পৰ্যায়ৰ সাংগঠনিক গাঁথনিটোকেই দুৰ্বল কৰি পেলাইছিল। তেওঁৰ সৈতে যোৱা বিশাল বিধায়ক বাহিনী আৰু সমৰ্থকৰ লগে লগে কংগ্ৰেছৰ গোপন ৰাজনৈতিক কৌশলো বিপক্ষৰ হাতলৈ গুচি গৈছিল। ইয়াৰ ফলস্বৰূপে, কংগ্ৰেছ দলে বিজেপিক প্ৰতিহত কৰিবলৈ যি কৌশল ৰচনা কৰিবলগীয়া আছিল, তাত তেওঁলোক বাৰে বাৰে ব্যৰ্থ হৈছে। কংগ্ৰেছৰ পতনৰ আন এক গুৰুত্বপূৰ্ণ কাৰণ হ'ল মিত্ৰতাৰ ৰাজনীতিত লোৱা কিছুমান আত্মঘাতী সিদ্ধান্ত। বিশেষকৈ ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এআইইউডিএফৰ (AIUDF) সৈতে গঠন কৰা 'মহাজোঁট' কংগ্ৰেছৰ বাবে হিতে বিপৰীত হৈ পৰিল। এই মিত্ৰতাই উজনি অসমৰ খিলঞ্জীয়া হিন্দু ভোটাৰসকলক কংগ্ৰেছৰ পৰা



আৱেগিকভাৱে বহু দূৰলৈ ঠেলি দিলে। বিজেপিয়ে এই মিত্ৰতাক লৈ কৰা প্ৰচাৰ আৰু মেৰুকৰণৰ ৰাজনীতিত কংগ্ৰেছ ধৰাশায়ী হ'ল। কংগ্ৰেছ দলে ধৰ্মনিৰপেক্ষতাৰ কথা কলেও, অসমৰ জনগাঁথনিগত পৰিৱৰ্তনৰ প্ৰতি থকা খিলঞ্জীয়া মানুহৰ শংকাক তেওঁলোকে সঠিকভাৱে অনুধাৱন কৰিব নোৱাৰিলে বা তাক সম্বোধন কৰাত ব্যৰ্থ হ'ল। ফলস্বৰূপে, একালত কংগ্ৰেছৰ দুৰ্গ বুলি খ্যাত উজনি অসমত দলটোৰ ভেটি খহিবলৈ আৰম্ভ কৰিলে।

তদুপৰি, তৃণমূল পৰ্যায়ত সাংগঠনিক দুৰ্বলতা কংগ্ৰেছৰ বাবে এক ডাঙৰ সমস্যা। যি সময়ত বিজেপিয়ে 'পৃষ্ঠা প্ৰমুখ'ৰ দৰে ব্যৱস্থাৰে প্ৰতিটো পৰিয়ালৰ লগত পোনপটীয়া সম্পৰ্ক স্থাপন কৰিছে, সেই সময়ত কংগ্ৰেছৰ ব্লক বা জিলা পৰ্যায়ৰ সমিতিবোৰ কেৱল নামতহে জীয়াই থকা যেন পৰিলক্ষিত হৈছে। কংগ্ৰেছৰ সেৱা দল, মহিলা কংগ্ৰেছ বা যুৱ কংগ্ৰেছৰ কাৰ্যপ্ৰণালী পূৰ্বৰ দৰে সক্ৰিয় নহয়। বেছিভাগ নেতা গুৱাহাটীকেন্দ্ৰিক বা 'ড্ৰয়িংৰুম পলিটিক্স'ত ব্যস্ত থকাৰ অভিযোগ সঘনাই উত্থাপন হয়। ৰাইজৰ দুখ-দৰদৰ সৈতে সংপৃক্ত হৈ আন্দোলন গঢ়ি তোলাৰ পৰিৱৰ্তে কেৱল ছ'চিয়েল মিডিয়াত চৰকাৰক সমালোচনা কৰাতেই কংগ্ৰেছৰ কাৰ্যসূচী সীমাবদ্ধ হৈ পৰিছে। জনসাধাৰণে বিৰোধী দল হিচাপে কংগ্ৰেছৰ পৰা যি গঠনমূলক ভূমিকা আশা কৰে, সেয়া বহুক্ষেত্ৰত পূৰণ হোৱা নাই। ৰাজনৈতিক দৰ্শন আৰু নৱপ্ৰজন্মৰ সৈতে সংযোগ স্থাপনৰ ক্ষেত্ৰতো কংগ্ৰেছ পিছ পৰি আছে। আজিৰ অসমৰ নৱপ্ৰজন্মই বিকাশ, কৰ্মসংস্থাপন আৰু আধুনিক সা-সুবিধা বিচাৰে। বিজেপিয়ে বিভিন্ন হিতাধিকাৰী আঁচনি (যেনে- অৰুণোদয়), দলং, ৰাস্তা-ঘাট নিৰ্মাণ আৰু আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে এক দৃশ্যমান উন্নয়নৰ ধাৰা সৃষ্টি কৰিছে। কংগ্ৰেছ দলে চৰকাৰৰ বিফলতাবোৰ আঙুলিয়াই দিলেও, তেওঁলোকৰ বিকল্প উন্নয়নৰ মডেল কি হ'ব, সেয়া ৰাইজৰ আগত স্পষ্টকৈ দাঙি ধৰিব পৰা নাই। পুৰণি ঐতিহ্য আৰু স্বাধীনতা আন্দোলনৰ কথা কৈ বৰ্তমানৰ উচ্চাকাংক্ষী ভোটাৰক আকৰ্ষিত কৰা কঠিন। তদুপৰি, 'কা' (CAA) বিৰোধী আন্দোলনৰ সময়ত কংগ্ৰেছৰ স্থিতি শক্তিশালী আছিল যদিও, পৰৱৰ্তী সময়ত সেই আৱেগক ভোটলৈ ৰূপান্তৰ কৰাত তেওঁলোক বিফল হ'ল।

অভ্যন্তৰীন কন্দল আৰু অনুশাসনহীনতাও কংগ্ৰেছৰ ধ্বংসৰ আন এক কাৰক। টিকট বিতৰণক লৈ অসন্তুষ্টি, জ্যেষ্ঠ নেতাসকলৰ মাজত বাক-বিতণ্ডা আৰু দল বিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণত শিথিলতাই দলৰ ভাৱমূৰ্তি ম্লান কৰিছে। যেতিয়া এজন সাধাৰণ ভোটাৰে দেখে যে দলৰ নেতাসকলৰ মাজতেই একতা নাই, তেতিয়া তেওঁলোকে সেই দলৰ ওপৰত আস্থা হেৰুৱাই পেলায়। বহু সময়ত দেখা গৈছে যে কংগ্ৰেছৰ ভাল ভাল নেতাসকলে ভৱিষ্যত সুৰক্ষিত নহয় বুলি ভাবি শাসকীয় দললৈ ঢাপলি মেলিছে। এই 'অপাৰেচন লোটাস' বা দলবগৰা ৰাজনীতি ৰোধ কৰিবলৈ কংগ্ৰেছৰ কেন্দ্ৰীয় বা ৰাজ্যিক নেতৃত্বৰ হাতত কোনো সুদৃঢ় পৰিকল্পনা নাই।

সামৰণিত ক'ব পাৰি যে, অসমত কংগ্ৰেছৰ বৰ্তমানৰ এই দুৰৱস্থা হঠাৎ হোৱা ঘটনা নহয়। ই দীৰ্ঘদিনীয়া অৱহেলা, বাস্তৱবৰ্জিত সিদ্ধান্ত আৰু জনসাধাৰণৰ নাড়ী স্পন্দন বুজি নোপোৱাৰ পৰিণতি। গণতন্ত্ৰত এক শক্তিশালী বিৰোধীৰ প্ৰয়োজনীয়তা অপৰিসীম। অসমৰ ৰাজনৈতিক ভাৰসাম্য ৰক্ষাৰ বাবে কংগ্ৰেছৰ পুনৰুত্থান জৰুৰী হ'ব পাৰে, কিন্তু তাৰ বাবে দলটোৱে কেৱল ওপৰৰ পৰা মলম লগালেই নহ'ব, বৰং শিপাৰ পৰা ৰোগ নিৰাময়ৰ ব্যৱস্থা কৰিব লাগিব। সাংগঠনিক পুনৰ্গঠন, স্পষ্ট আদৰ্শ, খিলঞ্জীয়াৰ স্বাৰ্থৰ সৈতে আপোচহীন স্থিতি আৰু জনসাধাৰণৰ বিশ্বাস পুনৰুদ্ধাৰ কৰিব পাৰিলেহে কংগ্ৰেছ দলে পুনৰ অসমৰ ৰাজনৈতিক পথাৰত নিজৰ হেৰুৱা স্থান ঘূৰাই পোৱাৰ আশা কৰিব পাৰে। অন্যথা, ইতিহাসৰ পাতত কেৱল এটা স্মৃতি হৈ ৰোৱাৰ দিশেই দলটো আগুৱাই যাব।

### এক সামাজিক সমস্যাৰ আলোকপাত


# বনভোজৰ পৰিৱেশত উচ্ছৃংখলতা

**শংকৰ দেৱ**

সময়ৰ সৈতে সংগতি ৰাখি আমাৰ সমাজত বনভোজ খোৱাৰ এটি প্ৰথা সুদুৰ অতীতৰ পৰাই বৰ্তি আছে। বিশেষকৈ ইংৰাজী বৰ্ষৰ শেষৰ ডিচেম্বৰ মাহ আৰু নৱবৰ্ষৰ জানুৱাৰী মাহত প্ৰকৃতিৰ সুন্দৰ স্থান বিশেষে বিভিন্ন ঠাই বনভোজৰ দলেৰে উপচি পৰে। বনভোজ হৈছে মানুহৰ এক আনন্দ ভৰা আৰু মিলাপ্ৰীতিৰ এক মনোৰম উপশমৰ মাধ্যম। পৰিয়ালৰ প্ৰতি গৰাকী সদস্য-সদস্যা, বিদ্যালয়ৰ সমনিয়া সকলে একগোট হৈ বা সামাজিক গোটৰ সদস্যৰ লগত সমন্ব ৰাখি প্ৰকৃতিৰ কোলাত প্ৰকৃতিৰ সৈতে সময় কটোৱাটো এক বিশেষ আমোদ। বনভোজ হৈছে জীৱনৰ দৈনন্দিন ভাগৰ দূৰ কৰাৰ এক সুকীয়া মাধ্যম, কিন্তু বহু সময়ত এই আনন্দ আৰু সুন্দৰ পৰিৱেশৰ মাজতে উদ্ভৱ হোৱা উচ্ছৃংখলতাৰ কাৰণে বনভোজৰ আনন্দময় পৰিৱেশ বিনষ্ট হয় আৰু সমাজ তথা পৰিৱেশৰ ওপৰত অপ্ৰত্যাশিত প্ৰভাৱ পৰে। এই আনন্দৰ উচ্ছাসত আমি বহুতেই হয়তো জ্ঞাতে বা অজ্ঞাতে এই কথা পাহৰি যাওঁ আৰু এই বিশেষ দিনত কিছুমান দিশত দায়িত্বজ্ঞানহীনতাৰ পৰিচয় দিওঁ। বনভোজৰ আনন্দ উচ্ছাসৰ মাজেৰে নতুন বছৰটোক আদৰণি জনোৱাৰ পিছত এই দিনটো আমাৰ বাবে এক স্মৃতিৰে ভৰা সোঁৱৰণি পূৰ্ণ দিন হৈ পৰে, কিন্তু আমাৰ দায়িত্বজ্ঞানহীনতাৰ বাবে বহু অঘটন ঘটি ইয়াৰ বেয়া ফল বহুদিনলৈ, কেতিয়াবা আনকি বহু অনিষ্টময় হৈ বছৰ বছৰ ধৰি বৈ যায়। এই আনন্দৰ সময়ত কেতিয়াবা সৃষ্টি হোৱা উচ্ছৃংখল পৰিস্থিতিয়ে বনভোজৰ সুন্দৰ পৰিৱেশক বিপথে পৰিচালিত কৰা দেখা পোৱা যায়।

উদাহৰণস্বৰূপে বনভোজৰ সময়ত খোৱা-বস্তু ৰন্ধা বঢ়া কৰোঁতে আমি বহুতেই পেলনীয়া সামগ্ৰী বিশেষকৈ বটল, প্লাষ্টিকৰ বেগ আদি সেই ঠাইতেই পেলাই থৈ আহোঁ। এনেদৰে সিঁচৰিত কৰি এৰি অহা জাবৰ-জোঁথৰবোৰে ঠাইখনৰ সৌন্দৰ্য্য আৰু শুদ্ধতা শেষ কৰি পেলায়। পিছত অহা অন্য এটা দলে সেই বিশেষ ঠাইখিনি লেতেৰা দেখি দিগ্ধাবোধ অনুভৱ কৰি ওচৰৰে অন্য এক ঠাইত বনভোজৰ বাবে আগবাঢ়ি যোৱা পৰিলক্ষিত হয়। এনেদৰে প্ৰকৃতিৰ যিবোৰ স্থানৰ নৈসৰ্গিক শোভাৰ বাবে আমি বনভোজ খাবলৈ যাওঁ, যদি পৰিৱেশ ক্ৰমে এৰি অহাৰ পৰত সেই ঠাইবোৰ আনৰ বাবে বৰ্জনীয় হৈ পৰেগৈ, তেন্তে এইটো আমৰ বাবে এটি বৰ দুখদায়ক পৰিস্থিতিৰ কথা বুলি ক'ব লাগিব। লগতে পৰিৱেশৰ শুদ্ধতা আৰু সৌন্দৰ্য ধ্বংস কৰি দিয়াৰ কথাটো উচিত বুলি নাভাবো। আমি সেই ঠাইবোৰৰ জীৱ-জন্তু আৰু প্ৰাকৃতিক পৰিৱেশৰ ক্ষেত্ৰত কৰা ক্ষতিয়ে ভৱিষ্যতে পৰিৱেশৰ আৰু জীৱ-জন্তুৰ অকল্পনীয় ক্ষতি সাধন কৰিব।

বনভোজ স্থানত এই বিভিন্ন উচ্ছৃংখলতাৰ কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা পোৱা যায় যে



১) দলগত সু-শৃংখলাৰ অভাৱ ঃ

এক দলগত ভাবে যোৱা বনভোজৰ দ'লত সদায় দলগত সু-শৃংখলা ৰখাটো অতি প্ৰয়োজন। কিন্তু বহু সময়ত বনভোজকাৰীৰ মাজত সঠিক শুদ্ধ নেতৃত্বৰ অভাৱৰ ফলত সঠিক ব্যৱস্থা লোৱা দেখা পোৱা নাযায়। দলগত সুন্দৰ ভাৱৰ কথা এৰি ব্যক্তিগত ইচ্ছা পূৰণ, কিছুমান কু-অভ্যাস আদিৰ বাবে কেতিয়াবা উচ্ছৃংখল পৰিস্থিতিৰ সৃষ্টি হয়। ফলত আন দল বা পৰিয়ালৰ আনন্দ ক্ষুণ্ণ হয়। উচ্চশব্দ, অপৰিষ্কাৰ মূলক ব্যৱস্থা আৰু অপ্ৰত্যাশিত ঘটনা আদি পৰিস্থিতিয়ে শুদ্ধ সুন্দৰ পৰিৱেশ অধিক সংকটময় কৰি তোলা দেখা যায়।

২) অতিমাত্ৰা শব্দৰ সংযোজনেৰে সংগীত পৰিৱেশন ঃ

আজিৰ আধুনিক পৰিৱেশত সচৰাচৰ ভাৱে দেখা পোৱা অধিক জোৰে সঙ্গীত বজোৱা অথবা হৈ-চৈ কৰা কাৰ্য্য অন্য গোট বা স্থানীয় লোকসকলৰ অসুবিধাৰ কাৰণ হৈ পৰে। ইমানেই নহয়, ই প্ৰাকৃতিক পৰিৱেশতো ব্যাঘাত সৃষ্টি কৰা দেখা যায়। শব্দ প্ৰদূষণৰ সৃষ্টি কৰা দেখা পোৱা যায়।

৩) নিচাজাতীয় দ্ৰব্যৰ প্ৰভাৱ ঃ

কিছুমান ব্যক্তিয়ে বনভোজৰ আনন্দক নিচাজাতীয় দ্ৰব্যৰ সৈতে সংযুক্ত কৰি উপভোগ কৰিবলৈ বিচাৰে। ইয়াৰ ফলত তেওঁলোকৰ চৰিত্ৰ আৰু শুদ্ধ ব্যৱহাৰ লৈ ৰূঢ়তা আহে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হৈ যায়। কেতিয়াবা এনেকুৱা পৰিস্থিতিয়ে হিংসাৰ সৃষ্টিও কৰা পৰিলক্ষিত হয়। বহু সময়ত এই নিচাজাতীয় দ্ৰব্যৰ ব্যৱহাৰৰ বাবে বনভোজৰ দ'ল দুৰ্ঘটনাত পতিত হোৱা দেখা পোৱা যায়।

৪) পৰিৱেশৰ সৌন্দৰ্য বৰ্তি ৰখাৰ জ্ঞান নথকা ঃ

বনভোজৰ সময়ত খাদ্যৰ অৱশিষ্ট আৰু প্লাষ্টিক জাতীয় সামগ্ৰী আদি পেলাই পৰিৱেশৰ সৌন্দৰ্য ধ্বংস কৰাটো এক গুৰুত্বপূৰ্ণ সমস্যা। কেতিয়াবা কোনো লোকে উঠি অহা গছ আদি কাটি পেলোৱা কাৰ্য্যৰো পৰিলক্ষিত হয়। বনভোজৰ স্থানত বনাঞ্চলৰ ক্ষতি বা সৌন্দৰ্য হ্ৰাস কৰাৰ লগতে পৰিৱেশৰ ওপৰত প্ৰত্যক্ষভাৱে বহু হানি কৰে। এনেধৰণৰ কাৰ্য্যকো উচ্ছৃংখল বুলিব পাৰি।

৫) ধৰ্মীয় বা সামাজিক অনুষ্ঠানৰ স্থলীত সাৱধানতাঃ

সাধাৰণতে কোনো সামাজিক অনুষ্ঠান বা ধৰ্মীয় পৰিৱেশত বনভোজৰ স্থান নিৰ্বাচিত কৰিলে বহু সাৱধানতা অৱলম্বন কৰিব লাগে। এনে পৰিচিত স্থানসমূহত অধিক সংখ্যক লোক নিয়ম শৃংখলাৰে সমাগম নোহোৱাৰ ফলত পৰিস্থিতি অধিক বিশৃংখল হৈ পৰাৰ সম্ভাৱনা থাকে। বহু সময়ত, এনে পৰিস্থিতিয়ে স্থানীয় সম্প্ৰদায়ৰ মাজত মনোমালিন্যৰ সৃষ্টি কৰে।

**শেষান্তৰৰ একলম ঃ**

আজিৰ সময় থাকোঁতেই সচেতন মহলে এই উচ্ছৃংখলতাৰ বিৰুদ্ধে সঠিক পদক্ষেপ নললে অদূৰ ভৱিষ্যতে প্ৰীতি ভৰা বনভোজ অপসংস্কৃতিৰ কাৰণ হৈ পৰিব পাৰে। সাধাৰণ লোকসকলে বনভোজ আনন্দৰ পৰিৱৰ্তে দুশ্চিন্তাৰ কাৰণ বুলি ভাবিবলৈ আৰম্ভ কৰিব লগীয়া হ'ব। প্ৰকৃতিৰ পৰিষ্কাৰ-পৰিচ্ছন্ন বনভোজ স্থানসমূহ উচ্ছৃংখলাৰ বাবে অপৰিষ্কাৰ হৈ পৰিব। ভৱিষ্যতলৈ উদ্ভিদ, জীৱ-জন্তু আৰু সুন্দৰ পৰিৱেশৰ ওপৰত অত্যন্ত বেয়া আৰু ক্ষতিগ্ৰস্ত প্ৰভাৱ পৰিব।

বিশেষকৈ দলগত ভাৱে অহা বনভোজৰ কাৰ্যসূচীত সিকলে নেতৃত্ব বহন কৰে তেওঁলোকৰ ভূমিকা অতিমূল্য। দায়িত্বশীল নেতৃত্বৰে দলটোক সুসংগঠিত কৰি শৃঙ্খলা অৱলম্বন কৰিবলৈ সক্ষম কৰি তুলিব লাগে। পৰিৱেশৰ প্ৰতি সন্মান দেখুৱাই আৰু আনসকলৰ অধিকাৰ সুৰক্ষিত কৰি বনভোজৰ উদ্দেশ্য সুখময় আৰু সফল কৰাৰ দায়িত্ব বহন কৰি চলিব লাগে। বনভোজ এক সামাজিক প্ৰক্ৰিয়া ৰূপে গঢ় দিব লাগে, যিয়ে পৰিৱেশ আৰু সমাজৰ এক উন্নত দৃষ্টান্ত ৰূপে স্থাপন কৰিব।

বনভোজৰ সময়ত পৰিৱেশ সংৰক্ষণ, শব্দ নিয়ন্ত্ৰণ, আৰু শৃংখলাৰ প্ৰয়োজনীয়তাৰ বিষয়ে লোকসকলক সজাগ কৰি তুলিব লাগে। এই উদ্দেশ্য আগত ৰাখি স্থানীয় সংগঠন বা প্ৰশাসনে জনচেতনা বৃদ্ধিৰ কাৰ্যসূচীৰ আয়োজন কৰিব লাগে।

স্থানীয় বনাঞ্চল বা বনভোজৰ স্থানত প্ৰশাসনে কঠোৰ নিয়ম-নীতি প্ৰয়োগ কৰিব লাগে। যাতে আবৰ্জনা নিষ্কাষণৰ সু-ব্যৱস্থা স্থাপন কৰা হয়। বনভোজৰ অন্তত সকলোৱে দায়িত্ব যে উক্ত স্থলীত জাবৰ-জোঁথৰ সম্পূৰ্ণ পৰিষ্কাৰ কৰি যাব লাগে। পচনশীল আৰু অপচনশীল সামগ্ৰীৰ পৃথক্কৰণ নিশ্চিত কৰি ল'ব লাগে যাতে পৰিৱেশৰ অনিষ্ট নহয়।

# আলহী চৰাইৰ আগমনত

**নিবেদিতা হাজৰিকা**

পখীৰ পৰিভ্ৰমণ পৃথিৱীৰ আটাইতকৈ আশ্চৰ্যকৰ ঘটনা সমূহৰ ভিতৰত অন্যতম। ঋতু পৰিৱৰ্তনৰ বাবে বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন ঠাইৰ পৰা অনুকূল পৰিৱেশৰ সন্ধানত অনেক চৰাই, অনেক ঠাইৰ আলহী হয়। বছৰৰ সকলো সময়তে পৰিভ্ৰমী চৰাই দেখিবলৈ পোৱা যায় যদিও শীত আৰু বসন্ত ঋতুৰ আগমনত পৰিভ্ৰমী চৰাইৰ আগমন বেছিকৈ ঘটে। পৰিভ্ৰমী চৰাইৰ আগমনে বিল, জলাশয় সমূহ জীৱন্ত কৰি তোলাৰ লগতে পৰ্যটকৰ বাবেও আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰে। পৰিভ্ৰমী চৰাই মানে কেৱল ঠাই সলাই ঘূৰি ফুৰা চৰাই নহয় বা কেৱল অতিথি নহয়, বৰঞ্চ প্ৰকৃতিৰ ই এক ডাঙৰ উপহাৰ স্বৰূপ। আমাৰ চাৰিওফালৰ পৰিৱেশ মনোমোহা আৰু জীৱন্ত কৰি তোলাত পৰিভ্ৰমী চৰাই অদ্বিতীয়। হাজাৰ মাইল দূৰ অতিক্ৰম কৰি অহা এই আলহী চৰাইবোৰৰ আগমনত তথা কলকাকলিত যি এক মনোমোহা আৰু দৃষ্টি নন্দন পৰিৱেশৰ সৃষ্টি কৰে সেই দৃশ্যই মন শাত পেলাই অনাবিল আনন্দ প্ৰদান কৰে। প্ৰকৃতিৰ সান্নিধ্যত লাভ কৰা এনে তৃপ্তি শব্দৰে প্ৰকাশ কৰিব নোৱাৰি।

পৰিৱেশ নিয়ন্ত্ৰক, সঞ্চালকৰ ভূমিকা পালন কৰা পৰিভ্ৰমী চৰাইবোৰ আমাৰ পৰিৱেশৰ অতিকৈ শ্ৰেষ্ঠ সূচক। পৰিৱেশতন্ত্ৰলৈ পক্ষীৰ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি আমি সকলোৱে পৰিভ্ৰমী চৰাইৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাটো বা তেনে পদক্ষেপ গ্ৰহণ কৰাটো প্ৰকৃতিৰ উপৰি সমগ্ৰ জীৱকূলৰ বাবেই ই এক অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। কিয়নো, পূৰ্বৰ তুলনাত অসম তথা পূৰ্বাঞ্চলৰ শীত-বসন্তৰ অতিথি চৰাইৰ আগমন তুলনামূলক ভাবে যথেষ্ট কম হোৱাৰ কথা বিভিন্ন তথ্যত উন্মোচিত হৈছে। ই এক উদ্বেগ আৰু চিন্তাৰ বিষয়। পক্ষীবিদ আৰু প্ৰকৃতি সংৰক্ষক সকলক ই চিন্তিত কৰি তুলিছে। কিয়নো, পৰিভ্ৰমী চৰাইৰ আগমন যিদৰে আনন্দৰ বিষয়, এই সমূহৰ আগমন হ্ৰাস হোৱাটো উদ্বেগৰ বিষয়। দ্ৰুত হাৰত বনাঞ্চল হ্ৰাস, প্ৰাকৃতিক ভাৰসাম্য নৰখাকৈ কল-কাৰাখানা নিৰ্মাণ কৰা, বৃহৎ উদ্যোগ, অট্টালিকা আদি স্থাপনৰ ফলত জীৱকূল, পক্ষীকূলৰ প্ৰতি ভাবুকি নামি আহিছে। উল্লেখ্য যে, পৰিভ্ৰমী চৰাইবোৰে আমাক প্ৰকৃতিৰ সৈতে মিলি থকা, পৰিৱেশ ৰক্ষা কৰা তথা জীৱ কূলৰ বাবে সুৰক্ষিত স্থান নিশ্চিত কৰাৰ এক গুৰুত্বপূৰ্ণ বাৰ্তা দিয়ে। প্ৰকৃতিৰ ভাৰসাম্যতা বজাই ৰখাত উল্লেখযোগ্য ভূমিকা পালন কৰা এই পৰিভ্ৰমী চৰাই সমূহৰ আগমন এক ডাঙৰ সূচক। এই সমূহৰ চৰাইৰ উপস্থিতি বা অনুপস্থিতি এটা অঞ্চলৰ পৰিৱেশতন্ত্ৰৰ আধাৰ বা মূল বুলি ক'ব পাৰি। ঠিক সেইদৰে পৰিভ্ৰমী চৰাই সমূহে বিভিন্ন দেশৰ মাজত এক প্ৰাকৃতিক সংযোগ স্থাপনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে, যিটো এক আন্তৰ্জাতিক পৰিৱেশ ব্যৱস্থাৰো প্ৰতীক। ঋতু পৰিৱৰ্তনৰ বাবে, খাদ্যৰ সন্ধানত, অনুকূল বতৰ বা পৰিৱেশৰ সন্ধানত আগমন ধৰা পৰিভ্ৰমী চৰাই সমূহৰ আগমনত বাধা হৈ পৰা কাৰক সমূহ চিনাক্ত কৰি সেই সমস্যা সমূহ দূৰ কৰি পৰিভ্ৰমী চৰাইৰ আগমন সুচল কৰি তুলিবলৈ আমি সকলো যত্নপৰ হ'ব লাগিব। কিয়নো, পৰিভ্ৰমী চৰাইৰ আগমনে আমাৰ বাবে বহু বাৰ্তা কঢ়িয়াই অনাৰ লগতে আমাক কৃতাৰ্থ কৰি থৈ যায়। পৰিভ্ৰমী চৰাইৰ আগমন হ্ৰাস পালে বা বিভিন্ন ঋতুত এই আলহী চৰাই সমূহৰ আগমন নঘটিলে অদূৰ ভৱিষ্যতে প্ৰকৃতিৰ ওপৰত ইয়াৰ বেয়া প্ৰভাৱ পৰাটোৱে স্বাভাৱিক। সেয়ে, প্ৰতি বছৰে প্ৰকৃতিৰ সৌষ্ঠৱ বৃদ্ধি কৰা পৰিভ্ৰমী চৰাই আগমনৰ বাটটো যাতে কোনো কাৰণতে ৰুদ্ধ নহয় তাৰ বাবে সকলো সচেতন হোৱাটো খুবেই প্ৰয়োজনীয় এটি বিষয় হৈ পৰিছে।

### গোমৰাগ নৃত্য প্ৰদৰ্শন; চন্দ্ৰ সূৰ্যক পূজা কৰি লাইখুঁটা স্থাপন কৰিলে মিগম বৰাই

# নামনি মাজুলীৰ চিৰামপুৰীয়াত উৎসৱমুখৰ পৰিৱেশত পঃৰাগ উৎসৱৰ লাইখুঁটা স্থাপন



**অসম বাৰ্তা, উজনী মাজুলী, ১২ ডিচেম্বৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ চিৰামপুৰীয়াত ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ পঃৰাগ অথাৎ নৰাছিগা বিহু উৎসৱৰ লাইখুঁটা আজি স্থাপন কৰা হয়। চিৰামপুৰীয়াত দ্বিতীয় বৰ্ষৰ বাবে আয়োজন কৰা উক্ত পঃৰাগ উৎসৱৰ আজি মূল মণ্ডপৰ লাইখুঁটা "মিগম বৰা" জনতা দলেৰ নেতৃত্বত স্থাপন কৰা হয়। আজি পুৱা চিৰামপুৰীয়া গাঁৱৰ মধ্য অংশত থকা মুৰংঘৰৰ প্ৰাংগনত গাঁৱৰ কেইবা শতাধিক ৰাইজে একত্ৰিত হৈ গোমৰাগ নৃত্য প্ৰদৰ্শন কৰে। চিৰামপুৰীয়া গাঁৱৰ জ্যেষ্ঠ ব্যক্তিসকলে প্ৰধানকৈ লক্ষ্য নাথ দলে, মনাই পেগু, তীলক দলে, পাপাই পেগু, বিপিন পেগু, বিনন্দ দলে, পদ্মনাথ দলে, উমাকান্ত দলে, নমলীয়া দলে, ৰবীন মিচং, আদিৰাম পেগু, মুখাৰ্জী দলে, জেতুৰাম দলে, টংক চেত্ৰী, ভীমৰাজ দলে, কিৰণ পেগু, কুলাছিন পেগু আদিৰ নেতৃত্বত ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি প্ৰথমে মিচিং জনগোষ্ঠীৰ পৰম্পৰাৰে সূৰ্য-চন্দ্ৰক পূজা কৰি চাকি বন্তি জ্বলাই পঃৰাগ উৎসৱৰ লাইখুঁটা স্থাপন কৰা হ'য়। লাইখুঁটা স্থাপন অনুষ্ঠানত পঃৰাগ উৎসৱৰ সফলতা কামনাৰে চন্দ্ৰ সূৰ্যক প্ৰাৰ্থনা কৰা হয়। তাৰপিছত মিচিং জনগোষ্ঠীৰ পৰম্পৰা ৰক্ষা কৰি লাইখুঁটাত আপং ঢালি, বিপুল হৰ্ষোল্লাস আৰু মংগল ধ্বনিৰ মাজত লাইখুঁটা স্থাপন কৰা হয়। তাৰপিছত গাঁৱৰ জীয়ৰী বোৱাৰী, পুৰুষ মহিলা সকলো, কিশোৰ কিশোৰী সকলো একত্ৰিত হৈ দীৰ্ঘ সময় ধৰি গোমৰাগ নৃত্য প্ৰদৰ্শন কৰে। বহু শতাধিক ৰাইজে অংশগ্ৰহণ কৰা উক্ত গোমৰাগ নৃত্য, ঐনিঃতমৰ সুৰ, ঢোল-তালৰ শব্দত সমগ্ৰ অঞ্চলটো মুখৰিত হৈ পৰে। অহা ২০২৬ চনৰ ১১ মাৰ্চৰ পৰা ১৫ মাৰ্চলৈ চিৰামপুৰীয়াত উক্ত পঃ ৰাগ উৎসৱ অনুষ্ঠিত হ'ব। সেয়ে, উৎসৱৰ বাবে ইতিমধ্যে এখন বৃহৎ উদ্যাপন সমিতি গঠন কৰাৰ লগতে বহুতো উপ সমিতি গঠন কৰা হৈছে। উক্ত, উদ্যাপন সমিতিৰ সভাপতি লক্ষ্যনাথ দলে আৰু সম্পাদক লক্ষ্মীকান্ত দলেয়ে উক্ত পঃৰাগ উৎসৱত অসমৰ সকলো প্ৰান্তৰ ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি কামনা কৰিছে।

### প্ৰদৰ্শন হ'ব কোচ-ৰাজবংশী জনগোষ্ঠীয় একাধিক কৃষ্টি-সংস্কৃতি

# তিনিদিনীয়াকৈ অবিভক্ত দৰং জিলা কোচ-ৰাজবংশী সন্মিলনীৰ শতবৰ্ষ উদ্‌যাপন

**অসম বাৰ্তা, দেওমৰনৈ, ১২ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ কমলা কুঁৱৰী খ্যাত ঐতিহাসিক দিঘীৰপাৰত অবিভক্ত দৰং জিলা কোচ-ৰাজবংশী সন্মিলনীৰ শতবৰ্ষ উদ্যাপনৰ পূৰ্ণ প্ৰস্তুতি চলিছে। অতীতৰ 'ৰাইজ মেল' বৰ্তমান সদৌ দৰং কোচ-ৰাজবংশী সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি মৌজাদাৰ বসুন্ধৰ বৰুৱা আৰু সম্পাদক বিবহু বৰুৱা সোঁৱৰণী ক্ষেত্ৰত ১২, ১৩, আৰু ১৪ ডিচেম্বৰত দিঘীৰপাৰস্থিত শ্ৰীশ্ৰীহৰি মন্দিৰৰ বাকৰি আৰু নিকটৱৰ্তী পথাৰত তিনিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অধিবেশন কাৰ্যসূচী অনুসৰি ১২ ডিচেম্বৰৰ পুৱা শতবৰ্ষ উদ্যাপনৰ আই-মাতৃ উপ সমিতিৰ সমূহ সদস্যাৰ পৰিচালনাত সমূহীয়া স্বচ্ছতা অভিযানৰ পাছতে নামঘৰত বন্তি প্ৰজ্বলন কৰিব দিঘীৰপাৰ আঞ্চলিক কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতি উপেন্দ্ৰ চন্দ্ৰ ডেকাই। ইয়াৰ পাছত ভৰালঘৰ আৰু ৰন্ধনশালাত বন্তি প্ৰজ্বলন, ভাগৱত স্থাপন আৰু পাঠ, গছপুলি ৰোপণ, স্বেচ্ছাসেৱক বাহিনী, অতিথিশালা, সংবাদ মাধ্যমৰ কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰা হ'ব। ৯ বজাত শতবৰ্ষীয় পতাকা উত্তোলন কৰিব সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে। ইয়াৰ সমান্তৰালভাৱে মূল, যুৱ আৰু মহিলা সন্মিলনী, আত্ৰাছু আৰু এশখন পতাকা উত্তোলন কৰা হ'ব। স্মৃতি তৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মুখ্য তৰ্পক হিচাপে অংশ ল'ব জিলা সন্মিলনীৰ সম্পাদক হিৰণ্য কুমাৰ ৰাজবংশীয়ে। দহ বজাত বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব মুদৈবড়ী পৰিষদীয় সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱাই। প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উদ্‌ঘাটনৰ পাছতে শতাব্দীপূৰ্ণ কোচ-ৰাজবংশী জনগোষ্ঠৰ জীৱন প্ৰণালী, প্ৰদৰ্শনথলীৰ দ্বাৰ উদ্‌ঘাটন কৰিব মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বড়াই। অধিৱেশনৰ ক্ষেত্ৰ উদ্‌ঘাটন কৰিব বিশিষ্ট চিকিৎসক, সু-সাহিত্যিক, মানৱদবদী ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে। মুখ্য তোৰণৰ দ্বাৰ মুকলি কৰিব কোচ-ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ দেৱে। সমান্তৰালভাৱে অধিৱেশনথলী সংযোগী বিভিন্ন পথৰ তোৰণ সমূহৰো দ্বাৰ মুকলি কাৰ্যসূচী চলিব। ইপিনে কোচ-ৰাজবংশী জনগোষ্ঠীৰ ৰাজ হাউলীৰ প্ৰতীকী প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি সীমান্ত ডেকাই। 'সাম্প্ৰতিক আৰ্থ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিত অসমৰ কোচ ৰাজবংশী যুৱ, মহিলা আৰু আত্ৰাছুৰ কৰণীয়' শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি। ১৩ ডিচেম্বৰৰ পুৱা নৈমিত্তিক কাৰ্যসূচীৰ উপৰি অৱসৰপ্ৰাপ্ত অধ্যাপক ঘটেশ্বৰ বৰুৱাৰ সঞ্চালনাত 'অসমৰ জাতীয় জীৱন আৰু সংস্কৃতিলৈ কোচ-ৰাজবংশী জনগোষ্ঠীৰ অৱদান' শীৰ্ষক আলোচনা-চক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান। ১৪ ডিচেম্বৰৰ পুৱা নৈমিত্তিক কাৰ্যসূচীৰ উপৰি ৯ বজাত বৰ্ণাঢ্য সাংস্কৃতি শোভাযাত্ৰা উদ্বোধন কৰিব অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে। দুপৰীয়া অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখুৱাই উদ্বোধন কৰিবলগীয়া মুকলি সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপক ড° দিলীপ বৰাই। তিনিও দিনৰে কাৰ্যসূচীৰ মাজতে কোচ-ৰাজবংশী জনগোষ্ঠীৰ অমৰ কৃষ্টি গোৱালিনী নৃত্য, কুষান আৰু হুডুম নৃত্যৰ উপৰি নিশাৰ সাংস্কৃতিক অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী মানসী চহৰীয়া, কমলিকা কাশ্যপ আৰু জুবলী বৰুৱাৰ সংগীতানুষ্ঠান পৰিৱেশন কৰিব।

# বঙাইগাঁও জিলা প্ৰশাসনৰ শ্বহীদ দিৱস পালন



**অসম বাৰ্তা, বঙাইগাঁও, ১২ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি বঙাইগাঁও জিলা প্ৰশাসনৰ উদ্যোগত দোলাইগাওঁস্থিত উত্তৰ বঙাইগাঁও মিনি ষ্টেডিয়ামত আনুষ্ঠানিকভাৱে শ্বহীদ দিৱস পালন কৰে। আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে। আজিৰ ছহিদ দিৱসৰ অনুষ্ঠানৰ আৰম্ভণিতে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়িকা দীপ্তিময়ী চৌধুৰী, কিএ চিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকলে শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে গুৱাহাটীৰ পশ্চিম বৰাগাঁও ছহিদ স্মাৰক ক্ষেত্ৰত ৰাজ্যিক ভাৱে অনুষ্ঠিত কৰা কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে আজিৰ অনুষ্ঠানত উপস্থিত থকা অতিথিসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল, বিষয়া-কৰ্মচাৰীকে ধৰি ১০ হেজাৰৰো অধিক লোকে "শ্বহীদ প্ৰণামো তোমাক" গীতটি পৰিৱেশন কৰা হয়। ইয়াৰোপৰি আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা অসম চৰকাৰৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসে শ্বহীদৰ পৰিয়াল তথা অসম আন্দোলনত নিৰ্যাতনৰ বলি হোৱা পৰিয়ালৰ সদস্যসকলক সম্বৰ্ধনা জনায় আৰু শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি বক্তব্য আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে ভাষণত কয় যে শ্বহীদসকলৰ আত্মত্যাগে অসমীয়াৰ বাবে যি কৰি থৈ গ'ল সেয়া সদায়েই স্মৰণীয় হৈ থাকিব। তেওঁলোকে অসমীয়াৰ স্বাভিমান ৰক্ষাৰ হকে তথা অসমীয়াৰ সুকীয়া অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত যি অৰিহণা আগবঢ়াই থৈ গ'ল সেয়া আমি সদায়েই অক্ষুণ্ণ ৰাখিব লাগিব আৰু তেওঁলোকৰ প্ৰতি কৃতজ্ঞতাৰ চিনস্বৰূপে ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হ'ল আৰু তেওঁলোকৰ আৱক্ষ মূৰ্তি স্থাপন কৰাৰ ব্যৱস্থাও কৰা হৈছে বুলি উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। আজিৰ শ্বহীদ দিৱস পালনৰ অনুষ্ঠানত বঙাইগাঁও জিলা আয়ুক্ত নৱদ্বীপ পাঠক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহনলাল মীনা, বঙাইগাঁও পৌৰসভাৰ অধ্যক্ষ সুবোধ চন্দ্ৰ দাস, বঙাইগাঁও জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহ, সমাজকৰ্মী উজ্জ্বল কান্তি ৰয়, হিমানী অধিকাৰী, কমতাপুৰ স্বায়ত্ত্ব শাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, বঙাইগাঁও উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ গোপেশ্বৰ তালুকদাৰ তথা জিলা প্ৰশাসনৰ বিষয়াসকল আৰু অন্যান্য গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে।

# তেজপুৰৰ চাৰ্চ ফিল্ডত মন্ত্ৰী অশোক সিংহলৰ উপস্থিতিত শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১২ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তেজপুৰৰ চাৰ্চ ফিল্ডত গাম্ভীৰ্যপূৰ্ণভাৱে "শ্বহীদ দিৱস, ২০২৫" উদযাপন কৰা হয়। অনুষ্ঠানটোত অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে। আজিৰ এই শ্বহীদ দিৱস, ২০২৫ কাৰ্যসূচীৰ অংশ হিচাপে চাৰ্চ ফিল্ডত অনুষ্ঠিত জিলা পৰ্যায়ৰ অনুষ্ঠানত পশ্চিম বৰাগাঁও, গুৱাহাটীত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰো উপস্থিত ৰাইজ আৰু আমন্ত্ৰিত অতিথিৰ বাবে উপলব্ধ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে অসম চৰকাৰৰ মন্ত্ৰী অশোক সিংহল, তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, জেষ্ঠ্য আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ, এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, তেজপুৰ পৌৰসভাৰ সভাপতি ৰমেন তামোলী, তেজপুৰ উন্নয়ন কৰ্তৃপক্ষৰ সভাপতি বিশ্বদেৱ ভট্টাচাৰ্য লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি অসম আন্দোলনত প্ৰাণ আহুতি দিয়া অসম তথা শোণিতপুৰৰ শ্বহীদসকলৰ বাবে নিৰ্মিত প্ৰতীকী শ্বহীদ বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্প অৰ্পণ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছত উপস্থিত সকলোৱে কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ উপভোগ কৰে। জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে আদৰণী ভাষণ প্ৰদান কৰাৰ পিছত মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথিৰ ভাষণত ১৯৭৯ বৰ্ষৰ পৰা ১৯৮৫ বৰ্ষৰ অসম আন্দোলনৰ কথা উল্লেখ কৰি খিলঞ্জীয়াৰ অস্তিত্ব, সংস্কৃতি, ভূমি আৰু সম্পদ ৰক্ষাৰ উদ্দেশ্যে প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী শ্বহীদক স্মৰণ কৰে আৰু শোণিতপুৰৰ শ্বহীদসকলক বিশেষভাৱে প্ৰণাম জনায়। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি উপস্থিত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল, শিল্পী সমাজ আদি সকলোৱে অংশগ্ৰহণত "শ্বহীদ প্ৰণামো তোমাক" গীতটি সামূহিক ভাৱে পৰিৱেশন কৰা হয়। তাৰ পাছতেই শ্বহীদ পৰিয়ালৰ উপস্থিত সদস্যসকলক মঞ্চত আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। জিলা পৰ্যায়ৰ এই অনুষ্ঠানৰ লগত সংগতি ৰাখি শোণিতপুৰ জিলাৰ অন্তৰ্গত সকলো সম-জিলাতো "শ্বহীদ দিৱস, ২০২৫" পালন কৰা হয়। উল্লেখযোগ্য যে, অনুষ্ঠানৰ আৰম্ভণি আৰু শেষত অসম আৰক্ষীৰ পাইপ বেণ্ড দলটোৱে জাতীয় সংগীত আৰু ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে।




আজিৰ অনুষ্ঠানত শ্বহীদ পৰিয়ালৰ সদস্যসকল, আছুৰ নেতৃবৃন্দ, বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, বিভাগীয় বিষয়া-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল, শিল্পী সমাজ আৰু সংবাদ মাধ্যম উপস্থিত থাকে। ইয়াৰোপৰি সন্ধিয়া জিলা প্ৰশাসনৰ উদ্যোগত স্থানীয় চাৰ্চ ফিল্ডত অসম আন্দোলনৰ শ্বহীদসকলৰ সোঁৱৰণত বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হয়।

# নগাঁৱৰ উৰিয়াগাঁৱত শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বঢ়মপুৰ, ১২ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতি আৰু উৰিয়াগাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাই উদ্‌যাপন কৰিছে শ্বহীদ দিৱস। ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদ সকলক শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি উদযাপন কৰা হৈছে শ্বহীদ দিৱস। নগাঁও জিলাৰ উৰিয়াগাঁওস্থিত শ্বহীদ বেদীৰ সন্মুখত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতি আৰু উৰিয়াগাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাই উদ্‌যাপন কৰিছে শ্বহীদ দিৱস। অসম আন্দোলনৰ প্ৰথমজন শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ লগতে অসম আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কাৰ্য্যসূচী আৰম্ভ কৰে। লগতে অসম আন্দোলনত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰা বৃহত্তৰ উৰিয়াগাঁও অঞ্চলৰ ৪০ গৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য 'কা' আন্দোলনৰ সময়ত নিহত হোৱা পাঁচ গৰাকীকৈ লোককো জাতীয় শ্বহীদ হিচাপে ঘোষণা কৰিবৰ বাবে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে চৰকাৰক দাবী জনায়।

# মৰিগাঁৱত জিঅ' নেটৱৰ্কত অতিষ্ঠ গ্ৰাহক

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ বৃহত্তৰ অঞ্চলত জিঅ' নেটৱৰ্কে অতি নিম্নমানৰ সেৱা প্ৰদান কৰা সময়তে মৰিগাঁও ১নং ৱাৰ্ডৰ লঠাবড়ী জিঅ' সেৱা গ্ৰহণ কৰা গ্ৰাহকৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। জানিব পৰামতে আজি কেইবা মাহৰ আগতে এটা জিঅ' নেটৱৰ্ক টাৱাৰ স্থাপন কৰা হৈছিল যদিও আজিলৈ অতি নিম্নমানৰ সেৱাৰ বাবে গ্ৰাহকসকলে উন্নত ফোন কল আৰু ইণ্টাৰনেটৰ সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। ফলত ব্যৱহাৰকাৰীয়ে প্ৰয়োজন মতে ইণ্টাৰনেটৰ জগতখনৰ পৰা আঁতৰি থাকিব লগাত পৰিছে। আনহাতে একাংশই জিঅ' ছীম কাৰ্ড সলাই আন ছীম কাৰ্ড সংযোগ কৰিব লগা হৈছে। ইফালে অঞ্চলটোত থকা বিভিন্ন ধৰণৰ কম্পিউটাৰ ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী কৰ্মচাৰী, বেচৰকাৰী কাৰ্যলয় আদি কৰি বৈদ্যুতিন সংবাদ কৰ্মীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। স্থানীয় গ্ৰাহকসকলে অতি সোনকালে উন্নত মানৰ সেৱা প্ৰদান কৰিবলৈ জিঅ' কৰ্তৃপক্ষক জনাইছে।

# জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ ১১১১ গছি বন্তি প্ৰজ্বলনেৰে শ্বহীদক স্মৰণ

**অসম বাৰ্তা, জাঁজী, ১২ ডিচেম্বৰ ঃ** ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি কৰি দিয়া পৃথিৱী বিখ্যাত ছবছৰীয়া অসম আন্দোলনৰ ৮৫৫ শ্বহীদৰ স্মৃতিত আজি জাঁজী আঞ্চলিক ছাত্ৰ সন্থাই ১১১১ বন্তি প্ৰজ্বলন কৰি সেই বীৰ শ্বহীদসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ লগতে স্থানীয় ৰাইজে বন্তি প্ৰজ্বলনত অংশ গ্ৰহণ কৰে। স্থানীয় ছাত্ৰনেতা তথা শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক উজ্জ্বল দত্তই আঁত ধৰা অসম প্ৰদেশৰ ন'ৰ আৰ্হিত প্ৰস্তুত কৰা এই কাৰ্যসূচীত অসম আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিচ্ছবিৰ আগত প্ৰথমে বন্তি প্ৰজ্বলন কৰে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকুৰ শইকীয়াই। কাৰ্যসূচীত অংশগ্ৰহণ কৰে জিলা কাৰ্যনিৰ্বাহক সদস্য নিপজ্যোতি বড়া, সাধাৰণ সম্পাদক ৰোমান জ্যোতি বড়াৰ উপৰি অন্যান্য বিষয়ববীয়া সকল, জ্যেষ্ঠ সাংবাদিক দিগন্ত শৰ্মা, প্ৰসেনজিৎ গগৈ আৰু স্থানীয় কেইবাজনো গণ্যমান্য লোকে। জিলা সাংগঠনিক সম্পাদক উজ্জ্বল দত্তই শ্বহীদ দিৱসৰ তাৎপৰ্যৰ বিষয়ে বক্তব্য প্ৰদান কৰি অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক তথা সাংস্কৃতিক ক্ষেত্ৰখন সুৰক্ষা দিয়াৰ স্বাৰ্থত শ্বহীদসকলৰ আত্মত্যাগ স্মৰণ কৰি ভৱিষ্যতে ছাত্ৰ সন্থাৰ কৰ্মীসকলে কাম কৰি যাব বুলি উল্লেখ কৰে।

# অসম আন্দোলনৰ নেতা সুবোধ গগৈৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, আমগুৰি, ১২ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি হালুৱাটিং নিবাসী অসম আন্দোলনৰ অগ্ৰণী নেতা সুবোধ গগৈয়ে আজি পুৱতি নিশা ৩ঃ৩০ বজাত ইহলীলা সম্বৰণ কৰে। প্ৰয়াত সুবোধ গগৈ সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা কালৰ দোপদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আৰু অসম আন্দোলনৰ সময়ছোৱাৰ আছুৰ স্বেচ্ছাসেৱক বাহিনীৰ আমগুৰিৰ নায়কৰ দায়িত্বত থাকি আমগুৰি অঞ্চলত অসম আন্দোলনক সন্মুখৰ পৰা নেতৃত্ব দিছিল, তেখেত অসমীয়া লোক সংস্কৃতিৰো এজন অগ্ৰণী ৰণুৱা আছিল, একাধাৰে তেখেত ঢুলীয়া আৰু বিহুৱা হিচাপেও জনাজাত আছিল। তেখেতৰ মৃত্যুৰ খৱৰ বিয়পি পৰাৰ লগে লগে হালোৱাটিং বাসীয়ে স্বতঃস্ফূৰ্ত ভাৱে দিনটো দোকান পোহাৰ বন্ধ ৰাখি শোক পালন কৰে। তেখেতৰ মৃত্যুত সদৌ তাই আহোম ছাত্ৰ সন্থা আমগুৰি আঞ্চলিক সমিতি, হালোৱাটিং ব্যৱসায়ী সন্থা, হালোৱাটিং বজাৰ পৰিচালনা সমিতিৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ৭১ বছৰ বয়সত মৃত্যুবৰন কৰা প্ৰয়াত গগৈয়ে মৃত্যুৰ সময়ত পত্নীসহ তিনিগৰাকী কন্যা, একমাত্ৰ পুত্ৰ আটাছু শিৱসাগৰ মহকুমা সমিতিৰ সহঃ সাধাৰণ সম্পাদক মানস গগৈ, তিনিজন জোঁৱাই আৰু নাতি নাতিনীসহ বহুতো আত্মীয় স্বজনক এই সংসাৰত এৰি থৈ যায়।

# তিনিচুকীয়াত বিশাল গণ সমাৱেশেৰে শ্বহীদ দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ ডিচেম্বৰ ঃ** অসমৰ অস্তিত্ব ৰক্ষাৰ প্ৰচেষ্টা সমূহ এতিয়াহে সবলভাৱে গ্ৰহণ কৰা হৈছে। বুধবাৰে তিনিচুকীয়াৰ বৰগুৰিত থকা ল'ৰাৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত শ্বহীদ দিৱসত মুখ্য অতিথি হিচাপে দিয়া ভাষণত ৰাজ্যৰ শ্ৰম আৰু শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই এইদৰে কয়। তেওঁ কয় যে, অসম আন্দোলনৰ মূল উদ্দেশ্য আজি ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত বহু পৰিমাণে সফল হৈছে। অসমৰ জাতি মাটি আৰু ভেটি ৰক্ষাৰ আন্তৰিক প্ৰয়াস চলোৱা হৈছে বুলি তেওঁ ভাষণত দাবী কৰে। সভাত মুখ্য বক্তা হিচাপে দিয়া ভাষণত অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া তথা এসময়ৰ ছাত্ৰনেতা যোগেশ বৰুৱাই কয় যে, অসমৰ মানুহে ইয়াৰ ভৌগোলিক, ৰাজনৈতিক, ঐতিহাসিক আৰু পাৰিপাৰ্শিক আদি কাৰণত সদায় এটা অস্তিত্বৰ শংকাত ভুগিব লগীয়া হয়, যিটো দেশৰ অন্য প্ৰান্তৰ লোকৰ ক্ষেত্ৰত নাথাকে। এই শংকা অমূলক বুলি ভবাজন অসম প্ৰেমী হ'ব নোৱাৰে, তেওঁলোক অসমৰ শত্ৰু। অসম আন্দোলনৰ ফলশ্ৰুতিত লাভ কৰা অসম চুক্তিৰ পিছতো সেই শংকা মাৰ নগ'ল। আজিও সেই হেৰাই যোৱাৰ আতংক এতিয়াও অব্যাহত ৰল বুলি তেওঁ খেদ প্ৰকাশ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সভাস্থলীত স্থাপন কৰা সুদৃশ্য অস্থায়ী শ্বহীদ স্তম্ভত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে জিলা আয়ুক্ত স্বপ্নীল পালে। এই শ্বহীদ ক্ষেত্ৰত অসম আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ উপৰি তিনিচুকীয়া জিলাৰ ১২ গৰাকী শ্বহীদৰ প্ৰতিচ্ছবি স্থাপন কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। সভাৰ পূৰ্বে জিলাখনৰ শতাধিক বিশিষ্ট শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ অমৰ গীত 'শ্বহীদ প্ৰণামো তোমাক' পৰিবেশন কৰে। প্ৰায় ১০ হাজাৰ লোক সমবেত হোৱা মুকলি সভাত অন্যান্য সকলৰ লগতে অসম আন্দোলনৰ শ্বহীদ মুনিন্দ্ৰ গোহাঁইৰ নিকট আত্মীয় কন্দনী গোহাঁই আৰু শ্বহীদ পুণ্যলতা গোহাঁইৰ নিকট আত্মীয় তপন গোহাঁইও বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাৰ অন্তত ৮৬০ গৰাকী শ্বহীদৰ স্মৃতিত বিশিষ্ট অতিথি সকলৰ দ্বাৰা ৮৬০ গছি বন্তি প্ৰজ্বলন কৰা হয়। সভাৰ পূৰ্বে গুৱাহাটীত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ বিশাল পৰ্দাৰ জৰিয়তে প্ৰদৰ্শন কৰা হয়। সন্ধিয়া চৰকাৰী কাৰ্যালয়সমূহ আলোকসজ্জিত কৰি তোলা হয়।

# দোতমাত "দাওহাৰু মুংখ্‌লং ট্ৰফী" ফুটবল খেলৰ আৰম্ভণি

**অসম বাৰ্তা, দোতমা, ১২ ডিচেম্বৰ ঃ** দোতমাত প্ৰতি বছৰৰ দৰে ২০২৫ ৰ ২৭ সংখ্যক "দাওহাৰু মুংখ্‌লং ট্ৰফী" ফুটবল খেলখন আজি আৰম্ভ হয়। ৰাতিপুৱা গেটৰ ফিতা কাটি শুভ উদ্বোধন কৰে এমচিএলএ জু বিৰাজ বসুমাতাৰীয়ে। ইয়াৰ পিছত শ্বহীদ বেদীত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। খেলখনত মুখ্য অতিথি হিচাবে উপস্থিত হৈ বিটিচিৰ শিক্ষা বিভাগৰ ইএম ৰবিৰাম নাৰ্জাৰীয়ে দোতমাবাসী ৰাইজক খেলখনক আদৰি লোৱাৰ বাবে ধন্যবাদ জনায়। সকলো জাতি জনগোষ্ঠীকে খেল উপভোগ কৰাৰ আহ্বান জনায় বিটিচি'ৰ সমাজ কল্যাণ বিভাগৰ ইএম তথা ২৭ সংখ্যক দাওহাৰু মুংখ্‌লং ট্ৰফী ফুটবলৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ বসুমাতাৰীয়ে। আজিৰ খেলখন ফেৰেঙ্গা ক্লাব আৰু শালবগান এফ চি ৰ মাজত অনুষ্ঠিত হয়। উক্ত খেলখনত অসমৰ লগতে বিভিন্ন ৰাজ্যৰ খেলুৱৈ দলে অংশ গ্ৰহণ কৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। আয়োজক সমিতিয়ে জনোৱা মতে আজিৰে পৰা আৰম্ভ হৈ ইংৰাজী ২১-১২-২০২৫ তাৰিখে ফাইনেল খেলখন অনুষ্ঠিত হ'ব। ফাইনেল খেলখনত মুখ্য অতিথি হিচাবে হ্‌গ্ৰামা মহিলাৰী উপস্থিত থাকিব বুলি জনায়। আয়োজক সমিতিয়ে সমগ্ৰ অসমবাসী ৰাইজক খেলখন উপভোগ কৰিবলৈ আহ্বান জনায়। "দাওহাৰু মুংখ্‌লং ট্ৰফী" হৈছে কোকৰাঝাৰ জিলাৰ দোতমাত অনুষ্ঠিত হোৱা এক বাৰ্ষিক ফুটবল প্ৰতিযোগিতা। এই ফুটবল প্ৰতিযোগিতাখন প্ৰতি বছৰে বড়োলেণ্ড আন্দোলনত আত্মবলিদান দিয়া বড়ো শ্বহীদসকলৰ স্মৃতিত আয়োজন কৰা হয়। এই খেলখন দোতমা আঞ্চলিক ক্ৰীড়া সন্থা চমুকৈ DASAই আয়োজন কৰে। অসমৰ লগতে পশ্চিম বংগ, মেঘালয়, মধ্যপ্ৰদেশ, ছিকিম আদি বিভিন্ন ৰাজ্যৰ দলসমূহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

# ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়াল মচুৰ দাইল, চেনি, নিমখ ক্ৰয়ৰ পৰা বঞ্চিত

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ ডিচেম্বৰ ঃ** খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টিৰ নিশ্চিতিলৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়াললৈ বজাৰতকৈ সুলভ মূল্যত মচুৰ দাইল প্ৰতি কিলোগ্ৰামত ৬৯ টকা, চেনি প্ৰতি কিলোগ্ৰামত ৩৮ টকা, নিমখ প্ৰতি কিলোগ্ৰামত ১০ টকাত দিবৰ বাবে যোৱা ১০ নৱেম্বৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মাই খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ৰ উপস্থিতিত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত শুভাৰম্ভ কৰি ৰাজ্যৰে প্ৰতিটো সুলভ মূল্যৰ কাৰ্ড থকা পৰিয়ালক প্ৰতি মাহতে যোগানৰ ঢাক-ঢোল বজাই ছিল যদিও দ্বিতীয় মাহত অৰ্থাৎ ডিচেম্বৰতে এই আঁচনিখন ফ্লপশ্ব'ত পৰিণত হৈছে। মচুৰ দাইল, চেনি, নিমখ আদি পোৱাৰ পৰা বঞ্চিত হৈছে যোৰহাট জিলাৰ শ শ গ্ৰাহক। এই সন্দৰ্ভত সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত আজি পুৱাৰে পৰা দুবাৰকৈ যোৰহাট জিলাৰ খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ যোৰহাটস্থিত বিষয়া বিকাশ দাসলৈ ফোন কৰিও কোনো সদুত্তৰ পোৱা নগ'ল। দুইবাৰেই তেওঁ 'মিটিঙত ব্যস্ত আছোঁ' বুলি কৈ বিষয়টোৰ সন্দৰ্ভত জানিবই নিবিচাৰিলে। যোৰহাট জিলাৰ অন্যান্য গাঁও পঞ্চায়ত, সমবায় সমিতিৰ লগতে উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত সৰুচৰাই মৌজা গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ অধীনস্থ প্ৰতিখন এজেণ্টৰ দোকানলৈ মচুৰ দাইল, চেনি, নিমখ ক্ৰয় কৰিবলৈ গৈ ৰেচন কাৰ্ডধাৰী পৰিয়ালৰ লোকসকল বিমুখ হৈ ঘূৰি আহিবলগীয়া হৈছে। এই সন্দৰ্ভত যোৰহাট জিলাৰ আয়ুক্তকো ৯ ডিচেম্বৰতে লিখিতভাৱে অৱগত কৰা হ'ল যদিও প্ৰশাসনিক বিষয়াগৰাকীয়েও এই ক্ষেত্ৰত গুৰুত্ব আৰোপ নকৰাত অতিষ্ঠ হৈ ৰেচন কাৰ্ডধাৰী লোকসকলে চৰকাৰী বিজ্ঞাপনত উল্লেখ কৰা ১৮০০৩৫৪৩৬১১, ১৯৬৭ ট'লফ্ৰি নম্বৰত ফোন কৰিছে যদিও তাতো সেই একেই অৱস্থা। দুয়োটা ফোনৰ পৰা কোনো সদুত্তৰ পোৱা নাযায় মাত্ৰ কল হে হয়। এই সন্দৰ্ভত গ্ৰাহকসকলে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। চৰকাৰী আঁচনি এখন যে কেৱল বিষয়া-কৰ্মচাৰীসকলৰ বাবে বুমেৰাঙত পৰিণত হয় তাকেই প্ৰমাণ কৰিছে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীগৰাকীক তাৎক্ষণিক ব্যৱস্থা কৰি বঞ্চিত হোৱা হিতাধিকাৰীসকলক সুলভ মূল্যৰ দোকানীৰ জৰিয়তে মচুৰ দাইল, চেনি আৰু নিমখ ক্ৰয় কৰিবলৈ আহ্বান জনাইছে।

## শ্যামকানু মহন্তৰ বাবে উকীল

এক চাঞ্চল্যকৰ খবৰ পোহৰলৈ আহিছে। মূল অভিযুক্ত শ্যামকানু মহন্তৰ পত্নীয়ে এতিয়া দুৱাৰে দুৱাৰে ঘূৰি স্বামীৰ হৈ আদালতত যুক্তি দাঙি ধৰিব পৰা অধিবক্তা বিচাৰি হাহাকাৰ কৰিছে। সদৌ অসম উকীল সন্থাই পূৰ্বে গ্ৰহণ কৰা এক সিদ্ধান্ত অনুসৰি জুবিন গাৰ্গ হত্যাকাণ্ডৰ কোনো অভিযুক্তৰ পক্ষত আদালতত উপস্থিত হৈ উকালতি নকৰিবলৈ সকলো সদস্যক নিৰ্দেশ দিছিল। এই সিদ্ধান্তৰ ফলত শ্যামকানু মহন্তৰ হৈ এতিয়ালৈকে কোনো অধিবক্তাই আদালতত হাজিৰ হৈ যুক্তি-তৰ্ক আগবঢ়োৱা নাই। ফলত অভিযুক্তজনৰ আইনী প্ৰতিনিধিত্বৰ অভাৱত গোচৰটোৰ শুনানি জটিল হৈ পৰাৰ আশংকা কৰা হৈছে। এই পৰিস্থিতিৰ মাজতে শ্যামকানু মহন্তৰ পত্নীয়ে সদৌ অসম উকীল সন্থাৰ কাৰ্যালয়ত উপস্থিত হৈ লিখিত আৱেদন দাখিল কৰিছে। তেওঁৰ আৱেদনত কোৱা হৈছে যে, "মোৰ স্বামীৰ বিৰুদ্ধে যি অভিযোগ উঠিছে সেয়া এতিয়াও প্ৰমাণিত হোৱা নাই। আদালতত ন্যায় বিচাৰৰ সুযোগ নোপোৱাকৈয়ে তেওঁক দোষী সাব্যস্ত কৰা হ'লে সেয়া সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰৰ লংঘন হ'ব। মানৱীয় দৃষ্টিভংগীৰে বিবেচনা কৰি সন্থাই পূৰ্বৰ সিদ্ধান্ত পুনৰ্বিচাৰ কৰক আৰু মোৰ স্বামীক আইনী সহায় লাভৰ সুযোগ দিয়ক।" এই আৱেদনৰ পিছতে সদৌ অসম উকীল সন্থাৰ সভাপতি তথা অন্যান্য জ্যেষ্ঠ সদস্যৰ সৈতে সাংবাদিকৰ আগত মুখ খোলে। সন্থাৰ মুখপাত্ৰই জনায়, "আমি শ্যামকানু মহন্তৰ পত্নীৰ আৱেদন গ্ৰহণ কৰিছোঁ। এই বিষয়টো অতি স্পৰ্শকাতৰ। এফালে জুবিন গাৰ্গৰ পৰিয়াল আৰু ৰাজ্যৰ জনসাধাৰণৰ আৱেগ জড়িত হৈ আছে, আনফালে সংবিধানে প্ৰতিজন অভিযুক্তক ন্যায়সংগত প্ৰতিৰক্ষাৰ অধিকাৰ দিছে। আমি আগন্তুক কেইদিনৰ ভিতৰতে সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত এই বিষয়টোৰ ওপৰত বিস্তৃত আলোচনা কৰি সিদ্ধান্ত ল'ম।" ইপিনে শ্যামকানুৰ পত্নীয়ে গুৱাহাটী হাইকৰ্ট বাৰ এছ'চিয়েশ্যনৰ দুৱাৰদলাও খুন্দিছে। হাইকৰ্টৰ জ্যেষ্ঠ অধিবক্তা কেইগৰাকীমানৰ লগত যোগাযোগ কৰাৰ পিছতো কোনোৱে এতিয়ালৈকে এই গোচৰ গ্ৰহণ কৰাৰ সাহস দেখুৱাব পৰা নাই বুলি তেওঁ দুখেৰে কয়। উল্লেখ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ পিছত ৰাজ্যজুৰি যি ক্ষোভৰ সৃষ্টি হৈছিল, তাৰ পৰিপ্ৰেক্ষিততেই সদৌ অসম উকীল সন্থাই অভিযুক্তসকলৰ পক্ষত উকালতি নকৰাৰ সিদ্ধান্ত লৈছিল। এতিয়া এই সিদ্ধান্ত পুনৰ্বিচাৰৰ দাবী উত্থাপিত হোৱাত আইনী মহলত নতুন বিতৰ্কৰ সূত্ৰপাত হৈছে। এফালে জনআৱেগ, আনফালে সাংবিধানিক অধিকাৰ- এই দুয়োৰ মাজত সদৌ অসম উকীল সন্থাই কি সিদ্ধান্ত লয়, সেয়া আগন্তুক কেইদিনৰ ভিতৰতে স্পষ্ট হ'ব।

## নেহৰুক লৈ অমিত শ্বাহৰ

বুলি তীব্ৰ খণ্ডন কৰিছে। ৰমেশে সামাজিক মাধ্যমত মহাত্মা গান্ধীৰ নাতি, বিশিষ্ট ইতিহাসবিদ তথা প্ৰাক্তন সাংসদ ৰাজমোহন গান্ধীৰ এটা দীঘলীয়া ভিডিঅ' ক্লিপ শ্বেয়াৰ কৰি দেখুৱাইছে যে ১৯৪৬ চনত কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰী পদৰ কোনো প্ৰশ্নই উত্থাপিত হোৱা নাছিল। সেই সময়ত এনে কোনো চুক্তিও হোৱা নাছিল যে কংগ্ৰেছৰ সভাপতি হোৱা লোকেই পৰৱৰ্তী কালত প্ৰধানমন্ত্ৰী হ'ব। ৰাজমোহন গান্ধীয়ে স্পষ্ট কৰি কয় যে ১৯৪৬ চনত প্ৰদেশ কংগ্ৰেছ কমিটীসমূহৰ পৰা চৰ্দাৰ বল্লভভাই পেটেলৰ নাম সৰ্বাধিক প্ৰস্তাৱ হৈ আহিছিল। কেইখনমানে আচাৰ্য কৃপালনীৰ নাম দিছিল যদিও এখনো প্ৰদেশ কমিটীয়ে জৱাহৰলাল নেহৰুৰ নাম প্ৰস্তাৱ কৰা নাছিল। তেতিয়া মহাত্মা গান্ধীয়ে পেটেল আৰু কৃপালনীক নিজৰ নাম প্ৰত্যাহাৰ কৰিবলৈ কৈছিল আৰু দুয়োজনে ততালিকে সন্মতি দিছিল। ফলত নেহৰুক সৰ্বসন্মতিক্ৰমে কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত কৰা হৈছিল। ইতিহাসবিদগৰাকীয়ে আৰু কয়, "তেতিয়া কোনেও ভবা নাছিল যে কংগ্ৰেছৰ সভাপতি হোৱা লোকেই প্ৰধানমন্ত্ৰী হ'ব। সেই সময়ত পেটেলৰ স্বাস্থ্য ভাল নাছিল, তেওঁ নেহৰুতকৈ ১৪ বছৰ ডাঙৰ আছিল আৰু বহুতে ভাবিছিল - পেটেলক সভাপতি কৰি সন্মান জনোৱা হওক। কিন্তু প্ৰধানমন্ত্ৰী কৰাৰ কথা কাৰো মনত নাছিল।" ৰাজমোহন গান্ধীয়ে এই কথাও সোঁৱৰাই দিয়ে যে নেহৰু প্ৰধানমন্ত্ৰী হোৱাত দেশৰ জনসাধাৰণ অত্যন্ত সুখী আছিল আৰু স্বয়ং চৰ্দাৰ পেটেলেও এই সিদ্ধান্তক সমৰ্থন কৰিছিল। ১৯৫০ চনৰ অক্টোবৰ মাহত ইন্দোৰত দিয়া এটা ভাষণত পেটেলে নিজে কৈছিল যে গান্ধীজীৰ নেহৰুক সভাপতি আৰু পৰৱৰ্তী কালত প্ৰধানমন্ত্ৰী কৰাৰ সিদ্ধান্ত সম্পূৰ্ণ সঠিক আছিল। জয়ৰাম ৰমেশে লিখিছে, "মহাত্মা গান্ধীৰ নাতি আৰু চি ৰাজাগোপালাচাৰীৰ ভতিজা ৰাজমোহন গান্ধীয়ে লোকসভাত গৃহমন্ত্ৰীৰ মুখেৰে ওলোৱা এটা গোকাট মিছা কথা ধৰি ধৰি উদঙাই দিছে।" বৃহস্পতিবাৰে কংগ্ৰেছে ইতিমধ্যে এই দাবীক "মিছা আৰু কল্পনাপ্ৰসূত" বুলি অভিহিত কৰিছিল। বুধবাৰে লোকসভাত অমিত শ্বাহে কৈছিল যে ১৯৪৬ চনত চৰ্দাৰ পেটেলে ২৮খন প্ৰদেশ কংগ্ৰেছ কমিটীৰ সমৰ্থন পাইছিল আৰু নেহৰুৱে একোটা পোৱা নাছিল, তথাপি নেহৰুৱে প্ৰধানমন্ত্ৰী পদটো "চুৰি" কৰি লৈছিল। এই মন্তব্যৰ লগে লগে বিৰোধী দলৰ সদস্যসকলে তীব্ৰ প্ৰতিবাদ কৰিছিল। ঐতিহাসিক তথ্যৰে কংগ্ৰেছে এইবাৰ গৃহমন্ত্ৰীৰ দাবীক সম্পূৰ্ণৰূপে খণ্ডন কৰিলে।

## চাৰ্জশ্বীট দাখিলৰ পিছতেই

বান্ধৱী মঞ্জুলা বৰুৱাও উপস্থিত থাকে। জুবিন ক্ষেত্ৰত উপস্থিত হৈ গৰিমাই স্মৃতিস্থলীত বাস কৰা পখিলা আৰু অন্যান্য পক্ষীকুলৰ বাবে নিজ হাতেৰে আহাৰ যোগান ধৰে। জুবিনে জীৱনৰ অন্তিম সময়লৈকে পক্ষীকুলৰ প্ৰতি যি অপৰিসীম মৰম আৰু যত্ন দেখুৱাইছিল, সেই একেই পৰম্পৰা আজিও অব্যাহত ৰাখিছে পত্নী গৰিমাই। চাৰ্জশ্বীট দাখিলৰ পিছতে সাংবাদিকৰ মুখা-মুখি হৈ গৰিমা শইকীয়া গাৰ্গে কয়, "জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পিছতে আমি এজাহাৰ দাখিল কৰিছিলোঁ। সকলো অসমীয়াৰ দৰেই অসম আৰক্ষীৰো জুবিনৰ প্ৰতি গভীৰ আৱেগ আছে। মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে অসম আৰক্ষীয়ে একেবাৰে সঠিক দিশতেই তদন্ত আগবঢ়াই নিছে। তদন্তকাৰী দলৰ সকলো সদস্যক মই আন্তৰিক ধন্যবাদ জনাইছোঁ।" ন্যায় প্ৰক্ৰিয়াৰ বিষয়ে কথা কওঁতে গৰিমাই আশা ব্যক্ত কৰি কয়, "দোষীক শাস্তি নোহোৱালৈকে ন্যায় প্ৰক্ৰিয়া আগুৱাই যাব বুলি মোৰ সম্পূৰ্ণ বিশ্বাস আছে। প্ৰতিজন দোষীয়ে কঠোৰৰ পৰা কঠোৰতম শাস্তি পাবই লাগিব। এজনো দোষী যাতে ৰেহাই নাপায়, তাৰবাবে দেশৰ আইন-কানুনৰ ওপৰত মোৰ অটল আস্থা আছে। আমি এই গোচৰটো ফাষ্ট-ট্ৰেক আদালতত বিচাৰৰ বাবে আবেদন জনাইছোঁ আৰু শীঘ্ৰে বিচাৰ আৰম্ভ হোৱাটো বিচাৰোঁ।" জুবিন ক্ষেত্ৰত থিয় হৈ গৰিমা আৱেগিক হৈ পৰে। চকুপানী সামৰি ৰাখিব নোৱাৰি তেওঁ কয়, "জুবিন গাৰ্গে স্বাৰ্থ এৰি সকলোকে মৰম কৰিছিল। তেওঁ এনে এটি সত্তা আছিল যাৰ দৰে আৰু কোনো নাই। এনে এটি মহৎ আত্মা এনেদৰে হঠাৎ নোহোৱা হৈ যোৱাটো কেনেকৈ সম্ভৱ? এয়া এতিয়াও মোৰ বাবে সপোন যেন লাগে।" জুবিন গাৰ্গৰ মৃত্যুৰ পিছৰে পৰা প্ৰতিদিনে জুবিন ক্ষেত্ৰত ভক্তৰ ভিৰ লাগি থাকে। আজি চাৰ্জশ্বীট দাখিলৰ খবৰে নতুন আশাৰ সৃষ্টি কৰিছে লাখ লাখ জুবিনপ্ৰেমীৰ মাজত। সকলোৱে এতিয়া অপেক্ষাত আছে - ন্যায়ৰ, সত্যৰ আৰু দোষীসকলৰ শাস্তিৰ।

## অন্ত পৰিল সৌমিত্ৰ শইকীয়াৰ

নেতৃত্বাধীন এজনীয়া ন্যায়িক আয়োগত শপতনামা দাখিলৰ আজি অন্তিম দিন। ইতিমধ্যেই ন্যায়িক আয়োগত দাখিল হৈছিল ৪০খনকৈ শপতনামা। উল্লেখ্য যে পূৰ্বতে শপতনামা দাখিলৰ অন্তিম দিন নিৰ্ধাৰণ কৰা হৈছিল ২১ নৱেম্বৰ। অৱশেষ পিছত বৰ্ধিত ২০ দিনৰ সীমা বৃদ্ধি কৰা হয়। সেই অনুসৰি আজি শপতনামা দাখিলৰ অন্তিম দিন আছিল। একেদৰে ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠিত ন্যায়িক আয়োগত ইতিমধ্যে ৰাজ্যৰ বিভিন্ন দল- সংগঠনৰ লগতে বহুজনে দিছিল সাক্ষ্য সহ কেতবোৰ নথিপত্ৰ। ৰাজ্য চৰকাৰে গঠন কৰি দিয়া ন্যায়িক আয়োগে ৩ নৱেম্বৰৰ পৰা আৰম্ভ কৰিছিল সাক্ষ্য লোৱা প্ৰক্ৰিয়া। উল্লেখ্য যে বিভিন্ন দল-সংগঠনে ন্যায়িক আয়োগৰ শুনানিৰ দিন আৰু বৃদ্ধি কৰিবলৈ দাবী কৰিছিল।

## কংগ্ৰেছৰ প্ৰবীণ নেতা, প্ৰাক্তন

প্ৰাক্তন অধ্যক্ষ শিৱৰাজ বিশ্বনাথ পাটিলৰ দেহাৱসান। শুকুৰবাৰে পুৱা মহাৰাষ্ট্ৰৰ লাটুৰৰ নিজা বাসগৃহ 'দেৱঘৰ'ত ৯০ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। শেহতীয়াকৈ দীৰ্ঘদিনীয়া অসুস্থতাৰ বাবে তেওঁৰ শাৰীৰিক অৱস্থাৰ দ্ৰুত অৱনতি ঘটিছিল বুলি পৰিয়ালৰ সূত্ৰই জানিবলৈ দিছে। মৃত্যুৰ সময়ত তেওঁৰ কাষত আছিল পুত্ৰ শৈলেশ পাটিল, বোৱাৰী তথা বিজেপিৰ বিশিষ্ট নেত্ৰী অৰ্চনা পাটিল আৰু দুগৰাকী নাতিনী। লাটুৰ পৌৰসভাৰ মুৰব্বীৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক জীৱনৰ শিখৰলৈ উঠি অহা শিৱৰাজ পাটিলে লাটুৰ লোকসভা সমষ্টিৰ পৰা মুঠ সাতবাৰকৈ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। ১৯৯১-১৯৯৬ লৈকে তেওঁ লোকসভাৰ অধ্যক্ষ আৰু ২০০৪-২০০৮ লৈকে ইউপিএ-১ চৰকাৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিল। পিছত পঞ্জাৱৰ ৰাজ্যপাল তথা চণ্ডীগড়ৰ প্ৰশাসকৰ দায়িত্বও সুকলমে নিৰ্বাহ কৰিছিল। সংবিধানৰ গভীৰ জ্ঞান, মাৰাঠী-হিন্দী-ইংৰাজী তিনিওটা ভাষাতে অসাধাৰণ দখল, তথ্যসমৃদ্ধ আৰু শান্ত-সৌম্য বক্তৃতাৰ বাবে তেওঁ সদায় সন্মান লাভ কৰিছিল। সংসদীয় আলোচনাত তেওঁৰ বক্তব্য সদায় শান্ত আৰু যুক্তিপূৰ্ণ হোৱাৰ বাবে বিৰোধী দলৰ সাংসদসকলেও তেওঁক সন্মান কৰিছিল। আজিৰ উত্তপ্ত ৰাজনীতিৰ মাজতো তেওঁৰ নম্ৰতা আৰু আদৰ্শবাদে নতুন প্ৰজন্মৰ বাবে এক উজ্জ্বল দৃষ্টান্ত হৈ ৰ'ব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে লিখিছে, "শিৱৰাজ পাটিলজী আছিল এজন অভিজ্ঞ সংসদ সদস্য আৰু সংবিধানৰ প্ৰতি অটল নিষ্ঠাৰ প্ৰতীক। তেওঁৰ অৱদান দেশে সদায় স্মৰণ কৰি থাকিব।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "শিৱৰাজ পাটিলজীৰ দেহাৱসানত গভীৰ শোক প্ৰকাশ কৰিছোঁ। সংসদীয় গণতন্ত্ৰৰ প্ৰতি তেওঁৰ অৱদান অবিস্মৰণীয়। শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি মোৰ সমবেদনা।" কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গে, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীৰ লগতে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শ্বিণ্ডে, উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফড়ণৱীচ আৰু বিৰোধী নেতা উদ্ধৱ ঠাকৰেও গভীৰ শোক প্ৰকাশ কৰিছে।

## জুবিন গাৰ্গ হত্যাকাণ্ডৰ চাৰ্জশ্বীট

চাৰ্জশ্বীটৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে। আজি নতুন দিল্লীত আয়োজিত এক সংবাদমেলত তেওঁ স্পষ্টভাৱে কয়, "চাৰ্জশ্বীটত কি কি তথ্য আৰু প্ৰমাণ সন্নিৱিষ্ট কৰা হৈছে, সেইসমূহ কিমান শক্তিশালী, এই সকলো কথা আদালতৰ বিচাৰ প্ৰক্ৰিয়াতহে প্ৰকাশ পাব। এতিয়া কেৱল কাগজে-কলমে চাৰ্জশ্বীট দাখিল হৈছে, কিন্তু আদালতত সেয়া টিকি থাকিব পাৰে নাই, সেয়াহে মূল কথা।" গৌৰৱ গগৈয়ে বৰ্তমানৰ বিজেপি চৰকাৰৰ দিনত হোৱা একাধিক গোচৰৰ উদাহৰণ দি কয়, "এই চৰকাৰৰ সময়ত দেখা গৈছে - বিজেপিৰ সৈতে জড়িত প্ৰভাৱশালী লোকৰ বিৰুদ্ধে এজাহাৰ দাখিল হয়, চাৰ্জশ্বীট দাখিল হয়, কিন্তু শেষত আদালতত সেই গোচৰবোৰ খাৰিজ হৈ যায়। গতিকে জুবিন গাৰ্গৰ গোচৰটোও যাতে সেই পৰিণতি নহয়, তাৰ প্ৰতি নজৰ ৰাখিম।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পূৰ্বৰ বক্তব্যৰ কথা সোঁৱৰাই দি গগৈয়ে কয়, "মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰে বাৰে কৈ আহিছে যে জুবিন গাৰ্গৰ মৃত্যু নহয়, হত্যা। তেন্তে আজি দাখিল কৰা চাৰ্জশ্বীটত নিশ্চয় শক্তিশালী প্ৰমাণ থাকিব লাগে। এছআইটিয়ে যদি সঁচাকৈয়ে দায়িত্বসহকাৰে তদন্ত কৰিছে, তেন্তে আদালতত সেই অভিযোগসমূহ প্ৰমাণ কৰিবলৈ সক্ষম হ'ব। কিন্তু যেতিয়ালৈকে দোষীসকলে কঠোৰতকৈয়ো কঠোৰ শাস্তি নাপায়, তেতিয়ালৈকে অসমৰ ৰাইজৰ সৈতে কংগ্ৰেছ দলে এই বিষয়ত সজাগ হৈ থাকিব আৰু প্ৰয়োজন সাপেক্ষে ৰাজপথতো নামি পৰিব।" তেওঁ লগতে উল্লেখ কৰে, "জুবিন গাৰ্গ অসমৰ এটি সাং সাংস্কৃতিক সম্পদ আছিল। লাখ লাখ ভক্তৰ প্ৰিয় কণ্ঠস্বৰক যিদৰে হেৰুৱালে, তাৰ ন্যায় হ'বই লাগিব। চাৰ্জশ্বীট দাখিল হোৱাটোৱে কেৱল আৰম্ভণি, ন্যায়ৰ প্ৰকৃত বিজয় তেতিয়াহে হ'ব যেতিয়া দোষীসকলক আদালতে শাস্তি বিহিব। সেই দিনটো নোহোৱালৈকে কংগ্ৰেছ দলে জুবিনৰ পৰিয়াল আৰু অসমৰ ৰাইজৰ কাষত থিয় দি থাকিব।" জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ গোচৰত ৰাজনৈতিক মহলতো এতিয়া নতুন চৰ্চা আৰম্ভ হৈছে যে চাৰ্জশ্বীটৰ প্ৰমাণসমূত্ৰ আদালতৰ কঠোৰ পৰীক্ষাত কিমান টিকিব পাৰে।

## গেলাপুখুৰী চাহ বাগিচাৰ

বাবে অৰুণাচললৈ যোৱা ২২ গৰাকী শ্ৰমিকৰে ভৰ্তি ট্ৰাকখন প্ৰায় ৫০০ ফুট তলৰ খাৰাইত বাগৰি পৰাত ২১ গৰাকীৰে কৰুণ মৃত্যু হয়। কোনোমতে প্ৰাণ ৰক্ষা পৰা এগৰাকী শ্ৰমিক বুধেশ্বৰ দ্বীপেই প্ৰথমে খবৰ কঢ়িয়াই আনে। শুকুৰবাৰে গেলাপুখুৰী চাহ বাগিচাৰ ১৩নং লাইনত আজি পুৱা চৰকাৰী মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড়ৰ সাংসদ সৰ্বানন্দ সোণোৱাল, সাংসদ ফণীভূষণ চৌধুৰী, চাবুৱাৰ বিধায়ক পোণাকণ বৰুৱা আৰু জিলা আয়ুক্ত স্বপ্নীল পালৰ নেতৃত্বত এটা উচ্চপৰ্যায়ী দল উপস্থিত হয়। দলটোৱে মৃত শ্ৰমিকসকলৰ পৰিয়ালৰ সৈতে সাক্ষাৎ কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। এগৰাকী মহিলা মন্ত্ৰীসকলৰ সন্মুখতে শোকত অচেতন হৈ ঢলি পৰে, ততাতৈয়াকৈ তেওঁক চিকিৎসাৰ ব্যৱস্থা কৰা হয়। মন্ত্ৰী অতুল বৰাই কয়, "একেখন চাহ বাগিচাৰে ১৯-২০ গৰাকী লোকৰ মৃত্যু - ই এক অতি দুখজনক ঘটনা। ঠিকাদাৰ ইজাজুল হকৰ দ্বাৰা শ্ৰমিকসকলক লৈ যোৱা হৈছিল। কিছুমান পৰিয়ালে জানিছিল, কিছুমানে জনা নাছিল। অৰুণাচল আৰক্ষীয়ে ঠিকাদাৰগৰাকীক আটক কৰিছে।" মন্ত্ৰী কেশৱ মহন্তই কয়, "২২ গৰাকীৰ ভিতৰত এগৰাকীহে জীয়াই ঘূৰি আহিল, তেৱেঁই খবৰ দিলে। মুখ্যমন্ত্ৰীৰ সৈতে কথা পতা হৈছে - প্ৰতিগৰাকী মৃতকৰ পৰিয়ালক ৫ লাখ টকাকৈ এককালীন সাহায্য দিয়া হ'ব। পৰৱৰ্তী সকলো কাৰ্য্যও কৰা হ'ব।" কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শোকসন্তপ্ত পৰিয়ালৰ লগত দেখা কৰি কয়, "এই মৰ্মান্তিক দুৰ্ঘটনাত আমি গভীৰভাৱে শোকাহত। প্ৰধানমন্ত্ৰীয়ে মৃতকৰ পৰিয়ালক ২ লাখ আৰু আহতজনক ৫০ হাজাৰ টকা ঘোষণা কৰিছে। অসম চৰকাৰেও ৫ লাখ টকা দিব। আমি প্ৰতিটো পৰিয়ালৰ কাষত আছো। মৃতসকলৰ আত্মাই চিৰশান্তি লাভ কৰক।" বৰ্তমানলৈকে ১৭ গৰাকীৰ মৃতদেহ চিনাক্ত হৈছে যদিও এতিয়াও কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা হোৱা নাই। শুকুবাৰে গোটেই দিনটো উদ্ধাৰ অভিযান অব্যাহত থাকিব। গেলাপুখুৰী চাহ বাগিচাৰ ১৩ নং লাইনত এতিয়া কেৱলৰ শোক আৰু নীৰৱতা।

## অসমৰ চাৰি ক্ৰিকেটাৰক

ট্ৰফী ২০২৫ত অসম দলৰ একাংশ খেলুৱৈক মেচৰ ফলাফলৈ প্ৰভাৱিত কৰিবলৈ উচটনি দিয়া আৰু চাপ সৃষ্টি কৰাৰ চেষ্টা কৰা। এই গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ পিছতে বিষয়টোৰ তদন্ত আৰম্ভ কৰিছে বিচিচিআইৰ দুৰ্নীতি বিৰোধী আৰু নিৰাপত্তা শাখা (ACU)ই। সমান্তৰালভাৱে অসম ক্ৰিকেট সন্থাইও স্বতন্ত্ৰভাৱে তদন্ত আৰম্ভ কৰি এই চাৰিজন খেলুৱৈৰ বিৰুদ্ধে গুৱাহাটীৰ ক্ৰাইম ব্ৰাঞ্চত এজাহাৰ দাখিল কৰিছে। ফলস্বৰূপে তেওঁলোকক তাৎক্ষণিকভাৱে নিলম্বন কৰা হৈছে আৰু তদন্তৰ চূড়ান্ত ফলাফল নোলোৱালৈকে এই নিলম্বন বলবৎ থাকিব। নিলম্বনৰ সময়ছোৱাত খেলুৱৈকেইজনৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাসমূহ হৈছে: অসম ক্ৰিকেট সন্থা, জিলা সংস্থা বা সংযুক্ত ক্লাবৰ অধীনত অনুষ্ঠিত যিকোনো ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত খেলুৱৈ হিচাপে অংশগ্ৰহণ কৰা, মেচ ৰেফাৰী, আম্পায়াৰ, প্ৰশিক্ষক বা অন্য যিকোনো ক ক্ৰিকেট-সম্পৰ্কীয় কাৰ্যত অফিচিয়েটিং কৰা, অসমৰ যিকোনো ক্ৰিকেটীয় কাৰ্যকাণ্ডত জড়িত হোৱা। অসম ক্ৰিকেট সন্থাই সকলো জিলা সন্থা আৰু ক্লাবসমূহক এই নিৰ্দেশ কঠোৰভাৱে পালন কৰিবলৈ স্পষ্ট নিৰ্দেশ দিছে। সন্থাৰ এগৰাকী জ্যেষ্ঠ বিষয়াই জনোৱা মতে, "খেলুৱৈসকলৰ বিৰুদ্ধে অহা অভিযোগ অতি গুৰুতৰ। ক্ৰিকেটৰ পৱিত্ৰতা ৰক্ষা কৰাটো আমাৰ প্ৰথম কৰ্তব্য।" উল্লেখ্য যে, এই চাৰিজনেই অসমৰ হয়গৈ ৰঞ্জী দলৰ নিয়মীয় খেলুৱৈ আছিল আৰু শেহতীয়া ৰঞ্জী মৌসুমতো অসমক প্ৰতিনিধিত্ব কৰিছিল। এই ঘটনাই অসমৰ ক্ৰিকেট মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## ১২ হাজাৰ পৃষ্ঠাৰ বৃহৎ চাৰ্জশ্বীট দাখিল SITৰ

লেনদেনৰ নথি-পত্ৰ, চিচিটিভি ফুটেজ, সাক্ষীৰ জেৰা আৰু বিশেষজ্ঞৰ মতামতকে ধৰি সকলো তথ্য-প্ৰমাণ সন্নিৱিষ্ট কৰা হৈছে। চাৰ্জশ্বীট দাখিলৰ পিছতে এছআইটিৰ মুৰব্বী তথা অতিৰিক্ত আৰক্ষী অধীক্ষক (এছডিজিপি পৰ্যায়ৰ বিষয়া) মুন্না প্ৰসাদ গুপ্তাই গুৱাহাটী আৰক্ষীৰ সদৰ কাৰ্যালয়ত এক সংবাদমেল সম্বোধি এই গোচৰৰ গুৰুত্বপূৰ্ণ দিশসমূহ সদৰি কৰে। তেওঁ জনোৱা মতে, এই হত্যাকাণ্ডত পোনপটীয়াকৈ জড়িত থকা চাৰিজন লোকৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা (BNS) ২০২৩ৰ ১০৩(১) ধাৰাৰ অধীনত হত্যাৰ গুৰুতৰ অভিযোগ আৰোপ কৰা হৈছে। এওঁলোক হৈছে— সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্ত। এওঁলোক চাৰিওজনৰ বিৰুদ্ধে অতিৰিক্তভাৱে BNSৰ ৩(৬)(৭)(৮) ধাৰা (কমন ইণ্টেন্সন বা একেলগে মিলি অপৰাধ সংঘটিত কৰা), ৬১(২) ধাৰা (অপৰাধমূলক ষড়যন্ত্ৰ) আৰু ৩১৬(৫) ধাৰা (বিত্তীয় খেলিমেলি আৰু অপৰাধমূলক বিশ্বাসঘাতকতা) আৰোপ কৰা হৈছে। বিশেষকৈ সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীৰ বিৰুদ্ধে বিত্তীয় লাভৰ উদ্দেশ্যেৰে ষড়যন্ত্ৰ কৰাৰ অভিযোগত ৩১৬(৫) ধাৰা সন্নিৱিষ্ট হৈছে। শ্যামকানু মহন্তৰ বিৰুদ্ধে অতিৰিক্তভাৱে ৩০৮(২) ধাৰা (ধনদাবীৰ উদ্দেশ্যেৰে হত্যা) আৰু ৩১৮(৪) ধাৰা (প্ৰৱঞ্চনা আৰু ঠগী)ৰ অভিযোগ আৰোপ কৰা হৈছে। তেওঁৰ লগতে অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধেও তথ্য-প্ৰমাণ ধ্বংস কৰাৰ অভিযোগত BNSৰ ২৩৮ ধাৰা যোগ কৰা হৈছে। আনহাতে জুবিন গাৰ্গৰ ভায়েক সন্দীপন গাৰ্গৰ বিৰুদ্ধে সৰ্বোচ্চ শাস্তি মৃত্যুদণ্ড থকা BNSৰ ১০৫ ধাৰা (মৃত্যুৰ দৰে গুৰুতৰ অপৰাধত সহায় কৰা বা প্ৰৰোচনা দিয়া) আৰোপ কৰা হৈছে। তদন্তত পোৱা গৈছে যে তেওঁ এই হত্যাকাণ্ডৰ পৰিকল্পনাত পৰোক্ষভাৱে জড়িত আছিল। জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্য নামৰ আন এজন নিকটৱৰ্তী সহযোগীৰ বিৰুদ্ধেও অপৰাধমূলক ষড়যন্ত্ৰ (৬১/২) আৰু অপৰাধমূলক বিশ্বাসঘাতকতা (৩১৬(৫))ৰ অভিযোগ উত্থাপন কৰা হৈছে। এছআইটিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই সংবাদমেলত কয়, "এইটো কেৱল এটা হত্যাকাণ্ড নহয়, ই এক সুপৰিকল্পিত বিত্তীয় ষড়যন্ত্ৰৰ ফচল। ডিজিটেল আৰু বিত্তীয় তথ্য-প্ৰমাণৰ ভিত্তিত আমি প্ৰমাণ কৰিবলৈ সক্ষম হৈছোঁ যে জুবিন গাৰ্গৰ বিপুল সম্পত্তি আৰু সম্পত্তিৰ ওপৰত কেইবাজনো লোকে চকু থৈছিল। এই গোচৰত এতিয়ালৈকে মুঠ সাতজন লোকক অভিযুক্ত কৰা হৈছে আৰু তদন্ত এতিয়াও কেইটামান দিশত চলি আছে।" উল্লেখ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ পিছত এই গোচৰ ৰাজ্যৰ সৰ্বোচ্চ পৰ্যায়ৰ নিৰীক্ষণত আছিল। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ নিৰ্দেশত গঠন কৰা এই এছআইটিয়ে মাত্ৰ তিনি মাহৰ ভিতৰতে এনে বিশাল চাৰ্জশ্বীট দাখিল কৰি তদন্তৰ গতি দেখুৱাইছে। আদালতে এতিয়া চাৰ্জ গঠনৰ প্ৰক্ৰিয়া আৰে আগবাঢ়িলে এই গোচৰৰ বিচাৰ অতি কম সময়ৰ ভিতৰতে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

## তৃতীয় দিনৰ পিছতো উদ্ধাৰ

লাভ কৰিব পৰা হোৱা নাই। নিৰুদ্দিষ্ট পাঁচগৰাকী হৈছে উপেশ কুমাৰ (বিশ্বনাথ, বাঘমাৰী), সাগৰ গৌতম (দিল্লী, গুৰগাঁৱ), ৰৌণক সাদাক (বঙাইগাঁও), প্ৰতাপ ৰায় (তেজপুৰ, ইটাখোলা), অভিজিৎ চৌধুৰী (গুৱাহাটী, উজানবজাৰ)ঘটনাৰ দিনা ইস্কন মন্দিৰৰ উদ্যোগত স্থাপিত খাৰঘুলিৰ ভক্তি কুটীৰ ৰাধা-গোবিন্দ মন্দিৰ দৰ্শন কৰিবলৈ গুৱাহাটীকে ধৰি বহিঃৰাজ্য আৰু বিদেশৰ পৰা মুঠ নজনীয়া ভক্তৰ এটা দল আহিছিল। মন্দিৰ দৰ্শনৰ পিছত তেওঁলোকে ব্ৰহ্মপুত্ৰৰ বালিচৰত খোজ কাঢ়ি গৈ গা ধোৱাৰ উদ্দেশ্যে পানীত নামিছিল। হঠাৎ সোঁতত উটুৱাই নিয়াত পাঁচগৰাকী নিৰুদ্দিষ্ট হয়। বাকী চাৰিগৰাকীয়ে সাঁতুৰি কোনোমতে পাৰলৈ উঠিবলৈ সক্ষম হয়। জীৱিতে ৰক্ষা পোৱা চাৰিগৰাকী হৈছে - প্ৰণৱ নায়াৰ (অষ্ট্ৰেলিয়া), জেকব কান্ত সেন, কেশৱ বাৰ্মা আৰু গুৱাহাটীৰ এগৰাকী স্থানীয় লোক। নিৰুদ্দিষ্ট অভিজিৎ চৌধুৰীৰ জ্যেষ্ঠ ভগ্নীয়ে জয়পুৰ ঘাটত কান্দোনত ভাগি পৰি কয়, "মোৰ ভায়েক ইস্কন মন্দিৰত দুপৰীয়া আহিছিল। তাৰ পিছত পানীত ডুব গৈছে বুলি খবৰ পালোঁ। লগত ৯জন আছিল। গা ধুবলৈ নামোতেই এনে হ'ল। আমি আগতে একো গম নাপালোঁ। ভায়েকৰ বেগ, ছেণ্ডেল, মোবাইল - একো পোৱা নাই। মন্দিৰ কৰ্তৃপক্ষইও একো স্পষ্টকৈ কোৱা নাই। সেয়েহে আমাৰ মনত সন্দেহৰ সৃষ্টি হৈছে। এতিয়া কেৱল সোনকালে উদ্ধাৰ হোৱাটোৱেই আশা কৰিছোঁ।" এছডিআৰএফৰ এগৰাকী ডুবাৰুৱাই জনায়, "পুৱা ৭.৩০ বজাৰ পৰাই অভিযান আৰম্ভ কৰিছোঁ। জয়পুৰ ঘাটৰ আশে-পাশে কোনো সূত্ৰ নাপাই এতিয়া দলটো শুৱালকুছিৰ ফালে আগবাঢ়িছে। পানীৰ তলত প্ৰচণ্ড সোঁত আৰু বালিৰ স্তৰ আছে। শৰীৰবোৰ বহু দূৰলৈ গতি কৰিব পাৰে। পোহৰ থকালৈকে অভিযান অব্যাহত থাকিব। আৰু এটা উদ্ধাৰকাৰী দলো আহি আছে।" ঘটনাৰ পিছতে ইস্কন মন্দিৰ কৰ্তৃপক্ষই বিষয়টোত নীৰৱতা অৱলম্বন কৰাৰ অভিযোগ উত্থাপন হৈছে। পৰিয়ালৰ লোকে দাবী কৰিছে যে মন্দিৰৰ পৰা কোনো ধৰণৰ সহায় বা স্পষ্ট তথ্য এতিয়ালৈকে দিয়া হোৱা নাই। তৃতীয় দিনটোতো ব্ৰহ্মপুত্ৰৰ পাৰত কেৱল অপেক্ষা, কান্দোন আৰু প্ৰাৰ্থনা। পাঁচটা পৰিয়ালৰ চকু এতিয়া কেৱল উদ্ধাৰকাৰী দলৰ ফালে।

## প্ৰদূষণৰ বিৰুদ্ধে চৰকাৰ

অধিবেশনতে হুলস্থুল, নিষেধাজ্ঞা, স্থগিতাদেশ আৰু ৱাকআউটৰ ছবিয়েই সাধাৰণ। কিন্তু আজি লোকসভাই এক বেলেগ ছবি দেখিলে। দেশৰ মেগা চহৰসমূহত ভয়ংকৰ ৰূপ ধাৰণ কৰা বায়ু প্ৰদূষণৰ বিষয়টোত চৰকাৰ আৰু বিৰোধী একেটা মঞ্চত একেলগে থিয় হৈছে। বিৰোধী দলীয় নেতা তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে আজি লোকসভাত দিল্লীকে ধৰি সমগ্ৰ দেশৰ ডাঙৰ ডাঙৰ চহৰত চলি থকা প্ৰদূষণৰ মহামাৰীৰ ওপৰত তাৎক্ষণিক আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। তেওঁ নিজৰ বক্তব্যত অতি আৱেগিক হৈ কয়, "আমাৰ বেছিভাগ মহানগৰ এতিয়া বিষাক্ত বতাহৰ কম্বলত আৱৰি আছে। লাখ লাখ শিশু হাঁওফাওঁৰ ৰোগত ভুগিছে। তেওঁলোকৰ ভৱিষ্যত ধ্বংস হৈ গৈছে। প্ৰাপ্তবয়স্কসকল কেন্সাৰত আক্ৰান্ত হৈছে। বৃদ্ধসকল শ্বাস ল'ব নোৱাৰা হৈছে। এইটো কোনো ৰাজনৈতিক বা মতাদৰ্শগত বিষয় নহয়, এইটো আমাৰ সকলোৰে জীৱন-মৰণৰ প্ৰশ্ন। মই বিশ্বাস কৰোঁ, এই বিষয়ত চৰকাৰ আৰু বিৰোধী দুয়োপক্ষই একমত হ'ব।" ৰাহুল গান্ধীয়ে স্পষ্টভাৱে কয় যে, এয়া এনে একমাত্ৰ বিষয় য'ত সমগ্ৰ সদনে একেলগে থিয় হৈ সমাধান বিচাৰিব পাৰে। তেওঁ সম্পূৰ্ণ দিনৰ বিতৰ্কৰ বাবে আনুষ্ঠানিক প্ৰস্তাৱ দাঙি ধৰে। আচৰিতভাৱে, কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা সংসদীয় কাৰ্য মন্ত্ৰী কিৰেন ৰিজিজুৱে তৎক্ষণাৎ সঁহাৰি জনায়। তেওঁ কয়, "ৰাহুল গান্ধীয়ে উত্থাপন কৰা বিষয়টো অতি গুৰুত্বপূৰ্ণ। আমি প্ৰথম দিনাৰ পৰাই কৈ আহিছোঁ যে যিকোনো জনসাধাৰণৰ সৈতে জড়িত বিষয়ত চৰকাৰ আলোচনা কৰিবলৈ সম্পূৰ্ণ সাজু। বিৰোধীয়ে দিয়া পৰামৰ্শক আমি সন্মান কৰোঁ আৰু একেলগে সমাধান বিচাৰিম। আমি এই আলৈ এই আলোচনা আৰম্ভ কৰাৰ ব্যৱস্থা কৰিম।" যোৱা কেইবছৰমানৰ পৰা প্ৰতি দীপাৱলীৰ পাছত দিল্লীৰ আকাশত বিষাক্ত কুঁৱলী নমাই আহে। এইবাৰো দেৱালীৰ পিছত দিল্লীৰ এয়াৰ কোৱালিটি ইনডেক্স (AQI) ৪০০ৰো ওপৰলৈ উঠি গৈছে, যিটো 'গুৰুতৰ' (Severe) শ্ৰেণীৰ। দিল্লী চৰকাৰে এইবাৰ কৃত্ৰিম বৰষুণৰ বাবে 'ক্লাউড ছিডিং' পৰীক্ষা কৰিছিল যদিও তিনিবাৰকৈ চেষ্টা কৰি প্ৰায় ১.০৭ কোটি টকা খৰচ কৰা সত্ত্বেও একো ফল নোপোৱা গৈছে। ইপিনে মুম্বাই, বেংগালুৰু, কলকাতা, লক্ষ্ণৌ, পটনা আদি চহৰতো প্ৰদূষণৰ মাত্ৰা দিনক দিনে বাঢ়িছে। এনে এক সংকটময় পৰিস্থিত সংসদত চৰকাৰ আৰু বিৰোধীৰ এই ঐকমত্যক ৰাজনৈতিক বিশ্লেষকসকলে 'অতি ইতিবাচক পদক্ষেপ' বুলি অভিহিত কৰিছে। সকলোৱে আশা কৰিছে যে এই আলোচনাৰ ফলত দেশৰ প্ৰদূষণ সমস্যাৰ এক বাস্তৱসন্মত আৰু দীৰ্ঘম্যাদী সমাধানৰ পথ মুকলি হ'ব। সংসদৰ ইতিহাসত এনে বিৰল মুহূৰ্তই প্ৰমাণ কৰে যে, জনস্বাৰ্থৰ বিষয়ত ৰাজনীতিৰ ওপৰত দেশ থিয় হ'ব পাৰে।

## অৰুণাচলৰ দুৰ্ঘটনাস্থলীত মন্ত্ৰী

হায়ুলিয়াঙত সংঘটিত শোকাৱহ দুৰ্ঘটনাত নিহত তিনিচুকীয়াৰ লোক কেইজনৰ উদ্ধাৰ অভিযানৰ তদাৰক কৰাৰ বাবে ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই আজি দুৰ্ঘটনাস্থলীত উপস্থিত হয়। তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণক লগত লৈ ডিব্ৰুগড়ৰ পৰা আঠঘণ্টীয়া যাত্ৰাৰ অন্তত দুৰ্ঘটনা সংঘটিত দুৰ্গম স্থানত উপস্থিত হৈ মন্ত্ৰী বড়াই পুৱাৰ পৰা উদ্ধাৰ অভিযান চলাই থকা জিলা প্ৰশাসন, ভাৰতীয় সেনা আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ বিষয়াসকলৰে আলোচনাত মিলিত হৈ উদ্ধাৰ অভিযানৰ বুজ লয়। হায়ুলিয়াঙৰ পৰা ৪২ কি: মি: নিলগৰ আৰু মইলিয়াং নামৰ ঠাইডোখৰ পাবলৈ ছয় কিলোমিটাৰ বাকী থকা অৱস্থাত সংঘটিত উক্ত দুৰ্ঘটনাটোত বাহনখনত থকা শ্ৰমিকসকলৰ ভিতৰত ৬গৰাকী শ্ৰমিকৰ মৃতদেহ সন্ধ্যা পৰ্যন্ত পাহাৰৰ মাজৰ দ' খাৱৈৰ পৰা উদ্ধাৰ কৰা হৈছে। প্ৰচণ্ড শীত আৰু দুৰ্ঘটনা সংঘটিত স্থান অত্যন্ত দুৰ্গম তথা বিপদসংকুল হোৱা বাবে উদ্ধাৰকাৰী দলে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। উল্লেখ্য যে, শ্ৰমিকসকলক কঢ়িয়াই নিয়া বাহনখন ৮ ডিচেম্বৰৰ নিশাই দুৰ্ঘটনাত পতিত হৈছিল যদিও এই দুৰ্ঘটনাটোত কোনোমতে প্ৰাণ ৰক্ষা পৰা শ্ৰমিক এজনে দুৰ্ঘটনাস্থলীত পৰা কোনোমতে কেইবা কিলোমিটাৰ খোজ কাঢ়ি গৈ দুদিন পিছতহে অৰ্থাৎ ১০ ডিচেম্বৰত এটা শ্ৰমিক শিবিৰত ইয়াৰ খবৰ দিছিল। তাৰ পৰাই পথ নিৰ্মাণৰ দায়িত্বত থকা জেনেৰেল ইঞ্জিনিয়াৰিং ৰিজাৰ্ভ ফৰ্চ, চমুকৈ 'গ্ৰিফ'ৰ চাউনিত দুৰ্ঘটনাৰ খবৰ প্ৰেৰণ কৰা হয়। ইয়াৰ পিছতহে আঞ্জাও জিলা প্ৰশাসনে ততাতৈয়াকৈ সেনা আৰু এন ডি আৰ এফৰ সহযোগত কালি উদ্ধাৰ অভিযান আৰম্ভ কৰে। ঘটনাটো সংঘটিত স্থান ইমানেই দুৰ্গম যে পুৱাৰে পৰা চলোৱা উদ্ধাৰ অভিযানৰ পাছত দুপৰীয়া প্ৰায় ২ মান বজাতহে প্ৰথমটো মৃতদেহ খাৱৈৰ পৰা ওপৰলৈ তোলা সম্ভৱ হয়। ইয়াৰ পূৰ্বে উদ্যোগ মন্ত্ৰী বড়াই অৰুণাচল প্ৰদেশৰ লোহিত জিলাত উপস্থিত হৈ জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু তেজুৰ আই টি বি পিৰ কমাণ্ডেণ্টৰ সৈতে দুৰ্ঘটনাত পতিত লোকসকলৰ উদ্ধাৰ অভিযান সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনাত অংশগ্ৰহণ কৰে আৰু তাৰ পাছতেই তেওঁ ঘটনাস্থলীলৈ ৰাওনা হয়। ঘন কুঁৱলী আৰু আন্ধাৰৰ বাবে হাবি-জংঘলেৰে পৰিপূৰ্ণ ঠাইখিনিত আজি সন্ধ্যা নামি অহাৰ লগে লগে উদ্ধাৰ অভিযান স্থগিত ৰখা হয় যদিও কাইলৈ পুৱাৰ পৰা পুনৰ উদ্ধাৰ কাৰ্য্য আৰম্ভ হ'ব। স্মতব্য যে, তিনিচুকীয়া চহৰৰ সমীপৱৰ্তী গেলাপুখুৰী চাহ বাগিছাৰ পৰা ২২গৰাকী লোকক অৰুণাচলৰ আঞ্জাও জিলালৈ নিৰ্মাণৰ কামৰ বাবে ঠিকাদাৰে বাহনেৰে লৈ গৈ থকা অৱস্থাত বাহনখন দুৰ্ঘটনাত পতিত হৈছিল। মন্ত্ৰী বড়াই কালি গেলাপুখুৰী চাহ বাগিছালৈ গৈ দুৰ্ঘটনাত নিহত আৰু আহত লোকসকলৰ পৰিয়ালৰ খবৰ লৈছিল।

## ৮৬ দিনৰ পিছতো সংকট মাৰ যোৱা নাই তেজপুৰ

অতিক্ৰম কৰিলেও কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ ফালৰ পৰা এতিয়াও কোনো আনুষ্ঠানিক সঁহাৰি নাহিল। এই দীৰ্ঘ মৌনতাক বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অনা-শৈক্ষিক কৰ্মচাৰীয়ে "অগ্ৰাহ্যযোগ্য পলম" আৰু "দায়িত্বহীনতা" বুলি তীব্ৰ সমালোচনা কৰিছে। শুকুৰবাৰে প্ৰতিবাদস্থলীত আয়োজিত সংবাদমেলত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধি অনন্যা দেৱী, দ্বীপনীল ৰয় আৰু অশুতোষ যাদৱে কয়, "মন্ত্ৰালয়ে অনানুষ্ঠানিকভাৱে লিখিত আশ্বাস দিছিল যে উপাচাৰ্যৰ বিৰুদ্ধে তদন্ত আৰম্ভ হ'ব। কিন্তু ৮৫ দিন পাৰ হ'লেও বিশ্ববিদ্যালয়লৈ এতিয়াও কোনো আনুষ্ঠানিক নিৰ্দেশনা অহা নাই। এই মৌনতাই কেম্পাছত অস্থিৰতা আৰু অনিশ্চয়তা কেৱল বৃদ্ধি কৰিছে।" উল্লেখ্য যে, যোৱা ৬ ডিচেম্বৰত কেন্দ্ৰীয় উচ্চ শিক্ষা সচিব তথা ইউজিচি অধ্যক্ষ ডঃ বিনীত যোশী আৰু যুটীয়া সচিব সৌম্য গুপ্তাৰ নেতৃত্বত এটা উচ্চপৰ্যায়ী প্ৰতিনিধি দল বিশ্ববিদ্যালয়ত উপস্থিত হৈছিল। দলটোৱে ছাত্ৰ সংগঠন, শিক্ষক সন্থা আৰু অনা-শৈক্ষিক কৰ্মচাৰী সন্থাৰ প্ৰতিনিধিৰ সৈতে পৃথকে পৃথকে বৈঠক কৰিছিল। বুলি জানিব পৰা গৈছে। বৈঠকৰ অন্তত সচিব বিনীত যোশীয়ে সংবাদ মাধ্যমৰ আগত কৈছিল যে সকলো পক্ষৰ লগত আলোচনা কৰা হৈছে আৰু ৭ ডিচেম্বৰত অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ অধ্যক্ষৰ সৈতে এই বিষয়ে বিস্তৃত আলোচনা কৰা হ'ব। কিন্তু এই বক্তব্যই ছাত্ৰ-শিক্ষক সমাজক সন্তুষ্ট কৰিব পৰা নাছিল। ফলত বিশ্ববিদ্যালয়ৰ মুখ্য প্ৰৱেশদ্বাৰত ছাত্ৰ-ছাত্ৰীয়ে পথ অৱৰোধ কৰি প্ৰতিনিধি দলটোক প্ৰায় তিনি ঘণ্টা আবদ্ধ কৰি ৰাখিছিল। পিছত এখন কাগজত হাতেৰে লিখা "তদন্ত আৰম্ভ হ'ব" বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছতহে ছাত্ৰসকলে পথ মুকলি কৰি দিছিল। বৰ্তমানো বিশ্ববিদ্যালয়ৰ সকলো শৈক্ষিক আৰু প্ৰশাসনিক কাৰ্যকলাপ সম্পূৰ্ণৰূপে স্থগিত হৈ আছে। ছাত্ৰ-শিক্ষক-কৰ্মচাৰীৰ যুটীয়া মঞ্চই ঘোষণা কৰিছে যে মন্ত্ৰালয়ৰ ফালৰ পৰা স্পষ্ট আৰু লিখিত নিৰ্দেশ নোপোৱালৈকে আন্দোলন অব্যাহত থাকিব। বিশ্ববিদ্যালয়ৰ এগৰাকী শিক্ষক নেতাই নাম প্ৰকাশ নকৰাৰ চৰ্তত কয়, "আমি আশা কৰিছিলো যে সচিব মহোদয়ৰ দৌৰাৰ পিছত বিষয়টোৰ কিবা এটা সমাধান ওলাব। কিন্তু ছয় দিন পাৰ হৈ গ'ল, এতিয়াও একো নহ'ল। এয়া ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ লগত খেলা-ধেমালি কৰাৰ সমান।" সমগ্ৰ বিশ্ববিদ্যালয় সমাজ এতিয়া একেখন প্ৰশ্নৰে উদ্বিগ্ন -কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে কেতিয়া সঁচাকৈয়ে এই সংকটৰ অন্ত পেলাব?

## গুৱাহাটী উচ্চ ন্যায়ালয়ক ৰংমহললৈ স্থানান্তৰৰ প্ৰস্তাৱক

হাইকোৰ্ট বাৰ এছ'চিয়েশ্যনে আয়োজন কৰা পাঁচদিনীয়া গণভোটত অংশগ্ৰহণ কৰা অধিবক্তাসকলৰ প্ৰায় ৮৬ শতাংশই এই স্থানান্তৰৰ বিৰোধিতা কৰিছে। আজি বিয়লি বাৰ এছ'চিয়েশ্যনৰ ৰিটাৰ্নিং অফিচাৰে প্ৰকাশ কৰা চূড়ান্ত ফলাফল অনুসৰি মুঠ ভোটদান: ১, ৩৫৮টা, স্থানান্তৰৰ বিপক্ষে: ১১, ১৬৪ ভোট (৮৫.৮৬ক্ষ), স্থানান্তৰৰ পক্ষে: ১৫৪ ভোট (১১.৩৪ শতাংশ), NOTA: ২৭ ভোট, বাতিল ভোট: ১৩টা। যোৱা ৮ ডিচেম্বৰৰ পৰা ১২ ডিচেম্বৰলৈকে চলা এই গণভোটৰ সিদ্ধান্ত ১ ডিচেম্বৰত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভা আৰু ৩ ডিচেম্বৰত হোৱা জৰুৰী সাধাৰণ সভাত গৃহীত হৈছিল। ২০২৬ চনৰ ১৭ জানুৱাৰীত ৰংমহলত নতুন হাইকোৰ্ট ভৱনৰ আধাৰশিলা স্থাপনৰ কাৰ্যসূচী ঘোষণা হোৱাৰ পিছতে অধিবক্তাসকলে এই গণতান্ত্ৰিক পদ্ধতিৰে নিজৰ মত প্ৰকাশ কৰাৰ সিদ্ধান্ত লৈছিল। অধিবক্তাসকলে মূল যুক্তি হিচাপে কয় যে ৰংমহলত পৰ্যাপ্ত গণপৰিবহণ, যাতায়াতৰ সুবিধা আৰু আন্তঃগাঁথনিৰ অভাৱ আছে। বৰ্তমানৰ উচ্চ ন্যায়ালয় চৌহদৰ চাৰিওকাষে কেইবা দশক ধৰি গঢ় লৈ উঠা অধিবক্তা চেম্বাৰ, কামৰূপ জিলা ন্যায়ালয়, ৰাজ্যিক আইন সেৱা ব'ৰ্ড, নোটাৰী কাৰ্যালয়, টাইপিং ইনষ্টিটিউট আদিৰ জৈৱিক ব্যৱস্থাটো ভাঙি পৰিব। ন্যায়প্ৰাৰ্থী ৰাইজৰ বাবে যাতায়াতৰ খৰচ আৰু সময় বৃদ্ধি পাব আৰু ন্যায় প্ৰ প্ৰৱেশাধিকাৰ হ্ৰাস পাব। জ্যেষ্ঠ অধিবক্তা তথা বাৰ এছ'চিয়েশ্যনৰ প্ৰাক্তন সভাপতি এগৰাকীয়ে কয়, "আমি কেতিয়াও উন্নয়নৰ বিৰোধী নহয়। কিন্তু উন্নয়ন যাতে বাস্তৱসন্মত আৰু সকলোৰে বাবে সুবিধাজনক হয়, সেই কথা চৰকাৰে ভাবিব লাগে। ৰংমহললৈ গ'লে গুৱাহাটীৰ লাখ লাখ ন্যায়প্ৰাৰ্থীৰ দুৰ্ভোগ বাঢ়িব।" যদিও উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ চূড়ান্ত সিদ্ধান্ত ৰাজ্য চৰকাৰ আৰু ন্যায়পালিকাৰ হাতত থাকিব, তথাপি এই গণভোটৰ ফলাফলে স্পষ্ট কৰি দিছে যে আইনী সমাজৰ বিপুল সংখ্যক সদস্য এই পৰিকল্পনাৰ বিৰোধী। বাৰ এছ'চিয়েশ্যনে অতি সোনকালেই এই গণভোটৰ ফলাফল ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু মুখ্য ন্যায়াধীশৰ ওচৰত আনুষ্ঠানিকভাৱে দাখিল কৰিব বুলি জানিব পৰা গৈছে। অধিবক্তাসকলে এইবাৰ গণতান্ত্ৰিকভাৱে নিজৰ মত জনাই দিলে। এতিয়া সকলোৰে চকু চৰকাৰ আৰু ন্যায়পালিকাৰ পৰৱৰ্তী পদক্ষেপৰ ফালে।

### বৰক্ষেত্ৰীত ন-পুৰণি শিক্ষাগুৰুৰ মহামিলন

# কালদি গোপালথান হাইস্কুলৰ প্ৰাক্তন শিক্ষক-কৰ্মচাৰীক আনুষ্ঠানিক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১২ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কালদিত ১৯৭৮ চনতে স্থাপিত কালদি গোপালথান হাইস্কুলত আজি সুদীৰ্ঘ বছৰৰ পিছত প্ৰাক্তন শিক্ষকৰ সৈতে বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ মহামিলন ঘটে। বিদ্যালয়খনৰ প্ৰাক্তন চাৰিগৰাকীকৈ শিক্ষকসহ সৰ্বমুঠ পাঁচজন শিক্ষক- কৰ্মচাৰীক আজি অনুষ্ঠানিক বিদায় সম্বৰ্ধনা জনোৱা হয়। সভাৰ মাজতে সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক একোখনকৈ মানপত্ৰ, ধৰ্মগ্ৰন্থ, কাঁহৰ বঁটা, পিতলৰ জাপি, পোছাক, ছাতি, ফুলাম গামোচা, কলম আদিৰে বিদায়ী সম্বৰ্ধনা জনায় বিদ্যালয় কৰ্তৃপক্ষই। বৰক্ষেত্ৰীৰ বিশিষ্ট শিক্ষাবিদ, শিক্ষাব্ৰতীৰ উপস্থিতিত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ সভাখনত সভাপতিত্ব কৰে কালদি গোপালথান হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক নগেন দাসে। কালদি গোপালথান হাইস্কুলৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বসন্ত তালুকদাৰ, সহকাৰী শিক্ষক মাধৱ মেধি, অনিৰুদ্ধ বৰ্মণ, চকিন চন্দ্ৰ তালুকদাৰৰ লগতে চতুৰ্থ বৰ্গৰ কৰ্মচাৰী তৰণী ৰাজবংশীক আজি আনুষ্ঠানিক বিদায় সম্বৰ্ধনা জনোৱা হয়। কালদি গোপালথান হাইস্কুলত এসময়ত শিক্ষকতা কৰা শিক্ষক ব্ৰজেন শৰ্মাকে ধৰি বিভিন্ন প্ৰান্তৰ লোকেৰে পৰিপূৰ্ণ হৈ পৰে সভাখন। কালদি গোপালথান হাইস্কুলৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছবিন চন্দ্ৰ কলিতা আৰু বিদ্যালয়খনৰ একাডেমিক তত্ত্বাৱধায়ক তথা জ্যেষ্ঠ শিক্ষক যতীন্দ্ৰ ৰাজবংশীৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানটিত কালদি গোপালথান হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক বীৰেন দাস, আব্দুল হামিদ, জুনুমনি মেধি ৰয়, নিতুল চন্দ্ৰ বৰ্মণ, ব্ৰজেদ্ৰ ৰাজবংশী, প্ৰনতি ডেকা, ৰৌচান আলী আহমেদ, নয়ন ডেকা, ৰিজুৱান আহমেদ, নাজিম আলী, গোবিন্দ হালৈ, মৰিয়ম আখতাৰা, দ্বীপশিখা দেৱী, কাৰ্যালয় সহায়ক মনীষা বৈশ্য, চতুৰ্থবৰ্গৰ কৰ্মচাৰী ফজৰুল আলীৰ লগতে অঞ্চলটোৰ জ্যেষ্ঠ শিক্ষাব্ৰতী গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে। শিক্ষা বিষয়ক বিভিন্ন পৰামৰ্শ আৰু আলোচনাৰ অন্তত সদৌটিয়ে "অ' মোৰ আপোনাৰ দেশ" পৰিৱেশনেৰে সভাখনৰ অন্ত পৰে।

## জাঁজী মৰানছিগাত সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতাৰ বৰ্ণাঢ্য আয়োজন, লাইখুঁটা স্থাপন

**অসম বাৰ্তা, জাঁজী, ১২ ডিচেম্বৰ ঃ** ঐতিহাসিক শিৱসাগৰ জিলাৰ জাঁজী মৰাণছিগা অঞ্চলৰ "মহা ভৈৰৱ সাংস্কৃতিক গোষ্ঠী"ৰ উদ্যোগত তথা জাঁজীবাসী ৰাইজৰ সহযোগত অহা জানুৱাৰী মাহৰ ৫, ৬, ৭, ৮ আৰু ৯ তাৰিখে উঠি অহা নৱ প্ৰজন্ম তথা শিশু সকলক সাংস্কৃতিক আৰু আধ্যাত্মিক দিশৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যৰে সদৌ অসম ভিত্তিত এলানি শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি স্থানীয় সকলো ৰাইজ একত্ৰিত হৈ অনুষ্ঠানৰ লাই খুটা স্থাপন কৰা হয়। আজিৰ অনুষ্ঠানত অৱসৰ প্ৰাপ্ত শিক্ষক ও সমাজ কৰ্মী গোবিন শইকীয়া, অঞ্চলটোৰ একমাত্ৰ শিল্পী পেঞ্চনাৰ থানেশ্বৰ দত্ত, অৱসৰ প্ৰাপ্ত শিক্ষক গিৰীন্দ্ৰ নাথ চেতিয়াকে আদি কৰি প্ৰতিযোগিতাৰ মূল উদ্যোক্তা, মহা ভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ সমূহ বিষয়ববীয়া, আৰু উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে। আনহাতে গায়ন-বায়ন পৰিবেশন কৰি নীতি নিয়মৰ মাজেৰে আজি লাইখুঁটা স্থাপন কৰা হয়।

## মাৰ্ঘেৰিটাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৩ ঘণ্টীয়া মৌন অৱস্থান ধৰ্মঘট কাৰ্যসূচী

**'কা' আন্দোলনত প্ৰাণাহুতি দিয়া পাঁচজনকৈ সুঠাম যুৱকক শ্বহীদ মৰ্যাদা প্ৰদানৰ দাবী**

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১২ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি মাৰ্ঘেৰিটা বাচ আস্থানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিয়ে মুখত ক'লা কাপোৰ বান্ধি 'কা' (CAA) বাতিল আৰু পঞ্চ শ্বহীদক চৰকাৰী ভাবে শ্বহীদ মৰ্যাদা প্ৰদানৰ দাবীত ৩ ঘণ্টীয়া মৌন অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। এই কাৰ্যসূচীত সংগঠনৰ বিভিন্ন শাখাৰ অৰ্ধশতাধিক সদস্যই অংশগ্ৰহণ কৰে। মৌন অৱস্থানেৰে তেওঁলোকে দাবী উত্থাপন কৰে যে— 'কা' বিৰোধী গণআন্দোলনৰ সময়ত পুলিচৰ নিৰ্মম অত্যাচাৰ আৰু গুলিচালনাৰ ফলত প্ৰাণাহুতি দিয়া পঞ্চ শ্বহীদক চৰকাৰীভাৱে শ্বহীদৰ মৰ্যাদা প্ৰদান কৰা দাবী জনায়। শ্বহীদ সকলৰ ত্যাগক শ্ৰদ্ধা জনাই চৰকাৰে পঞ্চ শ্বহীদৰ পৰিয়ালসমূহক ন্যায্য মৰ্যাদা আৰু সহায়-সহযোগ আগবঢ়াব লাগিব বুলি উল্লেখ কৰি 'কা' বাতিল নোহোৱালৈ আৰু পঞ্চ শ্বহীদক চৰকাৰী ভাবে স্বীকৃতি নোপোৱালৈকে পৰিষদৰ আন্দোলন অব্যাহত থাকিব বুলিও সকিয়াই দিয়ে জিলা সভাপতি কাঞ্চন বৰাই।

**কৰ্মোদ্যমী তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপত ৰহা সমষ্টিৰ ৰাইজে উন্নয়নৰ বাট দেখা পাইছে ঃ বিধায়ক শশীকান্ত দাস**

## বিধায়ক শশীকান্ত দাসৰ কেইবাটাও পথৰ আধাৰশিলা স্থাপন



**অসম বাৰ্তা, নগাঁও, ১২ ডিচেম্বৰ ঃ** "মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনি"ৰ অধীনত আজি নৱগঠিত ৰহা সমষ্টিৰ অন্তৰ্গত কেইবাটাও পথৰ আধাৰশিলা স্থাপন কৰে বিধায়ক শশীকান্ত দাসে। উক্ত পথকেইটা হৈছে ক্ৰমে- "বৰক'লা সিং গাঁৱৰ পৰা টুবুকি বৰডুবা শ্মশান ঘাট (বৰক'লা গুৰুদ্বাৰ হৈ) পথ", "মেটেকাৰ পৰা জাগিয়াল তিনিআলি পথ", "দেৱনাৰিকলি তিনিআলিৰ পৰা বুন্দুৰা, বুটিকুৰা হৈ মুগাচুঙীয়া গাঁৱৰ পথ" আৰু "নখগুা বামুণী গোসাইঁ থানৰ পৰা কিচাম পথ"। দীৰ্ঘদিনৰ পৰা প্ৰায় জৰাজীৰ্ণ অৱস্থাত থকা পথ কেইটাৰ আধাৰশিলা স্থাপন কৰে নৱগঠিত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে। আধাৰশিলা স্থাপন কৰি বিধায়ক শশীকান্ত দাসে কয় - বৰ্তমানৰ কৰ্মোদ্যমী তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ দিনত সকলো প্ৰকাৰৰ উন্নয়ন সম্ভৱ হৈছে। গ্ৰামাঞ্চলৰ বাট পথকে ধৰি দলং আদি নিৰ্মাণ তৰান্বিত হৈছে। যাৰ ফলত গ্ৰামাঞ্চলৰ সৰ্বসাধাৰণ লোকৰ যাতায়তৰ পথ সুচল হৈছে। এই পথসমূহৰ নিৰ্মাণে অঞ্চল সমূহৰ ৰাইজৰ দীৰ্ঘকালীন সমস্যাৰ ওৰ পেলোৱাৰ লগতে আগন্তুক দিনত আটাইকে আৰ্থ-সামাজিক দিশত উপকৃত কৰিব বুলি উল্লেখ কৰে। লগতে তেওঁ কয় যে, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰতিটো সমষ্টিৰ বাট-পথবোৰ সুচল আৰু সুদৃঢ় কৰি তোলাৰ ক্ষেত্ৰত নিৰালস্যভাৱে প্ৰয়াস কৰিছে। ৰহা সমষ্টিৰ বাট পথৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰী গৰাকীয়ে যথেষ্টখিনি সহায়-সহযোগ কৰিছে বাবে আজি ৰহা সমষ্টিৰ বহু কেঁচা পথে নতুন ৰূপ পাবলৈ সক্ষম হৈছে। কৰ্মোদ্যমী তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপত ৰহা সমষ্টিৰ ৰাইজে আজি উন্নয়নৰ বাট দেখা পাইছে। আজিৰ এই আধাৰশিলা অনুষ্ঠানত নগাঁও জিলা বিজেপিৰ উপ সভাপতি সুৱৰ্ণ সিং, পাখিমৰীয়া জামুগুৰি জিলা পৰিষদৰ সদস্য অৰ্ণৱ দাস, চাপৰমুখ জিলা পৰিষদৰ সদস্যা জোনালীম দাস ডেকা, কমাৰগাঁও মণ্ডলৰ সভাপতি ভাস্কৰ পাটৰ, লোকনিৰ্মাণ বিভাগৰ সংমণ্ডল বিষয়া আব্দুল ৰৌফ, আমতলা মাগুৰ গাঁও পঞ্চায়তৰ সভাপতি যতীন দাস, আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## 'সৰ্বোদয়ম্' উন্মোচন

**অসম বৰ্তা, পশ্চিম যোৰহাট, ১২ ডিচেম্বৰ ঃ** যোৰহাট মালৌপথাৰৰ সৰ্বোদয় জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ (২০২৪-২৫ বৰ্ষ) 'সৰ্বোদয়ম্' ১১ ডিচেম্বৰত বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত আনুষ্ঠানিকভাৱে উন্মোচন কৰে যোৰহাটৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) মগেন নৰহে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খগেশ্বৰ বৰাৰ সভাপতিত্বত প্ৰবক্তা হেম বৰাই আঁতধৰা, মুখপত্ৰখনৰ সম্পাদক পাৰ্শ্ববিতা শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অধ্যক্ষ জয়ন্ত বৰদলৈয়ে আদৰণী ভাষণৰ লগতে 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে চাৰিখন বিদ্যালয় একত্ৰীকৰণ চৰকাৰৰ নিৰ্দেশত কৰা হ'ল বুলি উল্লেখ কৰি ১৯৮৫ চনতে প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনৰ সম্পৰ্কে উল্লেখ কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ চন্দ্ৰ বৰা, স্থানীয় সংবাদদাতা ৰমেন শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণ কুমাৰ দাসে বক্তব্য আগবঢ়োৱা সভাত মুখপত্ৰখন উন্মোচন কৰি অতিৰিক্ত আয়ুক্তগৰাকীয়ে বিদ্যালয় একোখনৰ মুখপত্ৰই শিক্ষাৰ্থীসকলক সাহিত্য চৰ্চাত উৎসাহিত কৰে বুলি উল্লেখ কৰি সকলো শিক্ষাৰ্থীকে শিক্ষা গ্ৰহণত অধিক গুৰুত্ব দি উচ্চ চিন্তা কৰিবলৈ আহ্বান জনায়। বিদ্যালয়খনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত ৬৮০ গৰাকী শিক্ষাৰ্থীৰ লগতে ২৩ গৰাকী শিক্ষক, প্ৰবক্তা উপস্থিত থাকে। বক্তব্য প্ৰসংগত প্ৰবক্তা হেম বৰাই ২০০৯ চনৰপৰা বুৰঞ্জী, ২০১০ চনৰপৰা অসমীয়া, ২০১৯ চনৰপৰা দৰ্শন, ২০২৫ চনৰ জুলাইৰপৰা অৰ্থনীতি বিষয়ৰ বিষয় শিক্ষকৰ লগতে মুঠ ১৯টা পদ খালী হৈ আছেবুলি উল্লেখ কৰাৰ লগতে বিদ্যালয়খনত বৰ্তমান এজনো কাৰ্যালয় সহায়ক নাই বুলি কয়। ১৪ গৰাকী প্ৰবক্তাই ৪৬৫ গৰাকী শিক্ষাৰ্থীক পাঠদান কৰিবলগীয়া হোৱাত আৰু কাৰ্যালয়ৰো কাম-কাজ কৰিবলগীয়া হোৱাত সমস্যাৰ বিষয়ে উল্লেখ কৰি অতিৰিক্ত আয়ুক্তগৰাকীক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাখনতে আহ্বান জনায়। 'ক'ৰ পৰা দশমলৈ ৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে ২১৫ গৰাকী শিক্ষাৰ্থীক পাঠদান কৰিবলগীয়া হোৱাত আন এক সমস্যাৰ উদ্ভৱ হৈছে। অতিৰিক্ত আয়ুক্ত (শিক্ষা)-গৰাকীয়ে শিক্ষানুষ্ঠানখনৰ শৈক্ষিক সমস্যা দূৰীকৰণৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

**জুবিন গাৰ্গৰ মায়াবিনী গীতৰ মূৰ্চ্ছনাত জীপাল বিদ্যালয় প্ৰাংগণ**

# বেবেজীয়া ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ নৱাগত আদৰণি সভা-সাংস্কৃতিক অনুষ্ঠান

### বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰ বৃহত্তৰ বেবেজীয়া অঞ্চল




**অসম বাৰ্তা, নগাঁও, ১২ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়া অঞ্চলৰ স্ত্ৰী-শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত বেবেজীয়া ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱাগত আদৰণি সভা আৰু বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আজি উখল-মাখল পৰিবেশত পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে বিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষাব্ৰতী উপেন বৰাই। পৰৱৰ্তী সুধাকণ্ঠৰ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা অধিবক্তা দণ্ডধৰ হাজৰিকাই। লগতে অমৃতকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ উপাধ্যক্ষ ৰঞ্জন হাজৰিকাই। ইয়াৰ পিছতে বিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰীসকলে অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী গীতটি সমস্বৰে পৰিবেশনৰে বিদ্যালয়ৰ প্ৰাংগণ জীপাল কৰি তোলে। পৰৱৰ্তী জাতি-জনগোষ্ঠী, বিভিন্ন কৃষ্টি-সংস্কৃতিৰ লগতে অসমীয়া সমাজ ব্যৱস্থাক প্ৰতিফলন ঘটা নান্দনিক শোভাযাত্ৰাটি উদ্বোধন কৰি লেখক-সাংবাদিক দেৱজিৎ হাজৰিকাই কয় যে শৈক্ষিক উত্তৰণৰ লগতে ঐতিহ্যৰ ধ্বজা উৰুৱাই অহা অঞ্চলৰ একমাত্ৰ এই বিদ্যালয়খনৰ সাংস্কৃতিক পৰিৱেশ জিলাখন তথা মধ্য অসমৰ ভিতৰতে গৰিমামণ্ডিত। তেওঁ আৰু কয় যে মহাপুৰুষ গুৰুজনাৰ আদৰ্শৰে আমি সকলোৱে ঐক্য-সমন্বয়েৰে বাট বুলিব লাগিব। বিদ্যালয়ৰ জ্যেষ্ঠ বিষয় শিক্ষয়িত্ৰী ৰুমী লস্কৰৰ পৰিচালনাত অনুষ্ঠিত হোৱা সাংস্কৃতিক শোভাযাত্ৰাত ৰাম লক্ষ্মণ সীতা, গায়নবায়ন (বাৰ বৈষ্ণৱ) ৰাধা-কৃষ্ণ, কৃষ্ণ-বলৰাম, শংকৰ মাধৱ, সত্ৰীয়া, কনকলতা/ঝাঞ্চী ৰাণী, জুবিন-গৰিমা, ডাক্তৰ-নাৰ্চ, ৰোৱনী-দাৱনী মাছমৰীয়া, খেলুৱৈ, ছাত্ৰী, উকীল-অভিনেত্ৰী, সেউজী ধৰণী, নামতী, দৰা-কইনা, আয়তী, গোপী, শিক্ষয়িত্ৰী, স্বচ্ছভাৰত, আহোম, তিৱা, মিছিং, বড়ো, গাঁৱলীয়া আৰু চহৰীয়া বোৱাৰী, বিহুৱতী আদি বিষয়েৰে এটি নান্দনিক শোভাযাত্ৰা উলিওৱা হয়। উক্ত বৰ্ণিল সাংস্কৃতিক চাৰিকিলোমিটাৰ পদযাত্ৰা শোভাযাত্ৰাটিয়ে বৃহত্তৰ বেবেজীয়াৰ পথচাৰীৰ আকৰ্ষণ কৰাৰ লগতে মুখৰিত কৰি তোলে। ইয়াৰ পিছতে বন্তি প্ৰজ্বলনেৰে নৱাগত আদৰণি সভাৰ মঞ্চ উদ্বোধন কৰে বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰাই। ঘোষা পৰিবেশন কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিনন্দ বৰদলৈয়ে। পৰৱৰ্তী অনাতাঁৰ শিল্পী গম্ভীৰ নাথ ৰচিত সমবেত সংগীত পৰিবেশন কৰে বিদ্যালয়ৰ ছাত্ৰীসকলে। অধ্যক্ষ উপেন বৰাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানৰ আঁতধৰে বিষয় শিক্ষয়িত্ৰী দীপিকা দাস আৰু পপী ভূএগই। পৰৱৰ্তী ছাত্ৰী-সকলৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত দশৱতাৰ নৃত্য, বিভিন্ন নৃত্য আৰু গীত মাতেৰে বাৰেৰহনীয়া অনুষ্ঠানটি মুখৰিত হৈ পৰে। ইয়াৰ পিছত সাজ-পাৰ, সৌন্দৰ্য প্ৰতিযোগিতা আদি মনোৰঞ্জন ধৰ্মী অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে বিয়লিৰ ভাগত অনুষ্ঠিত হোৱা অনুষ্ঠানত বিদ্যালয়ৰ কেবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু কৃতী ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত অনুষ্ঠানতে বিশিষ্ট অনাতাঁৰ শিল্পী গম্ভীৰ নাথ, ৰঞ্জন হাজৰিকা আৰু নয়নজ্যোতি শইকীয়াক শিল্পী সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া বিদ্যালয়ৰ প্ৰাংগণত বন্তি প্ৰজ্বলনৰ পিছতে নৱাগত আদৰণি আৰু সাংস্কৃতিক অনুষ্ঠানৰ সামৰণি পৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানটিত অঞ্চলৰ বিশিষ্ট গণ্য-মাণ্য ব্যক্তি সকলৰ লগতে বহু সংখ্যক দৰ্শক ৰাইজ উপস্থিত থাকে।

## যোৰহাটৰ ম'হবন্ধাত ৭০ বছৰীয়া বৃদ্ধাক হত্যা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ ডিচেম্বৰ ঃ** যোৰহাট পুলিবৰ থানাৰ এলেকাভুক্ত ম'হবন্ধা চাহ বাগিচাৰ ১৫ নং লাইনত চাহ বাগিচাৰ মাজত আজি পুৱা এগৰাকী ৭০ বছৰীয়া মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। মহিলাগৰাকী ১৪ নং পুৰণা লাইনৰ নিৱাসী বীৰবল তাঁতীৰ পত্নী কুন্তী তাঁতী (৭০) বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণী মতে, মহিলাগৰাকী কালি সমীপৰে ভায়েকৰ ঘৰলৈ গৈছিল আৰু সন্ধিয়া প্ৰায় ৬ বজাত ভায়েকৰ ঘৰৰ পৰা ওলাই অহাৰ পাছতে মহিলাগৰাকী নিৰুদ্দেশ হয়। পৰিয়ালৰ লোকে নিশা বিচাৰ-খোচাৰ কৰিও সন্ধান নাপালে। আজি পুৱা মহিলাগৰাকীৰ মৃতদেহ অৰ্ধ উলংগ অৱস্থাত ১৫ নং লাইনত চাহ বাগিচাৰ মাজত উদ্ধাৰ হয়। মহিলাগৰাকীক মূল পথতে হত্যা কৰি চোঁচৰাই নি চাহ বাগিচাৰ মাজত পেলাই থৈ যোৱাৰ চিন প্ৰত্যক্ষ কৰা হৈছে। চোঁচৰাই নিওতে মহিলাগৰাকীৰ গাৰ কাপোৰ পথত পৰি গৈছিল। চকুৰে কম দেখা মহিলাগৰাকীৰ বুকুত আঘাতৰ চিন স্পষ্ট হৈ আছে। ঘটনাস্থলীত আৰক্ষীয়ে টুপী, চোকা অস্ত্ৰৰ লগতে মহিলাগৰাকীৰ কাপোৰ-কানিও উদ্ধাৰ কৰিছে। ঘৰৰ পৰা প্ৰায় ২ কিলোমিটাৰ আঁতৰত মহিলাগৰাকীক কোনে হত্যা কৰিলে তাৰবাবে আৰক্ষীৰ উচ্চপদস্থ বিষয়াসহ পুলিবৰ থানাৰ আৰক্ষীৰ দল উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰিছে। মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জে এম চি এইছলৈ আৰক্ষীয়ে প্ৰেৰণ কৰিছে। ইফালে, হত্যাকাৰীক চিনাক্ত কৰিবৰ বাবে স্নিফাৰ ডগ লৈ আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে। বাতৰি লেখাৰ পৰলৈকে আৰক্ষীয়ে হত্যাকাৰীক চিনাক্ত কৰিব পৰা নাই। ৰাগিয়াল দ্ৰব্য সেৱন কৰা লোকে বৃদ্ধাগৰাকীক হত্যা কৰা বুলি স্থানীয় লোকে সন্দেহ কৰিছে। তিনিগৰাকী পুত্ৰ-বোৱাৰী, কন্যা, নাতি-নাতিনীসহ আত্মীয়সকলক এৰি থৈ যোৱা মহিলাগৰাকী ম'হবন্ধা চাহ বাগিচাৰে জীয়াৰী আৰু বোৱাৰী আছিল। মাকৰ ঘৰলৈ প্ৰায়ে অহা-যোৱা কৰি থকা আৰু সকলোৰে প্ৰিয় মহিলাগৰাকীক কোনে হত্যা কৰিলে তাক চিনাক্ত কৰি উচিত শাস্তি প্ৰদান কৰিবলৈ আৰক্ষীৰ প্ৰতি স্থানীয় লোকসকলে আহ্বান জনাইছে।

## বজৰংগ দল, পাথৰিঘাট প্ৰখণ্ডৰ উদ্যোগত জুবিন গাৰ্গ সোঁৱৰণী কাবাডী খেল সম্পন্ন

**অসম বাৰ্তা, পাথৰিঘাট, ১২ ডিচেম্বৰ ঃ** পশ্চিম দৰং প্ৰেছক্লাৱ প্ৰাংগণত বিশ্ব হিন্দু পৰিষদ, বজৰংগ দল, দৰং জিলা পাথৰিঘাট প্ৰখণ্ডৰ উদ্যোগত হিয়াৰ আমঠু জুবিন গাৰ্গ সোঁৱৰণী কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাতিপুৱা বন্তি প্ৰজ্বলন, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু জংকী বৰঠাকুৰলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতেই ভিন্নপান্তৰ প্ৰায় ২০টা দলে অংশগ্ৰহণ কৰা আকৰ্ষণীয় খেলখন শুভ উদ্বোধন কৰে বিশ্বহিন্দু পৰিষদৰ ক্ষেত্ৰমন্ত্ৰী কুমুদ বৰঠাকুৰে। এখন নিচামুক্ত দেশ তথা সমাজ গঢ়াৰ প্ৰয়াসেৰে শাৰীৰিক মানসিক বিকাশৰ বাবে অনুষ্ঠিত হাৰ্টথ্ৰব জুবিন গাৰ্গ সোঁৱৰণী কাবাডী খেলৰ অনুষ্ঠানত বিশ্বহিন্দু পৰিষদ দৰংজিলা সমিতিৰ সভাপতি প্ৰাঞ্জল গোস্বামী, সম্পাদক দ্বীপেন ডেকা, বিশ্ব হিন্দু পৰিষদৰ ছাত্ৰপ্ৰমুখ অভিষেক ঠাকুৰ, সমাজসেৱী গোপাল ডেকাসহ ভালেমান কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে। আকৰ্ষণীয় কাবাডী খেল খনত চূড়ান্ত বিজয়ী সন্মান লাভ কৰে মঙলদৈ কাবাডী দল আৰু দ্বিতীয় বিজয়ীৰ স্থান লাভ কৰে বেজেৰা আঞ্চলিক কাবাডী দলে। খেলখন পৰিচালনা কৰে ভগিৰথ চেত্ৰী আৰু অৰিন্দম শৰ্মাই। আনহাতে হিয়াৰ আমঠু জুবিন গাৰ্গ সোঁৱৰণী কাবাডী খেল প্ৰতিযোগিতাৰ সমূহ কাৰ্যসূচীত দৰ্শক ৰাইজৰ সহায় সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে বজৰংগ দল উত্তৰ পূৱ প্ৰান্তৰ সহঃ সংযোজক মিলন কলিতা আৰু পাথৰিঘাট প্ৰখণ্ড, বজৰংগ দলৰ সংযোজক মিণ্টু কলিতাই।

## গলিয়াত অচিনাক্ত মৃতদেহ উদ্ধাৰ; অঞ্চলজুৰি চাঞ্চল্য

**অসম বাৰ্তা, জনীয়া, ১২ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰ ও হাউলী থানাৰ অন্তৰ্গত গলিয়াত অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ। উল্লেখ্য যে এদিন পূৰ্বে গলিয়াত AS15AD1999নম্বৰৰ এখন দুচকীয়া গৰাকী বিহীন MT বাহন প্ৰত্যক্ষ কৰিছিল স্থানীয় ৰাইজে। পৰৱৰ্তী সময়ত গৰাকী বিহীন বাহন ৰৈ থকাৰ তথ্য হাউলী আৰক্ষীক অৱগত কৰিছিল ৰাইজে। আজি পুৱা আনুমানিক ১০ বজাত ঘাঁহ কাটিবলৈ যোৱাৰ সময়ত এজন সৰু ল'ৰাই গলিয়া চৰত প্ৰত্যক্ষ কৰে এজন যুৱকৰ মৃতদেহ আৰু আৰম্ভ হয় হুৱা দুৱা। বাতৰি লেখা পৰলৈকে মৃতদেহৰ পৰিচয় পোৱা নাই। মৃত যুৱকজনৰ আনুমানিক বয়স ২৫ বছৰ হ'ব বুলি ধাৰণা কৰা হৈছে। স্থানীয় ৰাইজে ঘটনাৰ সবিশেষ হাউলী থানাত অৱগত কৰাত ঘটনাস্থলীত হাউলী আৰক্ষী আৰু দণ্ডাধীশ উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। ইপিনে মৃতদেহৰ হাতত এটা গেছ লাইট আৰু কাষত পানীৰ বটল পোৱা গৈছে আৰু কাণৰে সামান্য তেজ যোৱা পৰিলক্ষিত হৈছে। অত্যধিক নিচা সেৱনৰ বাবেও এই ঘটনা সংগঠিত হ'ব পাৰে বুলি ধাৰণা কৰা হৈছে যদিও এয়া হত্যাকাণ্ড নে আত্মহত্যা নে অন্য কোনো ৰহস্য আছে সেয়া আৰক্ষীৰ তদন্তত স্পষ্ট হ'ব।

## হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন উপলক্ষে বঙাইগাঁৱত অন্ধবিশ্বাস কু-সংস্কাৰ বিৰোধী দিৱস পালন

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ১২ ডিচেম্বৰ ঃ** ১০ ডিচেম্বৰৰ দিনটো প্ৰতি বছৰে আধুনিক অসমৰ এগৰাকী সংস্কাৰক, হেম কোষৰ শ্ৰষ্টা হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন পালন কৰি আহিছে ইলোৱা বিজ্ঞান মঞ্চই। তেওঁৰ জন্মদিনটো প্ৰতি বছৰে ৰাজ্যজুৰি অন্ধবিশ্বাস আৰু কু-সংস্কাৰ বিৰোধী দিৱস হিচাপেও পালন কৰি আহিছে ইলোৱা বিজ্ঞান মঞ্চই। গোটেই ৰাজ্য খনৰ লগতে বঙাইগাঁৱতো দুদিনীয়া ভাবে বঙাইগাঁও প্ৰেছ ক্লাবত পালন কৰা হয় এই মহান ব্যক্তি গৰাকীৰ জন্মদিন। ইলোৱা বিজ্ঞান মঞ্চৰ বঙাইগাঁও শাখাৰ উদ্যোগত আৰু বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সহযোগত পালন কৰা হয় এই জন্মদিন। কালি বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মা। অনুষ্ঠানত উপস্থিত থাকে ইলোৱা বিজ্ঞান মঞ্চৰ বঙাইগাঁও শাখাৰ সাধাৰণ সম্পাদক প্ৰশান্ত ৰায় সহ সংবাদ কৰ্মী সকল। ইপিনে হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি আজি বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত হয় এক আলোচনা চক্ৰ। আলোচনা চক্ৰৰ বিষয় আছিল 'অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে হেমচন্দ্ৰ বৰুৱাৰ যুঁজ'। এই আলোচনা চক্ৰ আৰম্ভণিৰ পূৰ্বে অনুষ্ঠিত হয় হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বোলন আৰু এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। ইয়াৰে পিছত অনুষ্ঠিত হয় সম্বৰ্ধনা অনুষ্ঠান। এই সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে বঙাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মাই। ইয়াৰ পিছত ইলোৱা বিজ্ঞান মঞ্চৰ বঙাইগাঁও শাখাৰ সভাপতি ডাঃ এছ কে দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হয় আলোচনা চক্ৰ। এই আলোচনা চক্ৰত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বঙাইগাঁও বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জৰা ঠাকুৰীয়া। অনুষ্ঠানত মুখ্য আলোচক হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক, কোচ-ৰাজবংশী ভাষা-সাহিত্য, কৃষ্টিৰ গৱেষক তথা বঙাইগাঁও মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° ৰূপাঞ্জলি দেৱী। অনুষ্ঠানত অৱসৰ প্ৰাপ্ত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক তথা ইলোৱা বিজ্ঞান মঞ্চৰ বঙাইগাঁও শাখাৰ অন্যতম উপদেষ্টা ডাঃ ফিৰোজ আহমেদে ইলোৱা বিজ্ঞান মঞ্চৰ লক্ষ্য আৰু উদ্দেশ্য তথা অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে হেমচন্দ্ৰ বৰুৱাৰ অবদান বিষদভাৱে আলোচনা আগবঢ়ায়। অনুষ্ঠানত বঙাইগাঁও বীৰঝৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্ময় ভট্টাচাৰ্য আৰু বিশিষ্ট প্ৰগতিশীল চিন্তাবিদ, লিখক -সাহিত্যিক লক্ষেশ্বৰ ৰায়ে বিজ্ঞান মনোস্কতাৰ ওপৰত বিষদ ভাবে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক প্ৰশান্ত ৰায়ে। ইয়াৰ পিছতে অনুষ্ঠানৰ সামৰণি পৰে।

## তিনিচুকীয়া মাকুম ৩৭ নং ৰাষ্ট্ৰীয় পথৰ শুকানপুখুৰীত পুনৰ ভয়াৱহ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, মাকুম, ১২ ডিচেম্বৰ ঃ** তিনিচুকীয়া মাকুম মাজৰ সংযোগস্থল ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ শুকানপুখুৰীৰ নৈশ বাছ আৰু এম্বুলেন্সৰ মাজত হোৱা ভয়াৱহ দুৰ্ঘটনাৰ ঘটনা মাৰ নৌযাওঁতে, পুনৰ আজি বিয়লি ভাগত একেটা স্থানতে স্কুটি আৰু ছ'টা হাথী মাজত মুখামুখি সংঘৰ্ষ হয়। তিনিচুকীয়া দিশৰ পৰা আহি থকা এখন নম্বৰ বিহীন স্কুটি বাহন আৰু তিনিচুকীয়া অভিমুখে গৈ থকা এ এচ বি চি ৮৯৯৪ নম্বৰৰ এখন ছ'টা হাথী বাহনৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। স্কুটি বাহন খনত তিনিজন স্কুটি আৰোহী আছিল। গুৰুতৰ ভাৱে আঘাত প্ৰাপ্ত হোৱা তিনিওকে তিনিচুকীয়া আৰক্ষীয়ে মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ বুলি প্ৰেৰণ কৰা হয় যদিও দুজনৰ অৱস্থা সংকটজনক হোৱাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ইপিনে ছ'টা হাথী বাহন খনৰ চালকজন ঘটনা স্থলীৰ পৰা পলায়ন কৰে। দুৰ্ঘটনাত আহত হোৱা স্কুটি আৰোহী ক্ৰমে তিনিচুকীয়া বৰগুৰি ভৈৰৱ হাজৰিকা (১৮), লেচেঙ্কা গাঁৱৰ অৰিন্দম বৰুৱা(১৮) তিনিচুকীয়া থাৰমেলৰ অৰবিন্দ সিং(১৮)।

# টংলাত নিখিল ৰাভা জাতীয় পৰিষদৰ শতবৰ্ষ উৎসৱৰ লাইখুঁটা স্থাপন অনুষ্ঠানত বিটিচিৰ উপ মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১২ ডিচেম্বৰ ঃ** নিখিল ৰাভা জাতীয় পৰিষদ নামৰ মহান অনুষ্ঠানটো জন্ম নোহোৱাহেঁতেন ৰাভা জাতি একত্ৰিত নহ'ল হয়। এশ বছৰ আগতে সপোন নেদেখিলে জাতীয় সমস্যা সমাধানৰ বাবে অহোপুৰুষাৰ্থ কৰা, মাত মতা ৰাভা মানুহৰ অভাৱ হ'লহেঁতেন। ওদালগুৰি জিলাৰ টংলা হাবিগাঁৱত শ্ৰীৰামচন্দ্ৰ ৰাভা সোঁৱৰণী সমন্বয় ক্ষেত্ৰত আজি নিখিল ৰাভা জাতীয় পৰিষদৰ শতবৰ্ষ উৎসৱ উদযাপনৰ লাইখুঁটা স্থাপন কৰি এই মন্তব্য কৰে বিটিচিৰ উপ মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰীয়ে। পূজাৰীৰ মন্ত্ৰোচ্চাৰণৰ লগতে আয়তীৰ উৰুলি জোকাৰ, খাম ব্ৰাংছিৰে, নিখিল ৰাভা জাতীয় পৰিষদ জিন্দাবাদ ধ্বনিৰে লাইখুঁটা স্থাপন কৰি তেখেতে শতবৰ্ষ উৎসৱ উদ্‌যাপনৰ সমূহ কাৰ্যসূচীৰ সফলতা কামনা কৰাৰ লগতে ৰাভা জনজাতিৰ সৰ্বাংগীণ বিকাশৰ বাবে পোষকতা কৰে। কলাইগাঁও তথা বৰ্তমান নৱ গঠিত টংলা সমষ্টিৰ বিধায়ক দুৰ্গা দাস বড়োৱে উপস্থিত থাকি ৰাভা জাতীয় জীৱনৰ উত্তৰণ, ভাষা কলা সংস্কৃতিৰ বিকাশৰ হকে মাত মাতিবলৈ এজনো মন্ত্ৰী, বিধায়ক নোহোৱা বাবে আক্ষেপ প্ৰকাশ কৰি কয় এতিয়াৰে পৰা ৰাভা ৰাইজে চিন্তা চৰ্চা কৰিবৰ হ'ল। ৰাভা জাতিৰ সমস্যা সমাধানৰ বাবে সদায় সৰৱ হোৱা এজন উপযুক্ত ব্যক্তি, নেতা তথা মন্ত্ৰী, বিধায়ক সৃষ্টি কৰিবলৈ এতিয়াৰে চেষ্টা কৰিলেহে এশ বছৰ পিছতো মন্ত্ৰী বিধায়ক পাবলৈ সক্ষম হ'ব। আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি বিনোদ ৰাভাই সঞ্চালনা কৰা লাইখুঁটা স্থাপনৰ ৰাজহুৱা সভাত বিটিচিৰ নৱ মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভাইয়ো ভাষণ দিয়ে। সভাতে ওদালগুৰি জিলা ৰাভা জাতীয় পৰিষদৰ তৰফৰ পৰা বিটিচিৰ মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভাক সভাপতি প্ৰসন্ন ৰাভা আৰু সম্পাদক লক্ষ্মীকান্ত ৰাভা স্বাক্ষৰিত সম্বৰ্ধনা পত্ৰ আৰু ফুলাম পাজাৰেৰে অভিনন্দন জ্ঞাপন কৰে। নিখিল ৰাভা জাতীয় পৰিষদৰ সম্পাদক গোবিন্দ ৰাভা আৰু ওদালগুৰি জিলা ৰাভা জাতীয় পৰিষদৰ সভাপতি প্ৰসন্ন ৰাভাই আঁত ধৰা অনুষ্ঠানত নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভা, প্ৰাক্তন বিধায়ক মহেশ্বৰ বড়ো, বিশিষ্ট নাট্যকাৰ পবিত্ৰ ৰাভা, শতবৰ্ষ উৎসৱ উদযাপন সমিতিৰ প্ৰতিখন উপ সমিতিৰ বিষয়ববীয়া, ৰাভা গণ মঞ্চৰ সভাপতি হৰকান্ত ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি নৃপেন খান্দা, ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ৰাভা সাহিত্য সভা, ৰাভা জাতীয় পৰিষদ, ওদালগুৰি জিলা ৰাভা কৃষ্টি সন্মিলন, বায়খো হুৰি অসম আৰু টংলা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ আদি অনুষ্ঠানৰ বিষয়ববীয়াৰ লগতে ৰাভা বুদ্ধিজীৱী, ৰাভা জাতীয় সংগঠনৰ প্ৰতিনিধি, বিজেপি, ইউপিপিএল আৰু বিপি এফৰ নেতৃবৃন্দ উপস্থিত থাকে। অহা ১৯, ২০, ২১, ২২আৰু ২৩ জানুৱাৰী, ২০২৬ত শ্ৰীৰাম চন্দ্ৰ ৰাভা সোঁৱৰণী সমন্বয় ক্ষেত্ৰ, পুৰণি টংলা, হাবিগাঁৱত অনুষ্ঠিতব্য ৰাভা জাতীয় পৰিষদৰ শতবৰ্ষ উৎসৱৰ বাবে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক সভাপতি, বিনোদ ৰাভাক কাৰ্যকৰী সভাপতি, প্ৰভাত চন্দ্ৰ ৰাভাক সাধাৰণ সম্পাদক, বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীক মুখ্য পৃষ্ঠপোষক, টংকেশ্বৰ ৰাভাক পৃষ্ঠপোষক, সাংসদ দিলীপ শইকীয়াক মুখ্য উপদেষ্টা প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তিক লৈ শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে বুলি জানিবলৈ দিছে। আয়োজক সমিতিয়ে জানিবলৈ দিয়া অনুসৰি উক্ত অনুষ্ঠানত ভুটান, বাংলাদেশ, নেপাল আদি ৰাষ্ট্ৰৰ লগতে পশ্চিম বংগ, উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যৰ পৰা প্ৰতিনিধিসকল উপস্থিত থাকিব।

## তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ তৃতীয় দিনা ৫১খন পতাকা উত্তোলন

# 'কেৱল ডিগ্ৰী আহৰণ কৰিলেই অসমৰ সমস্যা সমাধান নহয়' - ড° শশীকান্ত শইকীয়া




**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১২ ডিচেম্বৰ ঃ** "কেৱল ডিগ্ৰী আহৰণ কৰিলেই অসমৰ সমস্যা সমাধান নহয়। অসমত কৰ্মহীনতা আৰু সংস্থাপনহীনতা নোহোৱা কৰিবলৈ এতিয়া অসমৰ যুৱক -যুৱতীক লাগিব কাৰিকৰী কৰ্ম দক্ষতা। যেতিয়ালৈক এটা জাতিৰ শিক্ষা, জ্ঞান, প্ৰজ্ঞা আৰু কাৰিকৰী দক্ষতাৰ অভাৱ থাকিব তেতিয়ালৈকে পৃথিবীত এটা জাতি কেতিয়াও বিশ্বগুৰু হ'ব নোৱাৰে।" ডুমডুমা নগৰ খেলপথাৰত ৯ৰ পৰা ১৩ ডিচেম্বৰলৈ আয়োজন কৰা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান আৰু চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি তৃতীয় দিনৰ এক বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য, বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, বিশিষ্ট লেখক - সাহিত্যিক তথা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ (স্বায়ত্ত শাসিত) মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ড° ঋষি দাসৰ সভাপতিত্বত তথা ডুমডুমাৰ বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকাৰ সঞ্চালনাত "কৰ্ম সংস্থাপনহীনতা আৰু বহিঃৰাজ্যলৈ যুৱক - যুৱতীৰগমন" শীৰ্ষক বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণত ড° শইকীয়াই আৰু কয় যে অসমৰ মাটি উৰ্ব্বৰা আৰু সাৰুৱা। অসমৰ বাবে এয়া প্ৰকৃতিৰ অৱদান। তৎসত্ত্বেও হাজাৰ হাজাৰ অসমীয়া যুৱক-যুৱতীয়ে ইয়াৰ সুযোগ গ্ৰহণ কৰিব নেজানি বহিঃৰাজ্যলৈ কৰ্ম সংস্থাপন বিচাৰি হাবাথুৰি খাইছে। উন্নত দেশবিলাকত কৰ্ম সংস্থাপনৰ অভাৱ নাই, কিন্তু অসমীয়া মানুহে কাম কৰিবলৈ উৎস বিচাৰি নেপাই দেশৰ আন আন ৰাজ্য, যেনে - কেৰলা, কৰ্ণাটক, গুজৰাট আদিত উন্নত কৃষি কাৰ্যতে নিজৰ শ্ৰম বিক্ৰী কৰি তাৰ অৰ্থনীতি সুদৃঢ় কৰি গঢ়ি তুলিছে। অসমীয়া মানুহে কাম নিবিচাৰি নিজে কামৰ সৃষ্টি কৰিব পাৰিলেহে অসমৰ পৰা সংস্থাপন বিচাৰি আন ৰাজ্যলৈ বহিঃগমন ৰোধ হ'ব বুলি গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰি কৰ্ম সংস্থাপন সৃষ্টি কৰিব পৰা বহু উপায় আৰু সমাধানৰ বিষয়ে বিশদ আলোচনা আগবঢ়ায়। এই অনুষ্ঠানৰ পূৰ্বে জিলা সাংবাদিক সন্থাৰ পতাকা উত্তোলন কৰে জিলা সভাপতি ড° ঋষি দাসে, অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ প্ৰণৱ জ্যোতি ডেকাই, ডুমডুমা প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি মনোজ দত্তই আৰু আন পঞ্চাশখন পতাকা উত্তোলন কৰে জিলা সাংবাদিক সন্থাৰ অন্তৰ্গত প্ৰেছ ক্লাবসমূহৰ সভাপতি, সম্পাদক, জ্যেষ্ঠ সাংবাদিক তথা বিভিন্ন ক্ষেত্ৰৰ নেতৃস্থানীয় ব্যক্তি আৰু জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতাসকলে। পতাকা উত্তোলন কাৰ্যসূচী সমাপনৰ পাছতেই স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগ আৰু অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি অনুজ কলিতাই। ইয়াৰ পাছতেই তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰয়াত সাংবাদিকসকলৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি হিমেন ভট্টাচাৰ্যই। এই অনুষ্ঠানৰ প্ৰয়াত সাংবাদিকসকলৰ পৰিয়ালৰ ব্যক্তিও উপস্থিত আছিল। দিনটোৰ চতুৰ্থটো অনুষ্ঠান সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু সদ্য প্ৰয়াত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যালয় সম্পাদক পদ্মজিৎ মৰাণ আৰু ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ গোঁহাইয়ে। আজিৰ আগবেলাৰ অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক আৰু অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাইও অংশগ্ৰহণ কৰি ৫০ বছৰ গৰকা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সদস্যসকলক শুভেচ্ছা জনায় আৰু অনুষ্ঠানটিৰ সফলতা কামনা কৰে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক তথা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ এগৰাকী অন্যতম প্ৰতিষ্ঠাপক অৰ্জুন বৰুৱাইও অংশগ্ৰহণ কৰে। সন্ধিয়া তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাংবাদিকসকলৰ দ্বাৰা 'হৰিশ্চন্দ্ৰ উপাখ্যান'নামৰ এখন ভাওনা মঞ্চস্থ কৰা হয়। কাইলৈ চিত্ৰাংকন, থলীতে ৰচনা লিখা আৰু বাতৰি লিখা প্ৰতিযোগিতাৰ পাছত দুপৰীয়া ভাগৰ পৰা সদৌ অসম ভিত্তিত এখনি প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তৰ্কৰ বিষয় সদনৰ মতে 'সুস্থ গণতান্ত্ৰিক পৰম্পৰা ৰক্ষা কৰাত বৰ্তমান সংবাদ মাধ্যম সফল হৈছে।' সন্ধিয়ালৈ হ'বলগীয়া 'গীতে-মাত-কবিতাৰে জুবিনক স্মৰণ' শীৰ্ষক অনুষ্ঠানটো উদ্বোধন কৰিব বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডুমডুমাৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই।

## ৱাৰ্ড সদস্যই আহ্বান কৰিলে সংবাদমেল

# অভিযোগ প্ৰতি-অভিযোগত উত্তপ্ত পুৰণিগুদাম পঞ্চায়ত




**অসম বাৰ্তা, পুৰণিগুদাম, ১২ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম পঞ্চায়ত কাৰ্যালয়ত আজি তিনিগৰাকী ৱাৰ্ড সদস্যই আহ্বান কৰিলে এখন সংবাদমেল। পঞ্চায়তৰ উপ-সভানেত্ৰী মুনমী বৰা, ৱাৰ্ড সদস্য নিতুল গায়ন আৰু জীতেন দাসে আহ্বান কৰা এই সংবাদমেলত পঞ্চায়তটোত দীৰ্ঘ সময় ধৰি বিভিন্ন শিতানত সংগ্ৰহ হোৱা ধন পঞ্চায়তৰ একাউণ্টত জমা নোহোৱাৰ লগতে পঞ্চায়ত সভানেত্ৰী মুনমী বৈৰাগী পঞ্চায়তত উপস্থিত নোহোৱাৰ কথা উল্লেখ কৰে ৱাৰ্ড সদস্য কেইগৰাকীয়ে। ইফালে, ৱাৰ্ড সদস্য কেইগৰাকীয়ে অভিযোগ কৰা অনুসৰি সভানেত্ৰী গৰাকীয়ে বিভিন্ন কাম-কাজ ঘৰৰ পৰাই পৰিচালনা কৰাৰ কথা উল্লেখ কৰে। ইফালে, পঞ্চায়তৰ পূৰ্বৰ সভাপতি বেদান্ত গায়নৰ পত্নী মুনমী বৈৰাগীয়ে কাম-কাজ কৰাৰ ক্ষেত্ৰত স্বামীয়ে হস্তক্ষেপ কৰাৰ কথা উল্লেখ কৰে ৱাৰ্ড সদস্য কেইগৰাকীয়ে। পঞ্চায়ত সচিবগৰাকীয়ে কোনো কাৰণতে পঞ্চায়তৰ সংগ্ৰহ হোৱা পুঁজি নিজৰ হাতত ৰাখিব নোৱাৰে আৰু এনে ধন হাতত জমা ৰাখি সচিবগৰাকীয়ে জালিয়াতিৰ আশ্ৰয় লয় বুলি উল্লেখ কৰে। ইফালে, সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত পঞ্চায়তৰ সভানেত্ৰী মুনমী বৈৰাগীয়ে কয় যে, কাৰ্যভাৰ লোৱা তিনিমাহ হৈছে। এই তিনি মাহত চাৰিখনকৈ কাৰ্যকৰী সভা আহ্বান কৰা হৈছে। এই সভাত ৱাৰ্ড সদস্য নিতুল গায়নে উন্নয়নৰ কথাৰ পৰিৱৰ্তে খেলিমেলি কথা কৈ পঞ্চায়তৰ উন্নয়নমূলক কামত বাধা দি আহিছে। পঞ্চায়তৰ বাৰ হাজাৰ ৰাইজৰ উন্নয়নৰ বাবে পঞ্চায়ত সমিতিখনে নিৰন্তৰভাৱে কাম কৰাৰ ক্ষেত্ৰত একমাত্ৰ বাধাৰপ্ৰাচীৰ হিচাপে থিয় দিছে ৱাৰ্ড সদস্য নিতুল গায়ন। পঞ্চায়তলৈ কোনো ধৰণৰ পুঁজিৰ আৱণ্টন নোহোৱাৰ লগতে পঞ্চায়তত আঁচনি প্ৰস্তুত কৰি ৰাইজৰ কল্যাণৰ বাবে কাম কৰিবলৈ বিচৰাৰ সময়ত বিশৃংখল পৰিবেশ সৃষ্টি কৰি নিতুল গায়নে পঞ্চায়তটোৰ উন্নয়ন স্তব্ধ কৰিছে বুলি সভানেত্ৰীগৰাকীয়ে মন্তব্য কৰে। উল্লেখযোগ্য যে, এগৰাকী উচ্চশিক্ষিত মহিলা হৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষকতা বাদ দি পঞ্চায়তৰ দৰিদ্ৰ জনসাধাৰণৰ হৈ কাম কৰিবলৈ ওলাই অহা এগৰাকী পঞ্চায়ত সভানেত্ৰীক লৈ এজন বিশেষ ৱাৰ্ড সদস্যই চলোৱা এক ষড়যন্ত্ৰই এতিয়া পঞ্চায়তৰ উন্নয়ন স্তব্ধ কৰিব বুলি সচেতন মহলে মন্তব্য কৰিছে। এইক্ষেত্ৰত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে পঞ্চায়তটোত চলি থকা এই সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰা উচিত।

## ৰূপহীহাটৰ বালিকাত পথ দুৰ্ঘটনা; নিহত ১ আহত ১

**অসম বাৰ্তা, ৰূপহীহাট, ১২ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ বালিকাত আজি পুৱা এক পথ দুৰ্ঘটনা সংঘটিত হয়। এএছ-০২-এইছ-৩২২৮ নম্বৰৰ এখন বাইক আৰু এটা অচিনাকি চাৰিচকীয়া বাহনৰ মুখামুখি সংঘৰ্ষৰ ফলত সংঘটিত হয় পথ দুৰ্ঘটনাটি। অচিনাকি চাৰিচকীয়া বাহনখনে দুৰ্ঘটনা সংঘটিত কৰি তীব্ৰ বেগে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। উক্ত পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় দুই বাইক আৰোহী। স্থানীয় ৰাইজৰ তৎপৰতাত আহত বাইক আৰোহী দুজনক অতি সংকটজনক অৱস্থাত নগাঁও মেডিকেল কলেজ হস্পিটেললৈ প্ৰেৰণ কৰে যদিও আধাবাটতে এজন বাইক আৰোহীৰ মৃত্যু হয়। মৃত্যু হোৱা বাইক আৰোহীজন জুৰীয়াৰ কাৰৈমাৰীৰ শ্বাহৰিয়াৰ হাছান মুন্না বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।


# গোলাঘাটৰ বিশিষ্ট সংগীতজ্ঞ বুবুল দত্তৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১২ ডিচেম্বৰ ঃ** গোলাঘাটৰ বিশিষ্ট সংগীতজ্ঞ বুবুল দত্ত বুধবাৰে নিশা গোলাঘাট নগৰৰ ১০নং ৱাৰ্ডৰ চানমাৰিৰ নিজা বাসভৱনত মৃত্যু হয়। কিছু দিন ধৰি অসুস্থ হৈ থকা দত্তৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৫ বছৰ। এগৰাকী সুদক্ষ গীতাৰ আৰু হাৰমনিয়াম বাদক ৰূপে পৰিচিত বুবুল দত্তই বহু দিন ধৰি গোলাঘাটৰ ৰূপবন সংগীত মহাবিদ্যালয়ত শিক্ষকতা কৰি অজস্ৰ ছাত্ৰ ছাত্ৰীক সংগীতৰ আদিপাঠ দিছিল। এগৰাকী সুৰকাৰ ৰূপে বহু গীতৰ সুৰ দিয়া বুবুল দত্তই গোলাঘাটৰ দুই উচ্চ শিক্ষানুষ্ঠান দেৱৰাজ ৰয় মহাবিদ্যালয় আৰু গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ শীৰ্ষক গীতৰ সুৰ দিছিল। গোবিন্দপুৰ চাহ বাগিচাৰ কৰ্মচাৰী ৰূপে কাৰ্যনিৰ্বাহ কৰা দত্তই মৃত্যুৰ সময়ত পত্নী, একমাত্ৰ পুত্ৰ সন্তান সহ পৰিয়ালবৰ্গ আৰু আত্মীয় স্বজনক এৰি থৈ গৈছে। সংগীতজ্ঞ গৰাকীৰ মৃত্যুত গোলাঘাটৰ সাংস্কৃতিক ক্ষেত্ৰখন শোকত ম্ৰিয়মাণ হৈ পৰিছে। সংগীতজ্ঞ গৰাকীৰ মৃত্যুত গোলাঘাট এমেচাৰ থিয়েটাৰ চচাইটি, সমন্বয় গোলাঘাট, উত্তৰ পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠী, প্ৰবীন শিল্পী মঞ্চ, গোলাঘাট জিলা সাংবাদিক সংস্থা আদিয়ে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে।

## সভাপতি হিচাপে শপত ল'লে এমচিএলএ অৰ্জুন দৈমাৰী

# টংলা পৌৰসভাৰ নতুন সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান

## টংলা নগৰক অৰ্থনীতিৰ বুনিয়াদ গঢ়ি তোলাৰ লক্ষ্য ঃ কাৰ্যবাহী সদস্যা মুন মুন ব্ৰহ্ম




**অসম বাৰ্তা, টংলা, ১২ ডিচেম্বৰ ঃ** টংলা নগৰক অৰ্থনীতিৰ সবল বুনিয়াদ হিচাপে গঢ়ি তোলাৰ অংগীকাৰ বিটিচিৰ কাৰ্যবাহী সদস্যা মুন মুনব্ৰহ্মৰ। টংলা পৌৰসভাৰ নতুন সমিতিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি বিটিচিৰ কাৰ্যবাহী সদস্যা মুন মুন ব্ৰহ্মই কয় টংলা টাউনক টাউন হিচাপে নহয় এখন অত্যাধুনিক টাউন, উদ্যোগ নগৰী হিচাপে গঢ়ি তুলিব বিচাৰো। পৰৱৰ্তী সময়ত নৱ নিৰ্বাচিত সভাপতি, উপ সভাপতি আৰু টংলা নগৰবাসী ৰাইজৰ সৈতে মিলিত হৈ নতুন নতুন আঁচনিৰ ৰূপায়ণ কৰাৰ পৰিকল্পনা কৰিম বুলি জানিবলৈ দিয়ে কাৰ্য্যবাঁহী সদস্যাগৰাকীয়ে। শপত গ্ৰহণ অনুষ্ঠানত ৰাইজক উদ্দেশ্যি দিয়া ভাষণত তেওঁ আৰু কয় যে সমগ্ৰ বিটিচিৰ ভিতৰতে ১৯৬১ ঃ চনত স্থাপন কৰা টংলা চহৰে সমগ্ৰ বিটিচিৰে ঐতিহ্য বহন কৰিছে। তেওঁ আশা প্ৰকাশ কৰে এমচিএলএ অৰ্জুন দৈমাৰীয়ে টংলা নগৰক নতুন মাত্ৰা প্ৰদান কৰিব। উক্ত অনুষ্ঠানত চিএচডি লক্ষেশ্বৰ ওৱাৰী, বিটিচিৰ পাৰিষদ তথা টংলা পৌৰ সভাপতি অৰ্জুন দৈমাৰী আৰু অতিথিয়ে টংলা পৌৰ সভা সম্পৰ্কত ভাষণ দিয়ে। টংলা পৌৰ সভাৰ নতুন সভাপতি হিচাপে খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰী, উপ সভাপতি অজিত সাহা, ৱাৰ্ড কমিছনাৰ টুম্পা পাল, নবীন ডেকা, সুব্ৰত সাহা আৰু ৰীতা মনি তালুকদাৰে গ্ৰহণ কৰে। হৰিশিঙা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মদিৰা বেগমে শপত গ্ৰহণ পাঠ কৰে। অনুষ্ঠানত চিএছডি লংকেশ্বৰ ওৱাৰী লগতে বহু কেইগৰাকী বিজেপি আৰু বিপিএফৰ নেতা কৰ্মী উপস্থিত থাকে। উক্ত শপত গ্ৰহণ অনুষ্ঠানৰ আৰম্ভণীতে টংলা পৌৰসভাৰ বিষয়া আৰু কৰ্মচাৰীসকলে বিশিষ্ট অতিথি কাৰ্যবাহী সদস্যা মুন মুন ব্ৰহ্ম, বিভাগীয় চিএছডি লংকেশ্বৰ ওৱাৰী, চক্ৰ বিষয়া মদিৰা বেগমসহ কেবা গৰাকী অতিথিৰ লগতে নতুন সমিতিৰ সভাপতি, উপ সভাপতি আৰু সদস্য-সদস্যা সকলক ফুলাম গামোচা আৰু আৰনাইৰে উষ্ম আদৰণি জনায়।

# যোৰহাটত সাৰদা সঙ্ঘৰ উদ্যোগত শ্ৰীশ্ৰী মা সাৰদাৰ ১৭৩ সংখ্যাক জন্ম উৎসৱ উদযাপন

**অসম বাৰ্তা, যোৰহাট, ১২ ডিচেম্বৰ ঃ** যোৰহাটৰ দহাবৰা চুকৰ বৰবৰা লেনত অৱস্থিত ৰামকৃষ্ণ সেৱাশ্ৰমৰ ভগ্নী সংগঠন সাৰদা সঙ্ঘৰ উদ্যোগত শ্ৰীশ্ৰী মা সাৰদাৰ ১৭৩ সংখ্যক জন্মউৎসৱ দিন যোৱা কাৰ্য্যসূচীৰে উদযাপন কৰা হয়। পুৱা পূজা পাঠ, প্ৰাৰ্থনা, দুপৰীয়া ৫০ৰ অধিক লোকৰ বিনামূলীয়া ৰক্ত পৰীক্ষা কৰা হয়। আবেলি ২ বজাত অনুষ্ঠিত সভাত যোৰহাটৰ ৰামকৃষ্ণ সেৱাশ্ৰমৰ সভাপতি কৃপাসিন্ধু চক্ৰবৰ্তী, সাৰদা সঙ্ঘৰ সভাপতি কল্পনা দত্ত, প্ৰাক্তন পৌৰপতি প্ৰশান্ত বৰা, সাৰদা সঙ্ঘৰ জেষ্ঠ সদস্য তথা শিক্ষাবিদ উমা চক্ৰবৰ্তী, ৰামকৃষ্ণ সেৱাশ্ৰমৰ জেষ্ঠ সদস্য কিশোৰ দত্ত, সাংস্কৃতিক কৰ্মী গৌতম হাজৰাই শ্ৰীশ্ৰী সাৰদা মাতৃৰ কৰ্মৰাজিৰ কথা স্মৰণ কৰি শ্ৰীশ্ৰী মা সাৰদাৰ শ্ৰী চৰণত সেৱা নিবেদন কৰে। এই অনুষ্ঠানত বালি গাঁও স্থিত দ- গাঁও অনাথ আশ্ৰমৰ শিশুসকলৰ মাজত গৰম বস্ত্ৰ বিতৰণ কৰে। সভাত জেষ্ঠ সদস্য পূৰ্ণিমা দত্ত চৌধুৰী, প্ৰাক্তন পৌৰ সদস্য প্ৰশান্ত দত্ত সহ বহু বিশিষ্ট ব্যক্তি তথা ধৰ্ম প্ৰাণ লোক উপস্থিত থাকে।

## মূলসুঁতিকৰণ ছাত্ৰ-ছাত্ৰী সকলক এজন প্ৰকৃত মানৱ সম্পদ ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত পিতৃ-মাতৃৰো গুৰুত্বপূৰ্ণ ভূমিকা আছেঃ বিধায়ক ৰূপক শৰ্মা

# নগাঁৱত মূলসুঁতিকৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সংযোগ অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, নগাঁও, ১২ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা অসমৰ উদ্যোগত খাগৰিজান শিক্ষাখণ্ডৰ ব্যৱস্থাপনাত আৰু বিশেষ প্ৰশিক্ষণ বিভাগৰ সহযোগত আজি নগাঁও জিলা পুথিভঁৰালত বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ মূলসুঁতিকৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সংযোগ অনুষ্ঠানটি সম্পন্ন হয়। অনুষ্ঠানত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি কয়- আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত। কিন্তু আজি কালি একাংশ ছাত্ৰ-ছাত্ৰী আধাতে শিক্ষা সাং কৰি অন্য দিশলৈ গতি কৰা দেখা গৈছে। বৰ্তমান পুনৰ ছাত্ৰছাত্ৰী সকল শিক্ষাৰ ক্ষেত্ৰখনলৈ ঘূৰি অহাৰ খবৰে সকলোকে আনন্দিত কৰিছে। লগতে তেওঁ কয় মুলসুতিকৰণ কৰা এই সকল ছাত্ৰ-ছাত্ৰীৰো প্ৰত্যেক পিতৃ-মাতৃ সকলৰো একো একোটা গুৰুত্বপূৰ্ণ ভূমিকা আছে যে তেওঁলোকৰ সন্তান সকলক এজন প্ৰকৃত মানৱ সম্পদ ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শিক্ষাৰ ক্ষেত্ৰত যি অভূতপূৰ্ব পৰিৱৰ্তন আহিছে সেইয়া সকলোৱে দেখা পাইছে। ঠিক সেইদৰে বিগত দহ বছৰত আমাৰ চৰকাৰে মেধা ভিত্তিত যি পৰীক্ষা সম্পন্ন হৈছে তাৰ বাবে আমাৰ শিক্ষিত যুৱক যুৱতী সকলে চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। আজি এই বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে মুলসুঁতিকৰণ ছাত্ৰ-ছাত্ৰী যি শৈক্ষিক সংযোগ অনুষ্ঠান আৰম্ভ হৈছে সেই প্ৰশিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকল বহু পৰিমাণে উপকৃত হ'ব পাৰিব বুলি বিধায়ক ৰূপক শৰ্মা আশা প্ৰকাশ কৰে। এইক্ষেত্ৰত অভিভাৱক সকলো এতিয়াৰে পৰা সজাগ হবলৈ আহ্বান জনাই। যাতে তেওঁলোকৰ ভৱিষ্যতৰ সুন্দৰ হয় আৰু তেওঁলোকে উচ্চ শিক্ষা গ্ৰহণৰ বাবে আগবাঢ়ি যাব পাৰে তালৈ লক্ষ্য ৰাখিবলৈ আহ্বান জনাই। আজিৰ এই শৈক্ষিক সংযোগ অনুষ্ঠানতে ছাত্ৰছাত্ৰী সকলৰ মাজত শিক্ষণ সজুঁলিৰ টুপুলা প্ৰদান কৰে বিধায়ক ৰূপক শৰ্মাই। নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পুৱা ১১বজাৰ পৰা আৰম্ভণি হোৱা আজিৰ এই অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশিস শৰ্মা, অতিৰিক্ত জিলা আয়ুক্ত জিতু কুমাৰ বৰ্মন, নগাঁও বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, নগাঁও বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক (ডি.আই) দেবেন চন্দ্ৰ লহকৰ, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ও খণ্ড মিচন সমন্বয় এইছ জ্ঞানেন্দ্ৰ সিংহ, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বসন্ত ভাগৱতী, জিলা সন্মিলিত সম্পাদক পৱন জ্যোতি বৰা, খণ্ড গাণনিক ননী দাস গুপ্তা, জিলা মান ৰক্ষক ভাগ্যজ্যোতি বৰাকে প্ৰমুখ্যে কৰি অন্যান্য আচনি সহায়ক সহায়িকা সভাপতি-সম্পাদক, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। শিক্ষয়িত্ৰী মনিমালা তামোলীয়ে আতঁধৰা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পৰিবেশিত হয় বিভিন্ন সাংস্কৃতিক অনুষ্ঠান।

# জাগীৰোডৰ বিশিষ্ট ব্যক্তি মুনিন বৰঠাকুৰৰ মৃত্যু

**অসম বাৰ্তা, ধৰমতুল, ১২ ডিচেম্বৰ ঃ** এটা যুগৰ পৰিসমাপ্তি ঘটিল জাগীৰোড অঞ্চলত। জাগীৰোডৰ জ্যেষ্ঠ নাগৰিক, বিশিষ্ট সমাজকৰ্মী, জাগীৰোড মহাবিদ্যালয় পৰিচালনা সমিতিৰ উপদেষ্টা, জাগীৰোড সুৰ দেউল সংগীত মহাবিদ্যালয়ৰ উপদেষ্টা, জাগীৰোড বাৰোৱাৰী দুৰ্গা পূজা মন্দিৰৰ উপদেষ্টা, জাগীৰোড কবি সন্মিলনৰ উপদেষ্টা, জাগীৰোড জ্যেষ্ঠ নাগৰিক সমিতিৰ উপদেষ্টা, জাগীৰোড লায়ন্স ক্লাবৰ উপদেষ্টাৰ লগতে জাগীৰোড অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল প্ৰয়াত মুনিন বৰঠাকুৰ। সকলোৰে প্ৰিয় ব্যক্তি আৰু জাগীৰোডৰ বৰ্তমান সকলোতকৈ বয়োজ্যেষ্ঠ ব্যক্তি, মুনিন বৰঠাকুৰ বুধবাৰে নিশা (৯২) বয়সত নিজ গৃহতে বাৰ্ধক্য জনিত কাৰণত বৈকুণ্ঠগামী হয়। তেখেতৰ মৃত্যুত জাগীৰোডবাসীৰ অপুৰণীয় ক্ষতি হয়। তেখেতৰ আত্মাৰ চিৰ শান্তি কামনা কৰি বৃহস্পতিবাৰে অজস্ৰ গুণমুগ্ধ তেখেতৰ গৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গক সমবেদনা জনায়। জাগীৰোডৰ জাতি ধৰ্ম নিৰ্বিশেষে সকলো জাতি জনজাতিৰ লোক ওলাই অহি মুনিন বৰঠাকুৰৰ মৃতদেহ লৈ সমগ্ৰ জাগীৰোডত এক শোভাযাত্ৰা উলিয়াই। তেখেতৰ মৃত্যুত জাগীৰোড মহাবিদ্যালয়, জাগীৰোড বাৰোৱাৰী পূজা মণ্ডপ, সদৌ জাগীৰোড ৰঙালী বিহু সন্মিলন, সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতা, নিজৰাপাৰ ৰঙালী বিহু সমিতি, জাগীৰোড থানা নাগৰিক সমিতি, জাগীৰোড ৰাজহুৱা পুথিভঁৰাল, সুৰদেউল সংগীত মহাবিদ্যালয়, মৰিগাঁও জিলা সাহিত্য সভা, জাগীৰোড শাখা সাহিত্য সভা, জাগীৰোড শুকান মাছ ব্যৱসায় সন্থা, সদৌ জাগীৰোড ব্যৱসায় সন্থা, জাগীৰোড মাৰোৱাৰী সমাজ, জাগীৰোড লায়ন্স ক্লাব, জাগীৰোড প্ৰেছ ক্লাব, জাগীৰোড ক্ৰীড়া সন্থা, জাগীৰোড আঞ্চলিক ছাত্ৰ সন্থা, জাগীৰোড শাখা কবি সন্মিলন আদিৰ লগতে জাগীৰোডৰ বিভিন্ন দল সংগঠনে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেখেতে দুই পুত্ৰ, বোৱাৰী, জী জোৱাই নাতি নাতিনী সহ পৰিয়াল তথা আত্মীয় স্বজনক এই সংসাৰত এৰি থৈ যায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন